## ঘোষণা

অনিবাৰ্য কাৰণ বশতঃ ‘অসম ভূমি’ৰ এই সংখ্যাত নুৰুল ইছলামৰ জনপ্ৰিয় লেখা ‘সোলা মুখৰ হাঁহি’ প্ৰকাশ কৰিব পৰা নগ’ল। অহা সংখ্যাৰ পৰা ‘সোলা মুখৰ হাঁহি’ পুনৰ প্ৰকাশ কৰা হ’ব।

কাৰ্যাধ্যক্ষ- অসম ভূমি

RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.com ত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■Vol :9 ■Issue :17 ■Guwahati ■Wednesday ■ 8 December, 2021 ■ Rs. 5 ■বছৰ - ৯ ■সংখ্যা -১৭ ■গুৱাহাটী ■ বুধবাৰ ■ ২১ আঘোণ, ১৯৪৩ শক ■মূল্য ঃ ৫ টকা

### তাহানিৰ সেই ‘ভাপ ইঞ্জিন’ চালিত ৰেলযাত্ৰা বহুতৰে বাবে মধুৰ নষ্টালজিয়া

## আজিও অৱহেলিত শতবৰ্ষ গৰকা দেশৰ ক্ষুদ্ৰতম ৰেল জংচন



■ **দেৱজিত হাজৰিকাঃ** ১৯২১ চনত ব্ৰিটিছ চৰকাৰে মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ প্ৰাক ঐতিহাসিক যুগৰ এখনি অতিকৈ গুৰুত্বপূৰ্ণ ঠাই শিলঘাট টাউনত স্থাপন কৰিছিল এটা গুৰুত্বপূৰ্ণ ৰেল ষ্টেচন। তেতিয়াৰ পৰাই আৰম্ভ কৰিছিল শিলঘাট-চাপৰমুখ মিটাৰ গজ ৰেল সেৱাৰ। শিলঘাট, জখলাবন্ধা, শালনা, চামগুৰি, পুৰণিগুদাম, নগাঁও টাউন, শেনচোৱা জংচন, বেবেজীয়া, ফুলগুৰি, ৰহা ৰেল ষ্টেচন আৰু চাপুৰমুখ জংচনক সামৰি এই দহটা ৰেল ষ্টেচন আৰু দুটাকৈ জংচনক সামৰি শিলঘাট-চাপৰমুখ মিটাৰ গজ ৰেল সেৱা আৰম্ভ হৈছিল। ১৯২১ চনৰ পৰা ১৯৯২ চনৰ এপ্ৰিল মাহলৈকে এই ৰেল সেৱা ধাৰাবাহিকভাবেই চলাচল কৰি আহিছিল। কিন্তু, সেইবৰ্ষৰে এপ্ৰিলৰ শেষৰ সপ্তাহত ৰেল বিভাগে বৃহৎ লোকচান ভৰাৰ অজুহাতত শিলঘাট-নগাঁও-চাপৰমুখ ২ পৃষ্ঠাত

### ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ ঘোষণা

## পৌৰ নিৰ্বাচনত মিত্ৰতা নকৰে বিজেপিয়ে



**ষ্টাফ ৰিপ’ৰ্টাৰঃ** ৰাজ্যৰ সমাগত পৌৰ সভাৰ নিৰ্বাচনত অকলে প্ৰতিদ্বন্দ্বিতা কৰিববৈলে প্ৰস্তুতি চলাইছে বিজেপিয়ে। ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে এই গুৰুত্বপূৰ্ণ তথ্য। উল্লেখ্য যে ৰাজ্যত বৰ্তমান বিজেপি-অগপ-ইউপিপিএল মিত্ৰজোটৰ চৰকাৰ চলি আছে। তেনেস্থলত আগত পৌৰ সভাৰ নিৰ্বাচনতো বিজেপিয়ে মিত্ৰজোঁট হিচাপে অৱতীৰ্ণ হ’ব বুলি মিত্ৰদলসমূহে ধাৰণা কৰি ১৫ পৃষ্ঠাত



## প্ৰাক্তন এনডিএফবিলৈ ৪ লাখ টকাকৈ সাহায্য মুখ্যমন্ত্ৰীৰ

### আত্মনিৰ্ভৰ অসমৰ লক্ষ্যত উপনীত হোৱাৰ আহ্বান

গুৱাহাটীঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা দেওবাৰে তামুলপুৰত আয়োজিত প্ৰাক্তন এন ডি এফ বি সদস্যসকললৈ পুনৰ সংস্থাপন পেকেজ আগবঢ়োৱাৰ বাবে আয়োজিত এক অনুষ্ঠানত ১১০৫ গৰাকী প্ৰাক্তন উগ্ৰপন্থী সদস্যলৈ ৪ লাখ টকাকৈ ম্যাদি জমাৰ প্ৰমাণপত্ৰ বিতৰণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে অসমৰ সৰ্বাংগীণ উন্নয়নৰ বাবে এক বিস্তৃত পৰিকল্পনা যুগুত কৰি উলিয়াইছে আৰু এই ক্ষেত্ৰত হিংসা ত্যাগ কৰি মূলসুঁতিলৈ ঘূৰি অহা যুৱক-যুৱতীসকলৰ সেৱা কামত লগোৱাৰো পৰ্যাপ্ত ব্যৱস্থা হাতত লোৱা হৈছে। তেওঁ কয় যে ২০২০ চনৰ ২৭ জানুৱাৰীত স্বাক্ষৰিত বড়ো শান্তি চুক্তিৰ এক গুৰুত্বপূৰ্ণ উপাদান ২ পৃষ্ঠাত

### অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম

## উপাধ্যক্ষ তুলসী বৰঠাকুৰৰ কাৰ্যভাৰ গ্ৰহণ

**অসম ভূমি সেৱা, ঢেকীয়াজুলিঃ** শোণিতপুৰ জিলাৰ শিঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক, বিশিষ্ট সমাজকৰ্মী তথা ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সদস্য তুলসী বৰঠাকুৰে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ উপাধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছে। গুৱাহাটীৰ পাণবজাৰৰ অৱস্থিত অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কাৰ্যালয়ত যোৱা তিনি ডিচেম্বৰত আয়োজিত এক অনুষ্ঠানত তুলসী বৰঠাকুৰক উপাধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰা হয়। উক্ত অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ ১৫ পৃষ্ঠাত



## অ’মিক্ৰণঃ চৰকাৰৰ নতুন এছঅ’পি জাৰি

**গুৱাহাটীঃ** দক্ষিণ আফ্ৰিকা, বটছুৱানা, ঘানা, হংকঙ, ইংলেণ্ড-ইটালীসহ ইউৰোপীয়া দেশসমূহ, ইজৰাইল, জাৰ্মানী, কানাডা, পৰ্তুগাল আদিকে ধৰি বিশ্বৰ প্ৰায় ৩০ খন দেশত শেহতীয়াকৈ উদ্বেগজনক হাৰত সংক্ৰমণ ধৰা পৰা ক’ভিডৰ নতুন প্ৰজাতি ”মিক্ৰণৰ ভাৰততো উপস্থিতি ধৰা পৰাৰ পৰিপ্ৰেক্ষিতত অসমত ক’ভিড সম্পৰ্কীয় এক নতুন মানক সঞ্চালন প্ৰক্ৰিয়া (এছঅ’পি) জাৰি কৰিছে ৰাজ্য চৰকাৰে। ভাৰত চৰকাৰৰ অ’মিক্ৰণ সম্পৰ্কীয় শেহতীয়া প্ৰট’কলৰ আধাৰত অসমলৈ প্ৰৱেশ কৰা আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য হ’বলগা নিয়মাৱলী সুনিৰ্দিষ্ট কৰি ৰাজ্যৰ স্বাস্থ্য বিভাগে ২ পৃষ্ঠাত



## ১৭ ডিচেম্বৰত শুভমুক্তি চিনেমা ‘দিঠকত হেৰাল সপোন’ৰ

■ **কুলদ্বীপ বৰ্মন ঃ** মুক্তিৰ প্ৰাক্‌ক্ষণত কাঠমাণ্ডু বিশ্ব চলচ্চিত্ৰ মহোৎসৱত উজলি উঠিল অসমীয়া কথাছবি ‘দিঠকত হেৰাল সপোন’। অসমীয়া চলচ্চিত্ৰ উদ্যোগলৈ এটি ভাল খবৰ। কাঠমাণ্ডু বিশ্ব চলচ্চিত্ৰ মহোৎসৱত উজলি উঠিল মাকনপ্ৰিয়া প্ৰডাকচনৰ দ্বাৰা নিৰ্মিত অসমীয়া চলচ্চিত্ৰ ‘দিঠকত হেৰাল সপোন’। চলচ্চিত্ৰখনৰ পৰিচালক পংকজ পল্লৱ শৰ্মাই জনোৱা মতে চলচ্চিত্ৰখনে বিশ্বৰ পাঁচ শতাধিক চলচ্চিত্ৰই যোগদান কৰা মহোৎসৱখনত দিঠকত হেৰাল সপোনে শেষৰ চাৰিটা স্থানত উপনীত হৈছে। এই ১৫ পৃষ্ঠাত

১ পৃষ্ঠাৰ পৰা

# প্ৰাক্তন এনডিএফবিলৈ ৪

হিচাপে যুৱ চামক আৰ্থিকভাৱে শক্তিশালী কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে এই পুনৰ সংস্থাপন পেকেজ হাতত লোৱা হৈছে। পুনৰ সংস্থাপন পেকেজৰ অধীনত ম্যাদি জমা হিচাপে লাভ কৰা আৰ্থিক অনুদানৰ ধনৰাশি উপযুক্ত ব্যৱহাৰৰ বাবে প্ৰাক্তন উগ্ৰপন্থী সদস্যসকললৈ আহ্বান জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ধনৰাশি জীৱিকা সৃষ্টিকাৰী গঠনমূলক কামত ব্যৱহাৰ কৰিলেহে আত্মনিৰ্ভৰ অসমৰ লক্ষ্যত বৰঙণি যোগাবলৈ তেওঁলোক সমৰ্থ হ'ব। এই কাৰ্যসূচীত যিসকল সদস্য বাদ পৰি গৈছে তেওঁলোককো পেকেজৰ তৃতীয় পৰ্যায়ত সামৰি লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ঐতিহাসিক বড়ো শান্তি চুক্তিৰ জৰিয়তে অঞ্চলটোলৈ স্থায়ী শান্তিৰ পথ প্ৰশস্ত কৰি তোলাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বড়ো নেতৃবৰ্গক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ চৰকাৰখন বিটিআৰ অঞ্চলত বসবাস কৰা জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ প্ৰতি দৃঢ় প্ৰতিজ্ঞ। তেওঁ লগতে কয় যে বড়ো ভাষা আৰু সংস্কৃতিৰ প্ৰসাৰৰ ক্ষেত্ৰত থকা চৰকাৰৰ দায়বদ্ধতাৰ চিন হিচাপে অসম লোকসেৱা আয়োগৰ পৰীক্ষাত বড়ো ভাষাত উত্তৰ লিখিবলৈ ইচ্ছা কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালকপ্ৰধান হীৰেন নাথে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী ইউ জিব্ৰন্ধ, জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহল, বিটিচি প্ৰধান প্ৰমোদ বড়ো, অসম আৰক্ষীৰ বিশেষ সঞ্চালকপ্ৰধান এল আৰ বিষ্ণয়, গৃহ বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মাও উপস্থিত থাকে। উল্লেখ্য যে ৬ ডিচেম্বৰতো মুখ্যমন্ত্ৰীয়ে কোকৰাঝাৰত প্ৰাক্তন এনডিএফবি ৰ মাজত সাহায্য বিতৰণ কৰে।

# অ'মিক্ৰণঃ চৰকাৰৰ নতুন এছঅ'পি জাৰি

দেওবাৰে বিতং এছঅ'পি প্ৰকাশ কৰিছে। ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই নিশা এই কথা ঘোষণা কৰে। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে অ'মিক্ৰণ সম্পৰ্কীয় এই এছঅ'পি অনুসৰি বিদেশ ভ্ৰমণ কৰি অহা যাত্ৰী তথা আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীয়ে ৰাজ্যৰ বিমানবন্দৰত অৱতৰণৰ পাছত ক'ভিড পৰীক্ষণত নিগেটিভ হ'লেও ন্যূনতম ৭ দিনৰ বাবে হোমা কোৱাৰেণ্টীনত থাকিব লাগিব। আনহাতে, ক'ভিড প'জিটিভ ওলালে নিৰ্দিষ্ট প্ৰট'কল অনুসৰি চিকিৎসাধীন কৰাৰ লগতে তেনে যাত্ৰীৰ নমুনা জেন'মিক পৰীক্ষাৰ বাবে উপযুক্ত পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰা হ'ব। বিমানবন্দৰত অৱতৰণৰ পাছতে বিদেশ ভ্ৰমণ কৰি অহা বা আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰী সকলো যাত্ৰীকে ক'ভিডৰ আৰটি পিচিআৰ পৰীক্ষাও বাধ্যতামূলক কৰা হৈছে। বিমানবন্দৰত এই ক'ভিড পৰীক্ষাৰ পৰা ৫ বছৰৰ শিশু ভ্ৰমণকাৰীক ৰেহাই দিয়া হব। অৱশ্যে এনে শিশু যাত্ৰীৰ শৰীৰত ক'ভিডৰ লক্ষণ পৰিলক্ষিত হ'লে তেওঁৰ ক'ভিড পৰীক্ষা কৰা হ'ব। বিদেশ ভ্ৰমণ কৰি অহা যাত্ৰী তথা আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰী প্ৰধানকৈ বিমানবন্দৰেৰে অহাৰেই অধিক সম্ভাৱনা থকাৰ প্ৰতি লক্ষ্য ৰাখি বিমানবন্দৰ থকা ৰাজ্যখনৰ প্ৰতিখন জিলা প্ৰশাসনক এনে যাত্ৰীক বিমানবন্দৰত অৱতৰণৰ পাছৰে পৰা নিৰন্তৰ নিৰীক্ষণত ৰখাৰ লগতে নিয়মীয়াকৈ যোগাযোগ ৰাখিবলৈও এছঅ'পিৰ জৰিয়তে দায়িত্ব ন্যস্ত কৰা হৈছে বুলিও স্বাস্থ্যমন্ত্ৰী মহন্তই সদৰী কৰে। ৰাজ্যত অ'মিক্ৰণৰ সংক্ৰমণৰ প্ৰতিৰোধৰ উদ্দেশ্যে জাৰি কৰা নতুন এছঅ'পিখনৰ কেতবোৰ গুৰুত্বপূৰ্ণ দিশ হৈছেঃ ১) অসম অভিমুখী বা অসমৰ পৰা যোৱা প্ৰতিগৰাকী বিমানযাত্ৰী তথা আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীয়ে বিমান যাত্ৰাৰ পূৰ্বেই বিগত ১৪ দিনৰ বিদেশ ভ্ৰমণ বৃত্তান্তসহ 'এয়াৰসুবিধা' প'ৰ্টেলত স্বঘোষণাপত্ৰ দাখিল কৰাৰ লগতে ভ্ৰমণৰ পূৰ্বৰ ৭২ ঘণ্টাৰ ভিতৰত কৰা ক'ভিড আৰটিপিচিআৰ পৰীক্ষাৰ নিগেটিভ ৰিপ'ৰ্ট আপলোড কৰিব লাগিব। তদুপৰি, আৰটিপিচিআৰ পৰীক্ষাৰ সত্যতা নিশ্চিত কৰি স্ব-ঘোষণাও আপলোড কৰিহে বিমানত উঠাৰ অনুমতি লাভ কৰিব পাৰিব। ২) বিমানত উঠাৰ পূৰ্বেই এয়াৰসুবিধা প'ৰ্টেলৰ জৰিয়তে বা এয়াৰলাইন্স কৰ্তৃপক্ষৰ ভাৰত চৰকাৰৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ক বিমানযাত্ৰীয়ে ক'ভিড সন্দৰ্ভত গৃহ বা প্ৰতিষ্ঠানিক কোৱাৰেণ্টীনত থাকিবলৈ চৰকাৰী কৰ্তৃপক্ষই দিয়া সিদ্ধান্ত পালন কৰিবলৈ সন্মতি জনাই স্বঘোষণা দাখিল কৰিব লাগিব। ৩) ইতিমধ্যে অ'মিক্ৰণৰ সংক্ৰমণ ঘটা দেশসমূহৰ পৰা অহা যাত্ৰীৰ ক্ষেত্ৰত বিমানবন্দৰত অধিক কঠোৰ সতৰ্কমূলক ব্যৱস্থাৰ লগতে বিশেষ ক'ভিড প্ৰট'কল অনুসৰণ কৰা হ'ব। ৪) বিমানবন্দৰত অৱতৰণৰ পাছত ক'ভিড পৰীক্ষণৰ বাবে যাত্ৰীয়ে নমুনা দিব লাগিব। ৫) বিমানবন্দৰত অৱতৰণৰ পাছত ন্যূনতম শাৰীৰিক দূৰত্বকে ধৰি সকলো ক'ভিড প্ৰট'কল মানি যাত্ৰীয়ে বিমানৰ পৰা নামিব লাগিব।

# আজিও অৱহেলিত শতবৰ্ষ গৰকা দেশৰ ক্ষুদ্ৰতম ৰেল জংচন

ৰেল সেৱা সম্পূৰ্ণৰূপে বাবে বন্ধ কৰি দিয়ে সেই মধুৰ স্মৃতিৰে ভৰা মিটাৰ গজ ৰেল সেৱা। সেই সময়ছোৱাত নিতৌ পুৱা ৬.৩০ বজাত শিলঘাটৰ পৰা শিলঘাট-নগাঁও-চাপৰমুখ যাত্ৰীবাহী ৰেল গাড়ীখনে যাত্ৰা আৰম্ভ কৰি পুৱা ৯ বজাত নগাঁও ৰেল ষ্টেচনত উপস্থিত হৈছিল। তাৰ পাছত একেৰাহে চাপৰমুখলৈ যাত্ৰা আৰম্ভ কৰিছিল। বিয়লি পুনৰ চাপৰমুখৰ পৰা যাত্ৰা আৰম্ভ কৰি সন্ধিয়া ৬ বজাত নগাওঁ ৰেল ষ্টেচন পোৱাৰ পাছত নিশা ৯ বজাত শিলঘাট টাউন ৰেল ষ্টেচনত উপস্থিত হৈছিল। এই ৰেলযাত্ৰা আছিল তাহানিৰ 'মাৰ্টিন এণ্ড বাৰ্ণ কোম্পানী'ৰ ৰেলযাত্ৰা। অৱশ্যে সেই ৰেলগাড়ীৰ গতিবেগ আজিৰ দৰে ইমান দ্ৰুতগতি নাছিল। লেহেমীয়া আছিল। সেই সময়ত কলিয়াবৰৰ ৰঙাগাঁৱৰ ওচৰৰ পৰা শিলঘাটলৈকে এক বিস্তৃত এলেকাৰ ৰেলআলিৰ দুয়োকাষে ব্ৰিটিছ চৰকাৰৰ চাহাবসকলে চাহ বাগিচা স্থাপন কৰিছিল। মূলতঃ চাহ ব্যৱসায় সুচল কৰি তুলিবৰ বাবেই ব্ৰিটিছ চৰকাৰে অতি তৎপৰতাৰে এই মিটাৰ গজ ৰেল সেৱা আৰম্ভ কৰিছিল। এই ৰেল সেৱাৰ ফলত নগাঁও জিলাৰ এক বৃহৎ অংশৰ লোক উপকৃত হোৱাৰ লগতে অঞ্চলটোৰ আৰ্থসামাজিক বিকাশৰ ক্ষেত্ৰতো এই ৰেল সেৱাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ১৯৪৭ চনত দেশে স্বাধীনতা লাভ কৰাৰ পাছত বৃহত্তৰ শিলঘাট, জখলাবন্ধাকে ধৰি কলিয়াবৰৰ, শালনা-চামগুৰি, পুৰণিগুদাম, বঢ়মপুৰ, বৃহত্তৰ বেবেজীয়া, ফুলগুৰি, ৰহা, চাপৰমুখ আদি অঞ্চলৰ বিভিন্ন ব্যৱসায়ৰ লগত জড়িত ব্যক্তি, চৰকাৰী চাকৰিয়াল আৰু উচ্চ শিক্ষা গ্ৰহণৰ বাবে অহা ছাত্ৰ-ছাত্ৰীসকল এই ৰেলগাড়ীৰে দৈনিক অহা-যোৱা কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলে একেলগে ৰেলত বহি আনন্দময় পৰিৱেশৰে অহা-যোৱা কৰিছিল। এতিয়াও সেইকথা মাজে মাজে বহুতৰে মুখে-মুখে উচ্চাৰিত হয়। দুৰ্ভাগ্যৱশত এই ৰেল সেৱা ১৯৯২ চনৰ এপ্ৰিল মাহৰ শেষৰ সপ্তাহত বন্ধ হৈ পৰিছিল বিভিন্ন কাৰণত। লগে লগে শিলঘাটকে ধৰি নগাঁও জিলাৰ বৃহৎ অংশৰ আৰ্থসামাজিক উন্নয়নৰ প্ৰক্ৰিয়া স্থবিৰ হৈ পৰিছিল। তেতিয়াৰ পৰাই শিলঘাটক ধৰি কলিয়াবৰ, শালনা, পুৰণিগুদাম, বঢ়মপুৰ, নগাঁও, দক্ষিণপাট, বেবেজীয়া, জাজৰি, হাতীচোং, ফুলগুৰি, ৰহা, চাপৰমুখৰ বৃহৎ ৰাইজে এই ৰেল সেৱা পুনৰ আৰম্ভ কৰিবৰ বাবে ৰেল বিভাগৰ ওচৰত দাবী জনাই আহিছিল। অৱশেষত বিভিন্ন দাবী তথা ওজৰ-আপত্তিত সুদীৰ্ঘ ১৯ বছৰৰ মূৰত শিলঘাট-চাপৰমুখ মিটাৰগজ ৰেল লাইন ব্ৰড গজলৈ উন্নীত কৰি ২০০৯ চনৰ ১৫ এপ্ৰিলৰ পৰা শিলঘাট-নগাঁও-চাপৰমুখ হৈ গুৱাহাটীলৈ এই ৰেল সেৱা পুনৰ আৰম্ভ কৰে। তদুপৰি ২০১২ চনৰ পৰা পৰ্যায়ক্ৰমে শিলঘাট-ধুবুৰী ৰাজ্যৰাণী এক্সপ্ৰেছ আৰু শিলঘাট-চাপৰমুখ যাত্ৰীবাহী ৰেলৰ চলাচল আৰম্ভ হয়। অৱশ্যে শিলঘাট-চাপৰমুখ যাত্ৰীবাহী ৰেলৰ চলাচল কিছুদিন চলাৰ পাছতে বন্ধ হৈ পৰে আৰু শিলঘাট-নগাঁও - চাপৰমুখ-গুৱাহাটীলৈ ৰেল সেৱাৰ চলাচল আৰম্ভ হয়। ইফালে ২০১৮ চনত সেইসময়ৰ ১০ নং নগাঁও লোকসভা সমষ্টিৰ সাংসদ তথা কেন্দ্ৰীয় ৰেল ৰাজ্য মন্ত্ৰী ৰাজেন গোহাঁইৰ বিশেষ তৎপৰতাত শিলঘাট-কলকাতা আৰু শিলঘাট-টাম্বাৰাম (চেন্নাই) লৈ দুখন দুৰণিবটীয়া ৰেল গাড়ী চলাচল কৰাবলৈও সক্ষম হয়। কিন্তু বিশ্বব্যাপী সৃষ্টি হোৱা ক'ভিডজনিত পৰিস্থিতিৰ বাবে ২০২০ বৰ্ষৰ মাৰ্চৰ পৰা এই দুখন ৰেলৰ চলাচল বন্ধ হৈ পৰিছিল যদিও বৰ্তমান পুনৰ আৰম্ভ হৈছে। দৈনিক এই ৰেল দুখনৰ জৰিয়তে সহস্ৰাধিক লোকে নিজৰ জীৱন-জীৱিকাৰ লগতে চৰকাৰী চাকৰিয়ালসকলে নিতৌ অহা-যোৱা কৰি আহিছে। ক্ষুদ্ৰ ব্যৱসায়ী সকলেও ৰেলৰ ভিতৰতে নিজাকৈ চলাই গৈছে সৰু সৰু ব্যৱসায়। এইসকলো ক্ষেত্ৰতে ঠিকে থাকিলেও আজি এশ বছৰৰ অতিক্ৰমী বেবেজীয়া-ফুলগুৰি-ৰহা ৰেল ষ্টেচন কেইটাৰ বিশেষ কোনো উন্নতি নহ'ল। ৰেল ষ্টেচন কেইটাত যাত্ৰীসকলৰ সুবিধা হোৱাকৈ নাই দীৰ্ঘ সময় ধৰি অপেক্ষা কৰিবলৈ তথা বহিব পৰাকৈ এটাও জিৰণি গৃহ, নাই ৰেলষ্টেচনত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা, ৰ'দ বৰষুণ ধুমুহা আদিৰ পৰা যাত্ৰীসকলক সুৰক্ষা দিব পৰা নাই কোনো সুদৃঢ়প্ৰসাৰী ব্যৱস্থা। তৎসত্ত্বেও তাহানিৰ সেই ৰে'লযাত্ৰা আজিও হৈ আছে বহুতৰে বাবে মধুৰ নষ্টালজিয়া। আজি শতবৰ্ষ গৰকা গুৰুত্বপূৰ্ণ এই ৰেলষ্টেচন কেইটাত সেই তাহানিৰ ১৯২১ চনতে নিৰ্মিত হোৱা টিকট ঘৰ কেইটাৰো আজিকোপতি কোনো উন্নয়ন হোৱা দেখিবলৈ পোৱা নগ'ল। কোনো পোহৰৰ ব্যৱস্থা নথকা ষ্টেচন কেইটাত নিশাৰ আন্ধাৰত দুৰণিবটীয়া বা অচিনাকি যাত্ৰী বা অকলশৰীয়া যুৱতী-মহিলাসকলৰ বাবে বহু সমস্যাই দেখা দিয়ে। ৰেলগাড়ী কেইখন আহি এইকেইটা ৰেলষ্টেচনত উপস্থি হোৱাৰ পাছত যাত্ৰীসকলে সমগ্ৰ পৰিৱেশটো অন্ধকাৰাচ্ছ থকা দেখা পায়। ইয়াৰ উপৰি আন্ধাৰৰ সুযোগ গ্ৰহণ কৰি ৰেলযাত্ৰীসকলৰ বহুতৰে নানা সময়ত টকাৰ টোপোলা, বিভিন্ন বয়বস্তু আদিও হৰলুকি হোৱাৰ ঘটনা সংঘটিত হৈছে। পূৰ্বতে বহুকেইটা দল-সংগঠন, স্থানীয় ৰাইজ তথা ৰেলযাত্ৰীসকলৰ প্ৰবল দাবীত বেবেজীয়া ফুলগুৰি-ৰহা এই গুৰুত্বপূৰ্ণ ৰেলষ্টেচন কেইটাৰ প্লেটফৰ্ম কেইটা যাত্ৰীসকলৰ উঠা-নমাত সুবিধা হোৱাকৈ আজি কেইবছৰমান পূৰ্বে ওখকৈ নিৰ্মাণ কৰা হ'ল যদিও বাকীসমূহত অসুবিধাৰে আজি পৰ্যন্ত ৰেল বিভাগে কোনো গুৰুত্ব দিয়া দেখিবলৈ পোৱা নাই। সেয়ে এই শতবৰ্ষ অতিক্ৰম কৰাৰ মুহূৰ্তত বিভিন্ন দল-সংগঠন, স্থানীয় ৰাইজ তথা ৰেলযাত্ৰীসকলৰ দাবী বেবেজীয়া-ফুলগুৰি-ৰহা ৰেল ষ্টেচন কেইটা আধুনিক প্ৰযুক্তিৰে ৰাইজৰ সুবিধা হোৱাকৈ নিৰ্মাণ কৰিলে ৰেলযাত্ৰীসকলৰ লগতে এইদুখন ৰেলৰ ওপৰতে নিৰ্ভৰশীল হৈ নিজৰ ক্ষুদ্ৰ ব্যৱসায় চলাই থকা ব্যৱসায়ীসকলৰ বহু উপকাৰ সাধন হ'ব। এইক্ষেত্ৰত ৰেলবিভাগক শীঘ্ৰে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। আনহাতে, দেশৰ ভিতৰতে অতি ক্ষুদ্ৰতম ৰেল জংচন ৰূপে পৰিচিত নগাঁও জিলাৰ শেনচোৱা ৰেল জংচনটো আজি এশ বছৰ পাছতো কোনো বিশেষ উন্নয়ন সাধন নহ'ল। দেশৰ বিভিন্ন প্ৰান্তত তীৰ্থযাত্ৰীসকলৰ লগতে অন্যান্য যাত্ৰীসকল দূৰদূৰণিৰ পৰা শিলঘাট অশোকাষ্টমী মেলা, শিলঘাটৰ মা কামাখ্যা মন্দিৰ, পৰ্যটনস্থলী ত্ৰিশূলধাৰী, হাতীমূৰা পাহাৰ, কুকুৰাকটা পাহাৰ, শিলঘাট মৰাপাট কল, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানৰ উপৰি অন্যান্য তীৰ্থস্থান তথা পৰ্যটন স্থলীসমূহলৈ অহা-যোৱা কৰে। তৎসত্ত্বেও ৰেল বিভাগে আজিকাপতি দেশৰ আটাইতকৈ ক্ষুদ্ৰ ৰেল জংচনটোৰ বিশেষ কোনো উন্নয়ন হোৱা দেখা নগ'ল। ৰেল জংচনটোত যাত্ৰীসকলৰ সুবিধা হোৱাকৈ নাই কোনো বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, নাই কোনো আহল-বহল বিশ্ৰাম গৃহ, যাত্ৰীসকলৰ বাবে বিশেষ কোনো শৌচালয়-প্ৰচাৰখানা, ৰেল জংচনত নাই কোনো উচ্চ ক্ষমতাসম্পন্ন পোহৰৰ ব্যৱস্থাৰ উপৰি বহু সমস্যা। বৰ্তমানেও শেনচোৱা ৰেল জংচনত নাই দূৰদূৰণিৰ ৰেলযাত্ৰীৰ টিকট সংৰক্ষণৰ ব্যৱস্থা। যাৰ পৰিপ্ৰেক্ষিতত শেনচোৱা, বেবেজীয়া, জাজৰি, হাতীচোং, দক্ষিণপাট, বৰক'লা, ঘাহী, বৰজহা, ডাকৰঘাট, মহমৰীয়া, শিয়ালমাৰী, জাগিয়াল আদি বৃহত্তৰ এলেকাৰ ৰেলযাত্ৰীসকলে ৰাজ্যৰ বাহিৰলৈ চিকিৎসাজনিত কাৰণেই হওঁক বা আন বিভিন্ন কাৰণত ৰেলযোগে যাত্ৰা কৰিব লগা হ'লে অধিক মূল্য দি ব্যক্তিগত টিকট এজেন্সিৰ পৰা টিকট ক্ৰয় কৰিব লগা হয়। আনকি ইয়াৰ ফলত কেতিয়াবা কেতিয়াবা এই ব্যক্তিগত ৰেল টিকট এজেঞ্চিসমূহৰ পৰা ক্ৰয় কৰি দূৰদূৰণিলৈ ৰেলযাত্ৰা কৰাৰ ফলত বহু যাত্ৰীয়ে বিভিন্ন আহুকালৰ সন্মুখীন হ'ব লগাত পৰে আৰু যাত্ৰাৰ সময়ত ৰেলৰ টিকট পৰীক্ষকৰ লগত তৰ্কত লিপ্ত হোৱাৰ ওপৰি পুনৰ টিকত পৰিক্ষকক বৃহৎ পৰিমাণৰ মূল্য ভৰিব লগা ঘটনাও সংঘটিত হৈ আহিছে। অৱশ্যে আজি প্ৰায় ডেৰ মাহৰ পৰা উত্তৰ পূৱ ৰেলৱেৰ মুখ্য কাৰ্যালয়ৰ লামডিং সংমণ্ডলৰ অধীনত ৰেললাইনৰ যি ইলেট্ৰনিক ইঞ্জিন সংযোগেৰে ব্যৱস্থাৰ নতুনত্ব আনিব বিচৰা হৈছে সেই কামৰ কিছু শতাংশ নিৰ্মাণ সম্পূৰ্ণ হৈছে যদিও আৰু এতিয়াও বহুখিনি কাম কৰিবলৈ বাকী আছে। ইফালে, জংচনটো প্লেটফৰ্ম ইমান চাপৰ যে ৰেল যাত্ৰীসকলৰ বাবে ৰেলত উঠা-নমা কৰাত ভীষণ সমস্যাৰো সৃষ্টি হৈ আহিছে। সেয়ে ৰেলযাত্ৰীসকলে ৰেল বিভাগৰ ওচৰত দেশৰ এই ক্ষুদ্ৰ ৰেল জংচনটো যাত্ৰীসকলৰ সুবিধা হ'ব পৰাকৈ পুনৰ কৰি নিৰ্মাণ আৰু সংৰক্ষণ কৰিবলৈ দাবী জনাইছে।

## পথ দুৰ্ঘটনা হ্ৰাসৰ বাবে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্য

# সোণাপুৰলৈ ‘জনসচেতনতা মটৰচাইকেল ৰেলী’




**অসম ভূমি সেৱা, আজাৰাঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত বৰ্দ্ধিত পথ দুৰ্ঘটনা হ্ৰাস কৰি অসমক এখন কিদৰে দুৰ্ঘটনামুক্ত ৰাজ্যলৈ পৰিণত কৰিব পাৰি তাৰ বাবে ৰাইজৰ মাজত ব্যাপক জনসচেতনা সৃষ্টি কৰিবলৈ প্ৰায় দুমাহ পূৰ্বে পৰিবহণ বিভাগক নিৰ্দেশ দিছিল। আনকি এই ক্ষেত্ৰত স্বেচ্ছাসেৱী সংগঠনসমূহকো আগবাঢ়ি আহিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছিল। ইফালে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি ৰাজ্যৰ পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে জিলা পৰিবহণ বিষয়াসকলক নিজ নিজ জিলাত ৰাইজৰ মাজত পথ সুৰক্ষা সজাগতা সৃষ্টিৰ বাবে হাতে-কামে নামি পৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে। মুখ্যমন্ত্ৰী আৰু পৰিবহণ মন্ত্ৰীৰ আহ্বান অনুসৰি ‘অসম ক্ৰীড়া, সাংস্কৃতিক আৰু যুৱ বিকাশ সন্থা’ আৰু ‘সৃজন’ৰ উদ্যোগত, কামৰূপ মহানগৰ জিলা পথ সুৰক্ষা সমিতিৰ সহযোগত ৫ ডিচেম্বৰৰ পুৱা চানমাৰিৰ আনন্দৰাম বৰুৱা উৰণীয়া সেঁতুৰ তলৰ পৰা সোণাপুৰলৈ ‘জনসচেতনতা মটাৰচাইকেল ৰেলী’ উলিওৱা হয়। পতাকা জোকাৰি ৰেলীৰ শুভাৰম্ভ কৰে অসম পশুধন উন্নয়ন নিগমৰ অধ্যক্ষ মনোজ শইকীয়া আৰু অসম বাণিজ্য সংস্থাৰ অধ্যক্ষ সুনীল ডেকাই। এই উপলক্ষে জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব আৰু কামৰূপ মহানগৰ জিলাৰ জিলা পৰিবহণ বিষয়া (পঞ্জীয়ন আৰু অনুজ্ঞাপত্ৰ) কাৰ্যালয়ৰ দায়িত্ববাহী সহকাৰী পৰিবহণ আয়ুক্ত গৌতম দাসে আঁত ধৰা চমু অনুষ্ঠানত মনোজ শইকীয়া আৰু সুনীল ডেকাই দুচকীয়া বাহনৰ চালক-আৰোহী উভয়ে হেলমেট পৰিধান কৰা বিষয়টোত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দুৰ্ঘটনামুক্ত এখন অসমৰ যি সপোন দেখিছে তাক বাস্তৱায়িত কৰিবলৈ হ’লে পৰিবহণ বিভাগ কিম্বা আৰক্ষীয়েই নহয়, চালক, ৰাইজ, যাত্ৰী, পথ ব্যৱহাৰকাৰী সকলোৱে আগবাঢ়ি আহিব লাগিব বুলি ব্যক্ত কৰে। অনুষ্ঠানত প্ৰাক্তন ছাত্ৰনেতা সীমান্ত ঠাকুৰীয়া, দুচকীয়া বাহন নিৰ্মাতা প্ৰতিষ্ঠান ইয়ামাহা কোম্পানীৰ কাৰ্যবাহী জেৰী জাম, উপ-আৰক্ষী অধীক্ষক পিনাকী মিত্ৰ, কামৰূপ মহানগৰ জিলাৰ আঞ্চলিক পৰিবহণ প্ৰাধিকৰণৰ সচিব ৰফিকুল ইছলাম, যান-বাহন পৰিদৰ্শক জয়ছিং ৰংফাৰ, প্ৰৱৰ্তক পৰিদৰ্শক গজেন হাজৰিকাকে ধৰি পৰিবহণ বিভাগৰ কেইবাজনো কৰ্মচাৰী, উদ্যোক্তা, সংগঠন দুটাৰ কেইবাগৰাকী কৰ্মকৰ্তা উপস্থিত থাকে। আনহাতে সীমান্ত ঠাকুৰীয়াৰ নেতৃত্বত উলিওৱা ৰেলীত মুঠ ৩০ খন মটৰচাইকেলে ভাগ লয়। চানমাৰিৰ পৰা ৰেলীটোৱে গুৱাহাটী ক্লাব, উলুবাৰী হৈ জি এছ ৰোডৰে খানাপাৰা হৈ সোণাপুৰলৈ যায়। জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব গৌতম দাসে জানিবলৈ দিয়া মতে ৰেলীৰ মূল উদ্দেশ্য আছিল ৰাইজৰ মাজত হেলমেট পৰিধান কৰাৰ বাবে সজাগতাৰ সৃষ্টি কৰাৰ লগতে যান-বাহন আইন মানি নিয়ন্ত্ৰিত গতিবেগত বাহন চলাই কিদৰে দুৰ্ঘটনা সংঘটিত হোৱাৰ পৰা হাত সাৰি থাকিব পাৰি।

## বোৰ্কাত কেওঁট সন্মিলনীৰ সভা

**চাংসাৰি ঃ** কামৰূপ জিলাৰ চাংসাৰিৰ সমীপৱৰ্তী বোৰ্কাত যোৱা দেওবাৰে কেওঁট সন্মিলনীৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। এই সভাত কেওঁট সম্প্ৰদায়ৰ লোকসকলক অনুসূচিত জাতিৰ মৰ্যাদা প্ৰদান কৰি সকলো সা-সুবিধা প্ৰদানৰ বাবে দাবী উত্থাপন কৰে। বোৰ্কা সাতগাঁও উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত মদন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উপস্থিত থাকে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ব্ৰজেন কাকতি, উপ-সভাপতি ধীৰেণ দাস, নিৰঞ্জন বৰা, কামৰূপ জিলা কেওঁট সন্মিলনীৰ সম্পাদক মতিৰাম ডেকা, উপ-সভাপতিদ্বয় ভাবিত ডেকা, জ্যোতিষ ডেকাকে ধৰি সংগঠনটোৰ ভালেসংখ্যক বিষয়ববীয়া।

সাপ্তাহিক অসম ভূমিলৈ বা-বাতৰি, লেখা প্ৰেৰণৰ বাবে যোগাযোগ নম্বৰ-
৯৮৫৯১-৯৪৫৩৫
৯৮৬৪৫-২৮৫২৩
ই-মেইল ঃ
ssplghy@gmail.com



অসম ভূমি ■ ৮ ডিচেম্বৰ, ২০২১

সম্পাদকৰ মেজৰ পৰা ...

# বিজেপিবিৰোধী মৰ্চাৰ নেতৃত্ব

অহা ২০২৪ চনত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। এই নিৰ্বাচনতে নিশ্চিত হ'ব- তৃতীয়বাৰৰ বাবে বিজেপিৰ হাতত শাসনৰ বাঘজৰী ভাৰতীয় ভোটাৰে তুলি দিবনে নাই। ২০১৪ চনত বিজেপি নেতৃত্বাধীন এনডিএ জোঁটে ক্ষমতা লাভ কৰে। তাৰ পৰৱৰ্তী নিৰ্বাচনত বিজেপিয়ে নিজৰ স্থিতি অধিক মজবুত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বলৈ তেতিয়ালৈ দলৰ ভিতৰৰ পৰা কোনো প্ৰত্যাহ্বান অহা নাছিল। কিন্তু একেৰাহে দুৱাৰকৈ জনাদেশ লাভ কৰিও নৰেন্দ্ৰ মোডীয়ে বেছিভাগ নিৰ্বাচনী প্ৰতিশ্ৰুতিকে পালন কৰাত ব্যৰ্থ হ'ল। সাধাৰণ মানুহৰ দুখ-দুৰ্দশা বৃদ্ধি হোৱাৰ বিপৰীতে এমুঠিমান বৃহৎ পুঁজিপতিৰ সম্পদৰ পৰিমাণ কেইবাগুণো বাঢ়িল। এনে পৰিস্থিতিত নৰেন্দ্ৰ মোডীৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিছে। মূল্যবোধৰ ৰাজনীতিত বিজেপিয়ে বিশ্বাস কৰে বুলি যি সুনাম আছিল, ক্ষমতালৈ অহাৰ পাছত তাকো বিসৰ্জন দিলে বুলি মানুহ এতিয়া পতিয়ন গৈছে। বিভিন্ন ৰাজ্যত জনাদেশ নেথকা সত্ত্বেও প্ৰলোভন আৰু ভয়-ভাবুকিৰে বিৰোধী দলৰ বিধায়ক নিজৰ পক্ষলৈ আনি চৰকাৰ গঠন কৰাটো ৰাইজে প্ৰত্যক্ষ কৰিছে। যিয়ে নহওক, মোডীৰ জনপ্ৰিয়তা আৰু গ্ৰহণযোগ্যতা হ্ৰাস বিজেপিৰ উদ্বেগৰ কাৰণ হৈ পৰিছে আৰু তেওঁৰ বিকল্পৰ সন্ধান বিজেপিৰ অন্দৰ মহলত আৰম্ভ হৈছে বুলি বাতৰি ওলাইছে। নেতৃত্বৰ পৰিৱৰ্তন হওঁক বা নহওঁক, বিজেপি নিঃসন্দেহে এটা শক্তিশালী দল আৰু আগন্তুক নিৰ্বাচনত ক্ষমতাৰ এক প্ৰবল দাবীদাৰ। অৱশ্যে এনডিএৰ অন্তৰ্ভুক্ত অন্যান্য ক্ষুদ্ৰ দলবোৰ এইবাৰো বিজেপিৰ লগত থকা সম্ভাৱনাই অধিক। এতিয়া প্ৰশ্ন হৈছে— বিজেপি নেতৃত্বাধীন এনডিএক প্ৰত্যাহ্বান জনাব কোনে? শতাব্দীপ্ৰাচীন কংগ্ৰেছ দলটো এতিয়া দিশহাৰা। অকলে কোনো এটা দলেই যিহেতু কেন্দ্ৰত ক্ষমতা দখল কৰাটো কল্পনাতীত, বিজেপিবিৰোধী সকলো দলক একত্ৰিত কৰাৰ বাবে কংগ্ৰেছে যত্ন কৰিছে। কিন্তু কংগ্ৰেছ দলটো নেতৃত্বত ভুগিছে। কংগ্ৰেছৰ সভাপতি পদৰপৰা ৰাহুল গান্ধীয়ে পদত্যাগ কৰাৰ পাছত ছো'নিয়া গান্ধীক অস্থায়ীভাৱে সেই দায়িত্ব দিয়া হয়। কিন্তু ছো'নিয়াক বিশেষ সক্ৰিয় হোৱা দেখা নগ'ল। সেইবাবে বিজেপিক প্ৰত্যাহ্বান জনাব পৰাকৈ বিৰোধী ঐক্য প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত প্ৰধান বিৰোধী দল হিচাপে কংগ্ৰেছে শক্তিশালী ভূমিকা গ্ৰহণ কৰাত ব্যৰ্থ হৈছে। আনহাতে কংগ্ৰেছৰ নেতৃত্বত গঠিত বিজেপিবিৰোধী ইউপিএ মৰ্চাৰ অস্তিত্বক লৈয়ে। নতুনকৈ প্ৰশ্ন উত্থাপিত হৈছে। তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে ৰাজহুৱাভাৱে মন্তব্য কৰিছে যে, ইউপিএ নামৰ কোনো বিৰোধী মৰ্চা বৰ্তমান নাই। আগন্তুক লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিৰোধী দলৰ ঐক্য গঢ়ি তুলিবলৈ মমতা বেনাৰ্জী যথেষ্ট সক্ৰিয়। দেশৰ আগশাৰীৰ নিৰ্বাচনী ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে পৰামৰ্শ আগবঢ়াইছে যে, ভাৰতৰ বিজেপিবিৰোধী মৰ্চাই গণতান্ত্ৰিক পদ্ধতিৰে এজন নেতা নিৰ্বাচন কৰি লোৱা উচিত। বিজেপিবিৰোধী মৰ্চাৰ নেতৃত্ব কংগ্ৰেছে একপ্ৰকাৰ অগণতান্ত্ৰিকভাৱে দখলত ৰখাৰ অভিযোগ তুলি প্ৰশান্ত কিশোৰে কৈছে যে শক্তিশালী বিৰোধী মৰ্চা গঢ়ি তোলাৰ বাবে কংগ্ৰেছৰ আদৰ্শৰ প্ৰয়োজন আছে, কিন্তু নেতৃত্বৰ প্ৰয়োজন নাই। যোৱা ১০ বছৰত ৯০ শতাংশ নিৰ্বাচনত কংগ্ৰেছ পৰাজিত হোৱাৰ কথা উল্লেখ কৰি নিৰ্বাচনীৰ ৰণনীতি গৰাকীয়ে কৈছে যে মৰ্চাত কংগ্ৰেছৰ নেতৃত্ব এজন ব্যক্তিৰ ঐশ্বৰিক অধিকা নহয়। এনে পৰিস্থিতিত বিজেপিবিৰোধী মৰ্চাৰ নেতৃত্ব গণতান্ত্ৰিকভাৱে নিৰ্বাচন কৰাৰ তেওঁ পোষকতা কৰে। কংগ্ৰেছৰ দুৰ্বলতাই নিঃসন্দেহে বিৰোধী মৰ্চা শক্তিশালী ৰূপত থিয় হোৱাৰ বাটত হেঙাৰৰ সৃষ্টি কৰিছে। কংগ্ৰেছৰ নিষ্ক্ৰিয়তাৰ বিপৰীতে তৃণমূল নেত্ৰী মমতা বেনাৰ্জীক যথেষ্ট সক্ৰিয় দেখা গৈছে। শেহতীয়াকৈ উত্তৰ প্ৰদেশৰ শক্তিশালী স্থিতিত থকা অখিলেশ যাদৱেও মমতাক সমৰ্থন জনোৱাৰ ইংগিত দিছে। এনে অৱস্থাত বিজেপিবিৰোধী মৰ্চাৰ নেতৃত্ব মমতাৰ হাতলৈ যোৱাৰ সম্ভাৱনাই অধিক। অৱশ্যে তাৰ বাবে শাৰদ পাৱাৰ, বিজু জনতা দলৰ নেতা নবীন পাটনায়ক, ডিএমকে নেতা ষ্টেলিন, শিৱসেনা প্ৰধান উদ্ধৱ থাকৰে, বিহাৰৰ লালুপ্ৰসাদ যাদৱ আদি নেতাৰ সমৰ্থনৰ প্ৰয়োজন হ'ব।



# লোকসংস্কৃতি

## চিন্তা-চৰ্চা আৰু পৰিৱেশ


লীলাধৰ হাজৰিকা

লোকসংস্কৃতিৰ প্ৰকৃত সংজ্ঞা এতিয়ালৈকে স্পষ্ট ৰূপতেই আছে। এই সম্পৰ্কে মোটা-মুটি ভাৱে দুই এজনৰ যি ধাৰণা, সেয়াই যথেষ্ট নহয়। ইয়াৰ কাৰণ হ'ল সংস্কৃতি শব্দটো বহুল অৰ্থত ব্যৱহৃত হোৱা সত্ত্বেও তাৰো কোনো নিৰ্দ্দিষ্ট সংজ্ঞা বিচাৰি পোৱা নাযায়। সমাজ তাত্ত্বিক সকলো কব খোজে যে জাতিৰ জীৱন ধাৰণেই এটা জাতিৰ সংস্কৃতি। আকৌ কোনো কোনো সমালোচকে ক'ব খোজে সমাজৰ চিত্ৰ প্ৰকাশৰ যি ফল সেয়াই তাৰ সংস্কৃতি। অৰ্থাৎ এইদলৰ মতে মানুহৰ খোৱা-লোৱা, ফুৰা-চকা, আদিৰ বিশেষত্বই সংস্কৃতি। আন এটা দলৰ মতে শ্ৰেষ্ঠ গুণাৱলীৰ অভিব্যক্তিয়েই স্মৃতি সেই অভিব্যক্তি নানা ভাৱে হ'ব পাৰে। যেনেকৈ সংগীত, নৃত্য, চিত্ৰকলা, ভাস্কৰ্য, স্থাপত্য ইত্যাদি। মানৱ জীৱনৰ সৰ্ব্বোচ্চ সাধনাৰ ৰূপায়ণেই যদি সংস্কৃতি, তেন্তে লোক-সংস্কৃতি বুলিলেনো কি বুজিম?

সাধাৰণ মানুহৰ চিন্তা-চৰ্চাক জনসাধাৰণে সাধনা বুলি গ্ৰাহ্য নকৰে। অৰ্থাৎ যি শিল্পীয়ে ভাস্কৰ্যত নাৰীমূৰ্তি ৰূপায়িত কৰে, তেওঁৰ জীৱনৰ সাধনা যি স্তৰৰ আৰু গাঁৱলীয়া কুমাৰ সকলে কুমাৰ মাটিৰে যি প্ৰতিমা তৈয়াৰ কৰে সেই সাধনাও একে স্তৰৰ নহয়। কাৰণ ভাস্কৰ্যকাৰীয়ে ব্যক্তিগত জীৱনৰ সাধনাৰে তেওঁৰ নিজস্ব সৌন্দয্যবোধ গঢ়ি তোলে, আৰু নিৰ্মাণ কৌশল আয়ত্ত কৰে। কিন্তু ঐতিহাৰ ধাৰা অনুসৰণ কৰি যি শিল্পীয়ে, মাটিৰ প্ৰতিমা অথবা বাচন-বৰ্তন গঢ়ে, তেওঁৰ ব্যক্তিগত জীৱনত সাধনাৰ কোনো ব্যতিক্ৰম নাই। স্বতঃস্ফূৰ্ত ভাৱেই তেওঁ সেই শক্তি লাভ কৰে। যি সংস্কৃতিৰ অনুশীলন কৰোতে কোনো সাধনাৰ প্ৰয়োজন নহয় জন্মসূত্ৰতেই যি মানুহে কোনো কৌশল আয়ত্ত কৰে, তাকেই লোকসংস্কৃতি বোলে। লোকসংস্কৃতি স্বতঃস্ফূৰ্ত সৃষ্টি অনুশীলন সাপেক্ষে ইয়াৰ সৃষ্টি নহয়। লোকসংগীত অথবা লোকনৃত্য কোনেও সাধনা কৰি আয়ত্ত নকৰে। সামাজিক পৰম্পৰাত জন্মসূত্ৰেই ই সমাজত প্ৰচলিত হয়। জীৱৰ অগ্ৰগতিৰ লগে লগেই অংগ-প্ৰতংগবোৰৰ যেনেকৈ শ্ৰীবৃদ্ধি হয়, লোকসংস্কৃতিৰ উপকৰণসমূহে। সেইদৰে প্ৰসাৰিত হয়। চমুকৈ ক'বলৈ হ'লে লোকসংস্কৃতিক গ্ৰাম্য সংস্কৃতি বুলি ক'ব পাৰি। লোকসংস্কৃতিয়ে সমাজ জীৱনৰ বিৱৰ্তনৰ মাজেদি বিকাশ লাভ কৰে। লোকসংস্কৃতিৰ ভিত্তি হৈছে জনমানস।

'লোকসংস্কৃতি' শব্দটো ইংৰাজী 'Folkore' শব্দটোৰ পৰা আহিছে। Folk মানে জনসাধাৰণ আৰু Lore মানে হৈছে জ্ঞান। ফোকলোৰ শব্দটোৰ জনসাধাৰণৰ জ্ঞান অৰ্থ বুজায়। সেইবাবেই কোৱা হয়, আনসকলো বিষয়ৰ গৱেষণাগাৰ কোঠাৰ ভিতৰত কৰা হ'ব, কিন্তু লোকসংস্কৃতিয়েই একমাত্ৰ বিষয় যাৰ গৱেষণাৰ থল হৈছে জনসাধাৰণ। উনৈশ শতিকাৰ আৰম্ভণিতে জাৰ্মান ভাতৃদ্বয় জেকব লুডউইগ, কাল'গ্ৰিম আৰু উইনয়েম কাৰ্লগ্ৰিমে সাধু আৰু পুৰাবৃত্ত সংগ্ৰহ কৰে। ১৮১২-১৮১৫ খৃঃৰ ভিতৰত এই সংগ্ৰহবোৰ কিণ্ডাৰ উন্দহাউছ মাৰখেনত প্ৰকাশিত হয়। অৱশ্যে গ্ৰীক ভ্ৰাতৃদ্বয়ৰ পূৰ্বে ১৮০৬-১৮০৮ খৃঃৰ সময়ছোৱাত জেটানো আৰু ডন আচনিয়ে তেওঁলোকৰ লোকসংগীতৰ সংকলনত ভৱসকুন্দে শব্দটো ব্যৱহাৰ কৰিছিল। উল্লেখযোগ্য যে উনবিংশ শতিকাৰ মাজভাগত ইংৰাজ পুৰাতাত্ত্বিক উইলিয়াম থমাচে Folkore শব্দটো সৃষ্টি কৰে। থমচে কোকলোৰ শব্দটো ব্যৱহাৰ কৰাৰ সময়ত জাৰ্মান ভকস্কুন্দে শব্দটোৱে মনত বিশেষ ক্ৰিয়া কৰিছিল। প্ৰায় ডেৰকুৰি বছৰ এই শব্দটো চলি অহা জাৰ্মান শব্দটোৱে লোকসাহিত্যৰ উপৰিও সমাজৰ পুৰণি ৰীতি-নীতি আৰু লোক-শিল্পকো ৯ পৃষ্ঠাত

# জীৱনটো উপভোগ কৰক



আজিকালি প্ৰায়ে সকলো নৱপ্ৰজন্মৰ মুখত এটা কথা শুনিবলৈ পাওঁ— 'এনজয় দা লাইফ', অৰ্থাৎ জীৱনটো উপভোগ কৰক। হয়, সঁচাকৈয়ে জীৱনটো উপভোগ কৰিব লাগে। কিন্তু জীৱনটো উপভোগ কৰা ধাৰণাক তেওঁলোকে বিপথে পৰিচালিত কৰিছে আৰু জীৱনটো উপভোগ কৰিবলৈ কিছু ভুল, ধ্বংসমুখী আৰু জটিল পথ বাছি লৈছে। যিবোৰ পথত চলি তেওঁলোকে কেৱল নিজৰ জীৱন ধ্বংস কৰাই নহয়, দেশ আৰু সমাজৰ ভৱিষ্যতকো ধ্বংসৰ গৰাহত ঠেলি দিছে। এইখিনিতে মনলৈ আহিছে আমেৰিকাৰ বিখ্যাত কবি 'ৰবাৰ্ট ফ্ৰষ্টৰ'ৰ জনপ্ৰিয় কবিতা 'দ্য ৰোডনট টেকেনৰ' দুটা শাৰী—

'Two roads diverged in a yellow wood
And sorry I could not travel both...'

ৰবাৰ্ট ফ্ৰষ্টে কোৱাৰ দৰে আমাৰ জীৱনটোও এক অৰণ্য আৰু ক'ত কেতিয়া, কেনেকৈ আৰু কোনো বাটেৰে খোজ ল'ম সেয়া নিৰ্ভৰ কৰে নিজৰ ওপৰত। মই সকলো নৱপ্ৰজন্মক অনুৰোধ কৰিম যাতে এবাৰ হ'লেও ৰবাৰ্ট ফ্ৰষ্টৰ কবিতাটো হৃদয়ংগম কৰে। কাৰণ পশ্চিমীয়া সভ্যতাৰ অন্ধ অনুকৰণ কৰি জীৱনটো উপভোগ কৰাৰ নামত তেওঁলোকে বাছি লৈছে সুৰাপান কৰা, নিচাসক্ত হোৱা, ড্ৰাগছ সেৱন কৰা, ৰাস্তাই ঘাটে ধূমপান কৰা, ৰাস্তাত স্পীড লিমিট নামানি গাড়ী চলোৱা, পৰিয়ালৰ অগোচৰেই কেইবাদিন উধাও হোৱা, মাজনিশালৈ ম'বাইল গেমত ব্যস্ত থকা, সকলো সময়তে মুখত গুটখা লৈ চোৱাই থকা আদি পথ। যিসকলে ইয়াৰ পৰা আঁতৰি থাকিব বিচাৰে তেওঁলোকক আকৌ এই সকলে য'তে ত'তে ইতিকিং কৰে। উদাহৰণস্বৰূপে মই মোৰ জীৱনত কিছুদিন পূৰ্বে ঘটা এটা ঘটনাৰ কথা উল্লেখ কৰিব বিচাৰো। মোৰ বাল্যকালৰ বন্ধু এজনে মোক কয়— 'তইতো তোৰ' লাইফটো এনজয়ে নকৰিলি, তোৰ আনন্দ ফূৰ্তি একো নাই। মই তেওঁক সুধিলো, তুমি কেনেকৈ জানিলা যে মোৰ আনন্দ ফূৰ্তি একো নাই? তেওঁ লগে লগে উত্তৰ দিলে তই মদ, চিগাৰেট, গুটখা আদি একো নাখাতা আৰু কেতিয়াও আমাৰ লগত পাৰ্টিও নকৰা, তই জীৱনটো উপভোগ নকৰিলি। মই তেওঁক একো উত্তৰ নিদি কেৱল হাঁহি এটা মাৰি দিলো আৰু মনে মনে ভাবিলো যদি মদ খালেই, পাৰ্টি কৰিলেই জীৱনটো উপভোগ কৰা হয় তেন্তে মই তেনে জীৱন উপভোগ কৰিব নিবিচাৰো। মই জানো তেওঁ উত্তৰ দি একো লাভ নাই, কাৰণ জীৱনটো উপভোগ কৰাৰ বাবে তেওঁ কিছু ভুল পথ বাছি লৈছে।

লেডী এষ্টৰে কৈছিল— 'মই সুৰাপান নকৰাৰ এটা কাৰণ হ'ল মই আনন্দ কৰিছো জানিব খোজো।' লেডী এষ্টৰৰ কথাষাৰক ময়ো সমৰ্থন কৰো, সুৰাপান কৰি লজ্জাবোধ নাইকিয়া কৰি নিৰ্লজ্জ হৈ আনন্দ কৰাতকৈ নকৰাই ভাল। সুৰাই এজন লোকৰ লজ্জাবোধ নাইকিয়া কৰে আৰু নিৰ্লজ্জ কৰি গঢ়ি তোলে। সম্প্ৰতি সমাজত সুৰাপান আৰু গুটখা এক জাতীয় প্ৰমোদ হৈ পৰিছে। ইয়াৰ বাবে তেওঁলোকে নিজৰ সভ্যতা সংস্কৃতিকো অৱনমিত কৰিছে। আপুনি যদি সুৰাপান নকৰে বা গুটখা নাখায় তেওঁলোকে আপোনালৈ এনেদৰে চাব যেন কিবা এটা বিসংগতিহে হৈছে। তেওঁলোকৰ মূলমন্ত্ৰ হ'ল— 'আপোনাৰ জ্ঞান কম হ'লে কথা নাই যদিহে আপোনাৰ নম্বৰ ভাল।' আজিৰ দিনত উভয় সুৰাপান আৰু ধূমপান মোহময়ী ৰূপত উপস্থাপন কৰা হৈছে। National survey on Drug use and Health (NSDUH)ৰ ২০১৯ চনৰ গৱেষণা মতে ১৮ আৰু ১৮ বছৰৰ ৮৫.৬ শতাংশ লোকে জীৱনৰ কোনোবা নহয় কোনোবা সময়ত সুৰাপান কৰে। আপুনি যদি কাৰোবাৰ পৰা জানিব বিচাৰে তেওঁ কিয় সুৰাপান কৰে বা নিচাযুক্ত দ্ৰব্য সেৱন কৰে তেওঁ আপোনাক বহুতো কাৰণ দৰ্শাব যেনে — কিবা এটা উপলক্ষ্যৰে উদযাপন, আনন্দ লাভ, কৌতুহল, কাৰোবাক আকৃষ্ট কৰা, চখ কৰা, মিলা-মিচা কৰা, ব্যৱসায় সম্পৰ্কীয় আলোচনা, দুখ-যন্ত্ৰণা দূৰ কৰা, টেনশ্বন দূৰ কৰা ইত্যাদি। তাৰ উপৰিও আজিকালি আৰু এটা যুক্তি প্ৰায়ে শুনিব 'মদ খাইছো নেকি বেয়াৰ বা ৱাইন হে খাইছো। যিসকলে সুৰাপানক জীৱনটো উপভোগ কৰাৰ এটা মাধ্যম বুলি ভাবে তেওঁলোকৰ বাবে বিশ্ব স্বাস্থ্য সংস্থাৰ কিছু তথ্য আগবঢ়াইছো। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে — 'বিশ্বৰ বছৰি তিনি মিলিয়ন লোকৰ মৃত্যু হয় সুৰাপান কৰাৰ বাবে। তাৰ উপৰিও সুৰাপানে ২০০ ৰোগ অধিক সৰু-ডাঙৰ বেমাৰৰ সৃষ্টি কৰিব পাৰে

**মাণিক পাল**

শৰীৰত। ২০ ৰ পৰা ৩৯ বছৰ বয়সৰ মুঠ মৃত্যুৰ প্ৰায় ১৩.৫ শতাংশ সুৰাপান বা ইয়াৰ প্ৰভাৱৰ বাবে হয়। জেৰি জনচনে তেখেতৰ গ্ৰন্থ 'It's killing our kids'ত কৈছে— 'আমেৰিকাৰ চিকিৎসালয় সংস্থাৰ প্ৰতিবেদনৰ মতে চিকিৎসালয়ত ভৰ্তি হোৱা লোকৰ অৰ্ধ সংখ্যকেই সুৰা-জনিত। গতিকে সুৰাপান কৰি জীৱনটো উপভোগ কৰাতকৈ নকৰাই ভাল।

জীৱনটো উপভোগ কৰাৰ আটাইতকৈ শ্ৰেষ্ঠ উপায় হ'ল কাম, অৰ্থাৎ আমি কামৰ জৰিয়তেহে জীৱনটো উপভোগ কৰিব লাগে। ১৯১২ চনত চিকিৎসা বিজ্ঞানৰ ন'বেল বঁটা বিজয়ী 'এলেক্সিচ কেৰেলে 'Man, the unknown' নামৰ বিখ্যাত গ্ৰন্থত লিখিছে— 'কাম তথা পৰিশ্ৰমে সকলো শাৰীৰিক আৰু মানসিক কৰ্ম-দক্ষতা বৃদ্ধি কৰে। পেশীবোৰ যিমানেই বেছি কাম কৰে সিমানেই সেইবোৰ বেছি শক্তিশালী হয়। শৰীৰৰ অংগ-প্ৰত্যংগবোৰৰ দৰেই বুদ্ধি আৰু নৈতিক চেতনাও পৰিশ্ৰম তথা অনুশীলনৰ অভাৱত মৃতপ্ৰায় হয়। ব্যক্তিৰ সৰ্বাধিক বিকাশৰ কাৰণে যিটো বস্তু আটাইতকৈ দৰকাৰী সেইটো হ'ল অবিৰাম কৰ্মোদ্যম। প্ৰধানকৈ বৌদ্ধিক আৰু নৈতিক অনুশাসনৰ সহায়তহে আমি নিজকে পুনৰ্নিমাণ কৰিব পাৰো। বিশেষকৈ মধ্য বয়স আৰু বৃদ্ধ বয়সত এনে ধৰণৰ অনুশাসন বেছি দৰকাৰী। 'হোমেন বৰগোহাঞিৰ দৰে তেওঁৰ প্ৰবন্ধ পুথি 'কাম কৰাৰ আনন্দ' ত লিখিছে— 'নিষ্কৰ্মাৰ জীৱন অসাৰ আৰু অৰ্থহীন, জীয়াই থকাৰ আনন্দ অনুভৱ কৰিবলৈ হ'লে মানুহে কাম কৰি আনন্দ পাবই লাগিব।' এই কিতাপখনতে তেওঁ 'ৱাল্টাৰ পেটাৰে' Success in life নামৰ কিতাপত লিখা কিছু কথা উল্লেখ কৰিছে— 'ভিক্টৰ হিউগোৱে কৈছিল যে আমি সকলো মানুহেই মৃত্যুদণ্ডেৰে দণ্ডিত আচামী। কিন্তু অনিৰ্দিষ্ট কাললৈ কেইটামান দিনৰ কাৰণে আমাক জীয়াই থাকিবলৈ দিয়া হৈছে। মৃত্যুৰ লগে লগে আমি শূন্যত বিলীন হৈ যাওঁ। জীৱন আৰু মৃত্যুৰ মাজত এই চুটি সময়খিনি কিছুমান মানুহে অতিবাহিত কৰে অস্থিৰ আৰু অশান্ত হৈ, আন কিছুমানে অতিবাহিত কৰে কামনা-বিসনাৰ উচ্ছাসত আত্মহাৰা হৈ। আটাইতকৈ জ্ঞানী মানুহবোৰে এই সময়খিনি অতিবাহিত কৰে কলা-সৃষ্টি আৰু জ্ঞানৰ সাধনা কৰি। জন্ম আৰু মৃত্যুৰ মাজত এই চুটি সময়খিনিক নানা ধৰণৰ কৰ্ম আৰু সৃষ্টিৰ আৱেগেৰে স্পন্দিত আৰু প্ৰাণ চঞ্চল কৰি ৰাখিব পাৰিলেহে জীৱনটো সাৰ্থক হয়। প্ৰবল আৱেগে আমাক পৰিপূৰ্ণভাৱে জীয়াই থকাৰ অনুভূতি দিয়ে। প্ৰেমৰ গভীৰ আনন্দ আৰু বিষাদ, স্বাৰ্থজড়িত বা নিঃস্বাৰ্থ যিকোনো উচ্ছাসপূৰ্ণ কৰ্মোদ্যম বহুত মানুহৰ জীৱনলৈ এইবোৰ আহে স্বাভাৱিকভাৱেই। তুমি সুনিশ্চিত কৰিব লাগিব মাত্ৰ এটা কথা যিকোনো কাম কৰিবলৈ তুমি হৃদয়ত অনুভৱ কৰিব লাগিব প্ৰবল আৱেগ, সেই আবেগে তোমাৰ প্ৰাণৰ স্পন্দন খৰতৰ কৰি তোমাৰ চেতনাক উদ্দীপিত আৰু সম্পসাৰিত কৰিব পাৰিব লাগিব।

কিছুমান মানুহে আকৌ জীৱনটো উপভোগ কৰা মানে অধিক অৰ্থ উপাৰ্জন কৰা, সঠিক সম্পৰ্ক বা বন্ধুত্ব স্থাপন কৰা আৰু জনপ্ৰিয়তা অৰ্জন কৰাক বুজে। কিন্তু কথা হ'ল এইসকলোবোৰ থকাৰ পাছতো কিন্তু বহু মানুহে সুখ বা শান্তিৰে জীৱনটোক উপভোগ কৰিব নোৱাৰে। কাৰণ জীৱনটো উপভোগ ১২ পৃষ্ঠাত



# সনাতন ধৰ্মত সংস্কাৰ কৰ্মৰ গুৰুত্ব

ড° বিমল কৃষ্ণ ভট্টাচাৰ্য

সনাতন ধৰ্মত সংস্কাৰ কৰ্মৰ গুৰুত্ব বিষয়ে আলোচনা কৰাৰ আগতে বিশ্ব ব্ৰহ্মাণ্ডত জীৱৰ ক্ৰমবিকাশ শাস্ত্ৰত কোৱা ধৰণে পোৱা যায় তাৰ বিষয়ে উল্লেখ কৰিব বিচাৰিছো—

স্থাবৰং বিংশতি লক্ষ্যং জলজং নবলক্ষকম।

কুৰ্ম্মশ্চ নব লক্ষকম দশ লক্ষং তু পক্ষিণঃ।

ত্ৰিশলক্ষং পশুণাঞ্চ চতুলক্ষং তু বাণৰাঃ।

ততো মনুস্যতাং প্ৰাপ্য ততঃ কৰ্ম্মণি সাধয়েৎ।

জীৱ এটাই প্ৰথমতে ২০ লক্ষ বছৰ বন জংঘল হৈ পানীত শেলুৱৈ, মাছ আদি হৈ ৯ লক্ষ বছৰ, কাছ হৈ ৯ লক্ষ বছৰ, পক্ষী হৈ ১০ লক্ষ বছৰ, বিভিন্ন পশু হৈ ৩০ লক্ষ, বান্দৰহৈ ৪ লক্ষ বছৰ পাৰ কৰাৰ পাছত পুণ্যৰ ফলত মানৱ জন্ম লাভ কৰে। সেয়েহে মহাভাৰতত ভীষ্মই শৰশয্যাত পৰি থাকোত অন্তিম দৰ্শনৰ সময়ত যুধিষ্ঠিৰে প্ৰশ্ন কৰিছিল যে জগতত পৰম সত্য কি? উত্তৰত ভীষ্মই কৈছিল 'ন হি মনষ্যাৎ কিঞ্চিৎ মহত্বৰং বিদ্যতে'। অৰ্থাৎ মানুহতকৈ ডাঙৰ জগতত একো নাই কাৰণ বহু কৰ্মৰ ফলত জীৱে জগতত মানৱৰূপে জন্ম পায়। এই মানৱ জন্মৰ প্ৰধান ৰহস্য হৈছে আত্মাক বা নিজকে জনা। কাৰণ আত্মজ্ঞানেই ঈশ্বৰ লাভৰ শেষ অৱস্থা। যাক আমি সনাতন বুলি ক'ব পাৰো। আত্মা বা ঈশ্বৰ সনাতন কাৰণ তেওঁৰ বয়স বা জন্মৰহস্য কোনেও নাজানে। এই মায়াৰ পৰা মুক্তি পোৱাই তেওঁৰ ধৰ্ম। তেৱেঁই আমাৰ ধাৰক, তেওঁক অৱলম্বন কৰিয়ে আমি সত্যৰ অনুসন্ধান কৰো, যি সত্য শাশ্বত, সদায় থাকে আৰু সেয়াই হৈছে আত্মা বা ঈশ্বৰ সনাতন। ইয়াক অনুধাৱণ কৰিব পাৰে মাত্ৰ যজ্ঞকৰ্তা জ্ঞানীজনে, যিয়ে জ্ঞানৰ দুটা স্তৰ জ্ঞান আৰু বিজ্ঞান অতিক্ৰম কৰি প্ৰজ্ঞান অৱস্থা প্ৰাপ্ত হ'ব পাৰে। সেয়েহে গীতাত কৈছে 'আত্মন্যেবাতাত্মণা তুষ্টঃ তস্য প্ৰজ্ঞা প্ৰতিস্থিতাঃ'। আমাৰ দেহত থকা আত্মা আৰু জীবাত্মাৰ মিলনৰ দ্বাৰা তুষ্ট হোৱা যিটো স্থিতি তাকস্থিতপ্ৰজ্ঞ বুলি কৈছে। আৰু এই স্থিত প্ৰজ্ঞ অৱস্থাৰ পূৰ্ণ অনুশীলন দেখা যায় সনাতন অৱস্থাৰ মাজেৰে। যি সনাতন তেওঁ জনাহে জ্ঞান। শ্ৰীমৎ শংকৰাচাৰ্যই তাকেই নিম্ন শ্লোকত কৈছে—

কুৰুতে গংগাসাগৰ গমনং ব্ৰত পৰিপাশনম অথবা দানম্।

জ্ঞান বিহীন সৰ্বমতেণ মুক্তিংনভজতি জন্ম শতেন।।

যোনে যিমান গংগা সাগৰাদিত স্নান নকৰক, যিমান তীৰ্থস্থান দৰ্শন, ব্ৰত পালন দান-দক্ষিণা নকৰক কিয় আত্মাজ্ঞান বিনা শত জন্মতো মুক্তি অলীক কল্পনা। মুক্তিৰ বাবে লাগিব আত্মজ্ঞানী আৰু আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ। আধ্যাত্মিক চেতনাপূৰ্ণ ধৰ্মই সনাতন এই অৱস্থা পাবলৈ বহুতে বহু ধৰণৰ পন্থাৰ অৱতৰণ কৰিছে যাক সনাতন ধৰ্মৰ সংস্কাৰ বুলি কোৱা হয়। যেনে হিন্দু, খৃষ্টান, জৈন বুদ্ধ আদি বহুতো। এইবোৰ পন্থাহে ধৰ্ম বুলিলে ভুল হ'ব। ইয়াৰ সুন্দৰ ব্যাখ্যা ঋকবেদৰ ১-১৬৪-৪৬ নং মন্ত্ৰত কৈছে—

'ইন্দ্ৰং মিত্ৰং বৰুনমগ্নি মাহুৰথো দিব্যঃ স সুপৰ্ণো গৰুত্মান।

একং সদ্বিপ্ৰা বহুধা বদন্তি অগ্নি যমং মাতৰিশ্বানমাহুঃ।'

অৰ্থাৎ পৰমেশ্বৰ এজনেই তেওঁক বিভিন্নজনে ইন্দ্ৰ, মিত্ৰ, বৰুণ অগ্নি বুলি কয়। এওঁ স্বৰ্গীয়, পক্ষ বিশিষ্ট, সুন্দৰ গমন শীল। এওঁ এক হ'লেও পণ্ডিতসকলে অগ্নি, যম সাতৰিশ্চা বুলি কয় বা স্তুতি কৰে। উপৰোক্ত মতকে সমৰ্থন কৰি অথৰ্ববেদত কৈছে 'অসখ্যাচং প্ৰবিশান্তি পৰমি জনা বিদুঃ'। অৰ্থাৎ অলেখ হ'লেও মূলতঃ এজনেই ভগৱান। আকৌ কৈছে—

তবেদ অগ্নি, স্তদাদিত্য, স্তদ বায়ুস্তদ চন্দ্ৰমা

তদেব শুক্ৰঃ তদ ব্ৰহ্ম, তদ অপঃ তদ প্ৰজাপতিঃ।।

ত্বংস্ত্ৰী ত্বং পুমানাসি ত্বং কুমাৰ উত বা কুমাৰী

ত্বং জীৰ্নো দণ্ডেন বঞ্চসি ত্বং জাতো

ভবতি বিশ্বতো মুখ ঃ (অথৰ্ব্ব ১০-৮-২৭)

জীৱৰ সৃষ্টি পাছতে পৰম ব্ৰহ্মাই জ্ঞান, বিজ্ঞান আৰু প্ৰজ্ঞান দানৰ বাবে সৃষ্টি কৰিলে চতুৰ্বেদ। বৃহৎ আৰণ্যক উনিষদত আছে ২-৪-১০ নং 'অস্য মহতো ভূতস্য নিঃশ্বসিত মেতদ ঋকবেদো, যুজুবেদঃ, সামবেদঃ অথৰ্বাংগিৰসঃ'।। সেই পৰম পুৰুষ জগদীশ্বৰে জন-গণৰ জ্ঞানৰ বাবে সৃষ্টি কৰিলে চতুৰ্বেদ। যি চতুৰ্বেদ অকল আধ্যাত্মিক উচ্চ জ্ঞান বিষয়ক অথবা ধাৰ্মিক অনুষ্ঠান বিষয়ক নহয় ই হৈছে মানৱ জাতিৰ দৈনন্দিন ব্যৱহাৰৰ গ্ৰন্থ যিয়ে গৃহস্থৰ পৰা সন্নাসীলৈকে প্ৰাচীন যুগৰ পৰা ভৱিষ্যৎ যুগলৈ ব্যৱহাৰিক আৰু উপাদেয়। আয়ুবেদ, যন্ত্ৰবিদ্যা, ধনুবিদ্যা, ৰাজনীতি, সমাজনীতি, ধৰ্মনীতি আদি সকলো বস্তু সূত্ৰৰূপে বেদত আছে। পৰমপুৰুষ সৃষ্ট এই চতুৰ্থবেদক মহাভাৰতত কৈছে—

'অনাদি নিধনং নিত্যা বাগুৎ সৃষ্ট স্বয়ম্ভুৱা' বুলি অৰ্থাৎ বেদৰ শেষ নাই ভগৱানৰ মুখৰ পৰা আপোনা আপুনি নিগৰিত অমৃত বাণী। এই অমৃত পান কৰাবৰ বাবেই পৰম পুৰুযে পৰমগুণ আৰু কৰ্মৰ বিভাগ কৰি সংস্কাৰ অনুযাই ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰাদি চাৰি কৰি ভাগ কৰা বুলি গীতাৰ চতুৰ্থ অধ্যায়ৰ ১৩ নং শ্লোকত উল্লেখ কৰিছে যথা—

'চতুবৰ্ণং ময়া সৃষ্টা গুণ কৰ্ম বিভাগতঃ'

এই চতুৰ্বৰ্ণৰ আকৌ কাৰ কেনেকৈ জন্ম হ'ল তাকো ঋকবেদৰ পুৰুষ সুক্ত ১১ নং শ্লোকত কৈছে যথা—

ব্ৰাহ্মণোৎস্য মুখমাসীদ বাহুৰাজণ্যঃ কৃতঃ।

উৰূতদস্য যদবৈশ্য পদভ্যাংশুদ্ৰো অজায়ত।

পৰম ব্ৰহ্মই তেওঁ মুখৰ পৰাই ব্ৰাহ্মণক জন্ম দিছিল, বাহুৰ পৰা ক্ষত্ৰিয়, উৰুৰ পৰা বৈশ্য আৰু ভৰিৰ পৰা শুদ্ৰক জন্ম দি কামৰো তেনেকৈ ভাগ কৰি দিছিল। পৰম ব্ৰহ্মৰ মুখৰ পৰা জন্ম হোৱা ব্ৰাহ্মণৰ স্বৰূপৰ বিষয়ে পদ্মপুৰাণত আছে— যথা-

ব্ৰাহ্মণ সৰ্ব্ববৰ্নানাং গুৰুৰেব দ্বিজেত্ম।

সৰ্ব্বমেব শ্ৰেয় জ্ঞেয়ঃ সাক্ষাৎ নাৰায়ণ ঃ প্ৰভুঃ।।

ব্ৰাহ্মণ হৈছে চতুৰ্বৰ্ণংৰ সকলো লোকৰ গুৰু সেয়েহে এওঁলোকক প্ৰভু নাৰায়ণৰ প্ৰতিমূৰ্তি বুলি ধৰা হয়। এই মহান ব্ৰাহ্মণসকল ব্ৰাহ্মণকুলত জন্মিলেই নহয়। তেওঁ সু-সংস্কৃত হৈ জগত সনাতন ধৰ্মৰ অমৃতধাৰা বোৱাব লাগিব। শাস্ত্ৰত আছে।

জন্মেনা জায়তেশূদ্ৰঃ সংস্কাৰাৎ দ্বিজউচ্যতে।

বেদ পাঠাদ্ভবেদ বিপ্ৰো ব্ৰহ্মং জানাতি ইতি ব্ৰাহ্মণঃ।।

সনাতন ধৰ্মশাস্ত্ৰবোৰত উল্লেখ থকা চল্লিছটা সংস্কাৰেৰে সংস্কৃত হৈ জগতত ব্ৰাহ্মণসকলে শান্তি বোৱাব লাগিব। সেইবোৰ হ'ল ১) গৰ্ভধান ২) পুংসক ৩) সমীমন্তোঃন্নয়ন ৪) জাতকৰ্ম ৫) নামাকৰণ ৬) অন্নপ্ৰাসণ ৭) চূড়াকৰণ ৮)উপনয়ন ৯) প্ৰাজাপত্য ১০) সোম্য ১১) আগ্নোয় ১২) বৈশ্বদেৱ ১৩) সমাবৰ্তন ১৪) বিবাহ ১৫) দেবযান ১৬) পিতৃযান ১৭) মনুষ্য যজ্ঞ ১৮) ভূত যজ্ঞ ১৯) ব্ৰহ্ম যজ্ঞ ২০) অন্নষ্টক ২১) পাৰ্ব্বণ ২২) স্থলীপক ২৩) অগ্ৰহয়নী ২৪) শ্ৰবণী ২৫ চৈত্ৰী ২৬) অশ্বযুজি ২৭) অগ্নিআধান ২৮) অগ্নিহোত্ৰ ২৯) দশপূৰ্ণ মাস ৩০) অগ্ৰধান ৩১) চতুমস্য ৩২) নিৰোধ গুপ্তবন্ধ ৩৩) শান্তৰমনী ৩৪) অগ্নিষ্টোম ৩৫) অত্যাগ্নিষ্টোম ৩৬) উক্তা ৩৭) শোদসী ৩৮) বাজপেয় ৩৯) অতিৰাত্ৰ ৪০) আপ্তোয়ম।

অৱশ্যে মানুহৰ মৃত্যুৰ অন্ত্যেষ্টি ক্ৰিয়াক বেদত জীৱনান্ত সংস্কাৰ বুলি কৈছে। যিয়েই নহওঁক ব্ৰাহ্মণৰ ঘৰত জন্ম ললেও উক্ত সংস্কাৰবোৰ যথা শক্তি সমাপন কৰাকে বিভিন্ন গৃহ্য সূত্ৰ আৰু স্মৃতি শাস্ত্ৰত পালিত সংস্কাৰ বুলি উল্লেখ কৰিছে। আমাৰ এই সনাতন ধৰ্মত উক্ত সংস্কাৰবোৰত গুৰুত্ব অধিক। সেয়েহে শাস্ত্ৰত উল্লেখ আছে—

'ন বেদং বেদিমত্যাহু বেদো ব্ৰহ্ম সনাতনঃ।' আমাৰ এই ব্ৰাহ্মণ্য ধৰ্মৰ অন্য এটা নাম হৈছে বেদযুক্ত সংস্কৃতি। সেয়েহে কোৱা হয়— 'বেদ প্ৰণিহিতো ধৰ্মঃ অধৰ্মস্তুৎ পিবৰ্যয়ঃ' অৰ্থাৎ বেদে যি বিধান কৰে সেয়ে সনাতন ধৰ্মৰ মূল যাক নিদেষিছে সিয়েই অধৰ্ম। ব্ৰহ্ম বৈবৰ্ত পুৰাণত সনাতন ধৰ্মীয় লোকসকলে বিশেষকৈ ব্ৰাহ্মণসকলৰ যে সংস্কাৰ কৰ্মবোৰ অতি জৰুৰী নহ'লে যে বংশৰ খ্যাতি নষ্ট হয় তাক এনেদৰে ব্যক্ত কৰিছে যথা—

জাত্যা কুলেণ বৃত্তেণ স্বাধ্যায়েণ শ্ৰুতেন চ।

এভিঃ যুক্তো হি যস্তি সন্নিত্যং স দ্বিজ উচ্যতে।।

আৰু সেই পুৰাণতে কৈছে—

কৰ্মণা ব্ৰাহ্মণো জাতঃ কৰোতি ব্ৰহ্মভাৱণা।

স্বধৰ্ম নিৰত শুদ্ধ তস্মাৎ ব্ৰাহ্মণ উচ্যতে।।

আকৌ কৈছে—

বিষুণ্ডমন্ত্ৰ বিহীনশ্চ ত্ৰি সন্ধ্যা ৰহিতো দ্বিজঃ।

একাদশী বিৰ্হীনশ্চ বিষহীন যথোৰোগঃ।।

আকৌ সত্যৰ্থ প্ৰকাশ গ্ৰন্থত মহৰ্ষি দয়ানন্দ সৰস্বতীয়ে সনাতন ধৰ্মত ব্ৰাহ্মণসকলক যে দেৱতা জ্ঞান কৰিব লাগে কাৰণ ব্ৰাহ্মণসকল সু-সংস্কাৰ লভি এই সংসাৰত জন্মে তাক তলত দিয়া ধৰণে ব্যক্ত কৰিছে—

দৈবাধীনাং জগৎসৰ্ব্বৎ মন্ত্ৰধীনাশ্চ দেৱতাঃ।

তে মন্ত্ৰাঃ ব্ৰাহ্মণাধীনাস্ত তস্মাৎ ব্ৰাহ্মাণঃ দেৱতম্।।

এই জগতখন পৰম ব্ৰহ্মাৰ অধীন আৰু সকলো দেৱতা পৰম ব্ৰহ্মাৰ পৰা মন্ত্ৰৰ অধীন এই মন্ত্ৰবোৰ আকৌ ব্ৰাহ্মণৰ অৰ্থাৎ সংস্কাৰযুক্ত ব্ৰাহ্মণৰ অধীন, সেয়েহে সু-সংস্কৃত ব্ৰাহ্মণ যাক আমাৰ বেদ বিহিত সনাতন ধৰ্মৰ মূল বাহক বুলি কয় যে সেই ব্ৰাহ্মণ সদায় দেৱতাসদৃশ। এই দেৱতা সদৃশ সু-সংস্কৃত ব্ৰাহ্মণক তিৰস্কাৰ কৰা বাবে উদ্দাশক ঋষিয়ে নিজপুত্ৰ শ্বেতকেতুক ত্যাগ কৰাৰ উদাহৰণ মহাভাৰতত আছে। ভীষ্মই ৰাজনীতি জ্ঞান দিয়াৰ সময় ব্ৰাহ্মণক কেনেদৰে শ্ৰদ্ধা-ভক্তি দান-দক্ষিণা কৰিব লাগে তাক ধৰ্মৰাজ যুধিষ্ঠিৰক এনদৰে কৈছিল—

ব্ৰাহ্মণ সবক সদায় সেবিবা চৰণ

দেৱতা ব্ৰাহ্মণ কৰিবাহা সন্মান।

ব্ৰাহ্মণ দেৱক যিটো পূজয় সদায়

তেবেসে ধৰ্মৰ জানা ঋণ সুজা যায়।

ব্ৰাহ্মণক জানা বাপু যুধিষ্ঠিৰ ভগৱানৰ ৰূপ।

এতেকেসে ব্ৰাহ্মণক পূজিবাহা সদায়। ইত্যাদি।

সু সংস্কৃত ব্ৰাহ্মণ যে সকলোৰে পূজ্য তাক আমি উপৰোক্ত শাস্ত্ৰোক্ত শ্লোকৰ পৰা সম্পূৰ্ণ অণুধাৱন কৰিব পাৰিছো। এতিয়া আহো সনাতন ধৰ্ম কি আৰু ইয়াত সংস্কাৰৰ গুৰুত্ব কিমান সেই কথালৈ। শাস্ত্ৰত সনাতন ধৰ্মৰ বিষয়ে আছে— 'সনাতনস্য ভগবতঃ যো ধৰ্ম এব সনাতনঃ।'

এই সনাতম ধৰ্মৰ ব্যাখ্যা উপনিষদত এনেদৰে কৰিছে— 'ণ বেদং বেদমিত্যাহু বেদো ব্ৰহ্ম সনাতনঃ'। ওপৰৰ সকলো কথা ভাব তন্ন তন্নকৈ অনুধাৱন কৰি এদিন বেদে নিজেই ঘোষণা কৰিছিল সনাতন ধৰ্মক লোকসকললৈ

'শৃন্বত্ত সৰ্ব্বে অমৃতস্য পুত্ৰাঃ

বেদাহমেতং পুৰুযো মহান্তম 'ইতি।

হে অমৃতৰ সন্তানসকল মই বেদবিহিত সংস্কাৰৰ কথা কৈছো তোমালোকে ভালকৈ শুনি কৰ্তব্যত প্ৰবৃত্ত হোৱা। এই বাক্য পৰম পুৰুষ ভগৱানে যি ঠাইত কৈছিল তাৰ বৃত্তান্ত শাস্ত্ৰত নিম্নধৰণে দিছে— উত্তৰে ভাৰতস্যামা হিমাদ্ৰিঃ দিব্য দৰ্শনঃ। দক্ষিণে পৰ্বতে *১১ পৃষ্ঠাত*

# নিৰাশ্ৰয়ৰ শুভচিন্তক
# শুচিব্ৰতা ৰায়চৌধুৰী

**বৰদা শইকীয়া**



“তুমি ডুবি আছা মানুহৰ শুভ
কামনাত
দেহৰ ভাজে ভাজে বৈ আছে
শুভ কামনাৰ কল্লোলিত নৈ,
হে কল্যাণী, জনগণ তোমাৰ প্ৰাণ
প্ৰাণ তোমাৰ জনগণ
তুমি কল্যাণকামী নাৰী
জীৱনৰ জগতৰ”
— (মীৰা ঠাকুৰ)

শুচিব্ৰতা ৰায়চৌধুৰী বাইদেউৰ প্ৰতি কবি মীৰা ঠাকুৰৰ এয়া এটি বাস্তৱ আৰু সত্য অনুভৱ। এয়া অতি সঁচা কথা যে জনগণৰ সেৱাৰ বাবে জীৱন উৎসৰ্গা কৰা, জ্ঞান আৰু কৰ্মৰে মহীয়ান হোৱা চাৰিকুৰি বছৰৰ ওচৰ চপা মহীয়সী মহিলা ৰায়চৌধুৰী বাইদেৱে মৃত্যুৰ কিছুদিন আগলৈ অতি ব্যস্ততাৰে জীৱন অতিবাহিত কৰিলে। Simple living and high thinking মনোভাব লৈ জনগণৰ কল্যাণৰ হকে মহানগৰীৰ অলিয়ে-গলিয়ে, ফুটপাথেৰে কান্ধত বেগটো লৈ দ্ৰুতগতিত গৈ থকা মানুহগৰাকী এটা সংগ্ৰামী সত্তা। আজীৱন সমাজসেৱী, গান্ধীবাদী, সাহিত্যসেৱী, দীন-দুঃখিতজনৰ সুহৃদ বন্ধু শুচিব্ৰতা বাইদেউৰ অনাড়ম্বৰ জীৱন যাত্ৰা আৰু দুখীয়া-নিছলাক সেৱা কৰাৰ নিৰ্মল স্পৃহাৰ মনোভাব গঢ়ি উঠিছিল শৈশৱতে। অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ কন্যা শুচিব্ৰতাই পিতৃৰ বৰ্ণাঢ্য সান্নিধ্যত ৰোপণ কৰিছিল সেৱাৰ মনোভাৱ। উচ্চাকাংক্ষী মনৰ অধিকাৰী বাইদেৱে ঘৰখনৰ সমস্ত দায়িত্ব পালন কৰাৰ মাজতে এ পি এছ চিৰ প্ৰতিযোগিতামূলক পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰি অসমৰ প্ৰথমগৰাকী মহিলা প্ৰশাসনিক বিষয়া ৰূপে সন্মান অৰ্জন কৰিছে। যাঠিৰ দশকতে অসমৰ প্ৰথমগৰাকী মহিলা দণ্ডাধীশ হিচাপে অসমৰ মহিলাসকলক আদৰ্শ আৰু অনুপ্ৰেৰণাৰে উদ্বুদ্ধ কৰা

শুচিব্ৰতা ৰায়চৌধুৰীৰ বৰ্ণাঢ্য কৰ্মজীৱন আৰু সামাজিক কামৰ তৎপৰতা একমুখে স্বীকাৰ কৰিবই লাগিব। অদম্য কৰ্মশক্তিৰ অতুলনীয় আদৰ্শৰে অসমৰ বিভিন্ন জিলাত দণ্ডাধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰা ৰায়চৌধুৰী বাইদেউ আছিল দুৰ্নীতি, অবিচাৰ, শোষণ আদিৰ লগত আপোচ নকৰা মেৰুদণ্ড পোন ব্যক্তি। পিতৃৰ আদৰ্শৰে বিভূষিতা জীয়াৰী শুচিব্ৰতা বাইদেউ আছিল সমাজ, সাহিত্য-সংস্কৃতি আৰু জাতীয় চেতনাৰ প্ৰতি চিৰসচেতন। সামাজিক কৰ্মব্যস্ততাৰ মাজত তেখেতে সাহিত্য চৰ্চা নিৰৱচ্ছিন্নভাৱে অব্যাহত ৰাখিছিল। তেখেত আছিল একাধাৰে কবি, গীতিকাৰ, গল্পকাৰ, নাট্যকাৰ, নিবন্ধকাৰ, ঔপন্যাসিক, শিশু সাহিত্যিক তথা অনুবাদিকা। পিতৃ সিংহপুৰুষ অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱনক লৈ লিখা জীৱনভিত্তিক উপন্যাস ‘জীৱন প্ৰেমৰ অতন্দ্ৰ অনল’ তেখেতৰ শ্ৰেষ্ঠ সৃষ্টিকৰ্ম। ‘বৈষ্ণৱ ধৰ্মৰ আঁতিগুৰি আৰু বিকাশ’ নামৰ গ্ৰন্থৰ বাবে তেখেতে সাহিত্য অকাডেমী বঁটাও লাভ কৰে।


অসম লেখিকা সংস্থাই তেখেতলৈ ‘প্ৰবীণা শইকীয়া’ বঁটাও প্ৰদান কৰে। অসম লেখিকা সংস্থাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী শুচিব্ৰতা ৰায়চৌধুৰীয়ে মহিলাসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ উদ্দেশ্যে মহিলাসকলক ৰান্ধনীঘৰৰ পৰা বাহিৰৰ পৃথিৱীলৈ উলিয়াই আনিছে। মহিলাৰ কল্যাণৰ বাবে তেখেতে সদায় শুভ চিন্তা কৰে। সকলোৰে লগতে মিলা-মিছা কৰা বাইদেউক লেখিকা সংস্থাৰ বহু অনুষ্ঠানত লগ পাইছো। একেলগে বাছত গৈছো, খাইছো, শুইছো, নাই কোনো ভেদ ভাব। জিৰণিবিহীনভাৱে সমাজৰ মংগলৰ বাবে চিন্তা কৰা বাইদেৱে সমাজৰ দুৰ্বল-নিঃসহায় লোকৰ বাবে ‘আশ্ৰয় গৃহ’ নিৰ্মাণ কৰিছে। ‘ৱৰ্কিং উইমেনছ হোষ্টেল’, ‘আশ্বাস’, ‘নৱজীৱন’ তেখেতৰ কৰ্ম প্ৰচেষ্টাৰ ফল। নিৰক্ষৰ, নিৰাশ্ৰয়া মহিলাৰ বাবে ‘নিৰ্মলাশ্ৰয়’ খুলি সংস্থাপনৰ ব্যৱস্থা কৰিছে। তেখেতৰ জীৱনৰ আটাইতকৈ মহৎ উপকাৰ হ’ল বৃদ্ধসকলৰ বাবে স্থাপন কৰা বৃদ্ধাৱাস ‘আমাৰ ঘৰ’। যাৰ ছাঁত আজি আশ্ৰয় লৈছে বাৰ্ধক্যৰ দিনবোৰ যত্ন আৰু নিৰাপত্তাৰ মাজত কটোৱাৰ আশাৰে, ভয়, ভাবনা, নিঃসংগতা দূৰ কৰি আশ্ৰয়হীন হোৱা পৰিয়াল-পৰিজনৰ পৰা উপেক্ষিত হোৱা বহুকেইজন বৃদ্ধ-বৃদ্ধাই। ‘আমাৰ ঘৰ’ত থাকি পৰস্পৰৰ সুখ-দুখৰ, হাঁহি-কান্দোনৰ সমভাগী হৈ এটা পৰিয়ালৰ দৰে জীৱন কটাইছে। সমাজদৰদী ৰায়চৌধুৰী বাইদেউৰ শূন্যতাত তেখেতসকল ব্যথিত হৈছে, শোকত ভাগি পৰিছে। নেত্ৰদান আৰু দেহদানেৰে সমাজৰ কল্যাণৰ হকে, মানৱৰ কল্যাণৰ হকে কাম কৰি যোৱা বাইদেউ আমাৰ মাজত অমৰ হৈ থাকিব চিৰদিন। উদ্যমী, সংগ্ৰামী, বহুমুখী প্ৰতিভাসম্পন্ন প্ৰয়াত শুচিব্ৰতা ৰায়চৌধুৰী বাইদেউ উত্তৰপুৰুষৰ বাবে হওঁক প্ৰেৰণাৰ উৎস। ❑



**আজীৱন সমাজসেৱী, গান্ধীবাদী, সাহিত্যসেৱী, দীন-দুঃখিতজনৰ সুহৃদ বন্ধু শুচিব্ৰতা বাইদেউৰ অনাড়ম্বৰ জীৱন যাত্ৰা আৰু দুখীয়া-নিছলাক সেৱা কৰাৰ নিৰ্মল স্পৃহাৰ মনোভাব গঢ়ি উঠিছিল শৈশৱতে। অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ কন্যা শুচিব্ৰতাই পিতৃৰ বৰ্ণাঢ্য সান্নিধ্যত ৰোপণ কৰিছিল সেৱাৰ মনোভাৱ। উচ্চাকাংক্ষী মনৰ অধিকাৰী বাইদেৱে ঘৰখনৰ সমস্ত দায়িত্ব পালন কৰাৰ মাজতে এ পি এছ চিৰ প্ৰতিযোগিতামূলক পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰি অসমৰ প্ৰথমগৰাকী মহিলা প্ৰশাসনিক বিষয়া ৰূপে সন্মান অৰ্জন কৰিছে।**



# ৰংমন



‘নফৰৎ কি দুনীয়া ছোৰ ছোৰ কে প্যাৰ কি দুনীয়া মে, খুচ ৰহনা মেৰা য়াৰ’— হাথী মেৰা চাথীৰ সেই বিখ্যাত গানটো দূৰৈৰ পৰা ভাঁহি আহিল। কেৱল পানী আৰু পানী। যেন এখন অথৈ সমুদ্ৰ। সমুদ্ৰৰ মাজৰ পৰাই যেন মহম্মদ ৰফীৰ হৃদয় চুই যোৱা গানটো ভাঁহি আহিছে।

আচলতে বিশাল পানীৰ মাজত এখন সৰু টুলুঙা নাও। সেই টুলুঙা নাওখনতে বহি ৰংমনে জাল বাই আছে। সিয়েই গাইছে সেই গানটো।

প্ৰতিদিনে ৰংমন জাল বাবলৈ যায় অন্য জালোৱাবিলাকৰ দৰে। নাৱত বহি সি গীত জুৰে। পুৰণি হিন্দী চিনেমাৰ গানবোৰ অবিকল গাই যায়। বিশেষকৈ মহম্মদ ৰফীৰ তাৰ আইডল চিংগাৰ, আৰু কণ্ঠ কি সুমধুৰ। হুবহু মহম্মদ ৰফীৰহে যেন কণ্ঠ। বিনা মিউজিকত। আজিকালিৰ দৰে ৰেকডিং কৰিলোতো কথাই নাই। ঈশ্বৰ প্ৰদত্ত এক অনন্য কণ্ঠ।

গান পগলা ৰংমনে গানশুনে তাতেই এবাৰ বৈ যায়। কিন্তু দুৰ্ভাগ্য, তাৰ জীৱন সংগ্ৰামখন সদায় পানীৰ মাজত। ভেবেলা, আকাশৰ দৰে উদাৰ অন্তৰৰ ৰংমনটোৰ মৰমৰ ঘৈণীয়েকজনীৰ কিছু বছৰ আগতে জ্বৰত মৃত্যু হৈছে। এমাডিমা ল’ৰা-ছোৱালী এহাল। কাষৰে দশৰথৰ ঘৰত থৈ সি বিললৈ যায়। দশৰথৰ একে বয়সৰ ল’ৰা-ছোৱালীকেইটাৰ লগত খেলি থাকে। তৰকাৰী-পাচলি, চাউল দি থৈ আহে। সিহঁতৰ ঘৰতে সিহঁত দুটাকো দুপৰীয়াৰ সাজ খুৱায়। কেতিয়াবা তাৰ শহুৰেকৰ ফালৰ পৰাও কোনোবা দুই-এটা আহি ল’ৰা-ছোৱালীহালৰ তদাৰক কৰে। গাঁৱৰ মানুহে তাকপুনৰ বিয়া পতাৰ কথা কয়, কিন্তু তাৰ ইচ্ছা নাই।

আজিকালিৰ দৰে টি.ভি. চেনেলবোৰ থকা হ’লে আৰু সি সকলোফালৰ পৰা সুবিধা পোৱা হ’লে আজি কিজানি বলিউডত সি ভাল চিংগাৰ হৈ চাউল খাব পাৰিলে হয়, আৰু তাতোকৈ ডাঙৰ কথা তাৰ জীৱনৰ এমবিশ্যনটো পুৰা হ’লহেঁতেন। কিন্তু তাৰ কপালত সেয়া নাই। তথাপি সি ৰেডিঅ’টোকে বুকুত সাৱটি য’তে যেনেকৈ পাই গাই ফুৰে। জাল বাই থাকোতেই সি ৰেডিঅ’ শুনি থাকে। পুৰণি হিন্দী চিনেমাৰ চুপাৰহিট গানসমূহ তাৰ জিভাৰ আগত। আজিৰ দৰে মিডিয়াবোৰ থকা হ’লেতো কথাই নাছিল।

ঃ ঐ ৰংমন, মাছ পালিনে নাই?

ঃ পালো দে চাইটটা মান।

ঃ কিমান মান পাবি?

-দশৰথে সুধিলে।

ঃ নাই, বজাৰত নিবলৈ নহ’ব। ঘৰতে খাম দে।

ঃ তই গানতে পাগল, ক’ত মাছ ধৰিব পাৰিবি?

ঃ এৰা অ’ দশৰথ। মই গান বৰ ভাল পাওঁ অ’।

ভাত-পানী বাদ দিব পাৰিলেও মই গান পাদ দিব নোৱাৰো।

ঃ ইমান ডাঙৰ গায়ক হোৱাৰ ইচ্ছায়েই যদি তই ইয়াত মাছ ধৰি আছ কিয়?

ঃ কি কৰিবি? মোৰ কপালত এয়াই লিখা আছে।

ঃ হ’ব দে, হ’ব দে। তই দুখ নকৰিবি। ডাঙৰ গায়ক হ’ব নোৱাৰিলেও অন্ততঃ আমিটো তোৰ গান শুনিব পাই আছো।

‘সঁচাকৈয়ে, ৰংমন এজন ডাঙৰ গায়ক হ’ব পাৰিলেহেঁতেন, কিন্তু কি কৰিব বেচেৰাই।’ দশৰথে এটা দীঘল হুমুনিয়াহ কাঢ়িলে।

আজিকালি সি খুব আন্ধাৰতে বিললৈ যায়। ল’ৰা-ছোৱালীহালে নতুন শ্ৰেণী পাইছে। নতুন কিতাপ কিনি দিব লাগে। মাষ্টৰে সোনকালে কিনি লৈ যাব দিছে। নহ’লে পঢ়াবোৰ আগবাঢ়িব বোলে। গাঁওখনৰ কাৰ ঘৰত পাছ কৰি যোৱা ল’ৰা-ছোৱালী আছে সি ঘৰে ঘৰে খবৰ কৰি ফুৰিলে। এবছৰ পঢ়ি যোৱা আধা পুৰণি কিতাপবোৰ অন্ততঃ আধা দামতে কিনিব পাৰিব। দুখনমান গোটও খালে; কিন্তু বাকীবোৰ কিনিবই লাগিব।

**ইৰাৱতী দাস মালী**

আজি মাছ বেচি যি পইচা পায় তাৰে সি কিতাপ কেইখন কিনিবই লাগিব। আজি সি ৰেডিঅ’টো অনা নাই। গান শুনি থাকিলে মাছ নাপাব।

বহু আশা বুকুত বান্ধি সি বিলত জাল পেলালে। দশৰথে কোৱা কথা এটা তাৰ মনত পৰিল—

ঃ ঐ ৰংমন, তইচোন এটা কাম কৰিব পাৰ। তই ইমান ধুনীয়াকৈ গান গাব জান, টাউনৰ বিয়াবোৰতচোন ৰাতি বৈঠক পাতে, তাতে গান গাব পাৰ চোন। দুই-পইচাও পাবি।

ঃ এৰা, কথাটোতো হয়েই। পিছে মোকনো মাতিব কোনে? কোনে চিনি পায় মোক।

ঘৈণীয়েক সৰলাৰ গাঁৱত এঘৰ ধনী মানুহ আছে। সিহঁতৰ একমাত্ৰ ল’ৰাটোৰ বিয়াত গানৰ বৈঠক পাতিছিল বিয়াৰ দিনা। কলপাতৰ চানিমাৰাৰ (ৰভাৰ) তলত বাঁহৰ খুঁটাৰ ওপৰত তক্তা দি সজা মঞ্চ। সেই বৈঠকত গান গাবলৈ টাউনৰ পৰা এটা পাৰ্টি আহিছিল। পাৰ্টিটোত তিনি-চাৰিজনমান গায়ক আছিল। বিয়াৰ তিনি-চাৰিদিন মান আগৰে পৰা সৰলাই তাত কাম-বন কৰি আছিল। পইচাও পায়, স্ফুৰ্তিও পায়। বিয়াৰ দিনা পুৰা ল’ৰা-ছোৱালীহাল লৈ ৰংমনো তাত উপস্থিত হৈছিলহি। মাটিমাহৰ দাইল আৰু হাঁহৰ মাংসৰে বিয়াত সি উদৰ পূৰাই এসাঁজ- খাইছিল। সেই কথা তাৰ ভালদৰে মনত আছে। বাঁহ-কাঠেৰে নিৰ্মিত মঞ্চত গানৰ মজলিছ আৰম্ভ হৈছিল। এজন এজনকৈ তিনিজন গায়কে গান গালে। তবলিছ দুজন। এজনৰ পাছত এজনে বজায়। হাৰমণিয়মৰ ৰিডত আঙুলিৰ কি অপূৰ্ব পৰশ। হাৰমণিয়মৰ স্কেলত নিখুঁতভাৱে সুৰ উপস্থাপন কৰিব পাৰে। বহুদেৰি ৰংমনে তধা লাগি সিহঁতৰ গান শুনি আছিল। এটা সময়ত তাৰ এনে লাগিল সিও যেন এটা গান গাব। আৰু ভাল হ’লে মানুহবোৰে হাত-চাপৰি বজাব। তাৰ পাছত আৰু এটা গাব, তাৰ পাছত আৰু এটা। হাৰমণিয়ম বজোৱা মানুহজনৰ পিছফালে সি বহি আছিল গান গোৱাৰ আশাত।

ঃ দাদা, অ’ দাদা। আপুনি ইমান ধুনীয়াকৈ হাৰমণিয়ম বজায়। আপুনি মহম্মদ ৰফীৰ গানবোৰত বজাব পাৰেনে?

ঃ কোনটো গান?

ঃ নফৰৎ কি দুনীয়া ছোৰ ছোৰ কে।

ঃ কিয় তুমি গাবা নেকি?

ঃ মোৰ বিৰাট ইচ্ছা।

ঃ ঠিক আছে। এটা গাই দিয়া।

ৰংমন দুচকুৰে আনন্দৰ লোতক বাগৰি আহিল। ভুল হ’ব বুলি মুখৰ ভিতৰতে এবাৰ মুখস্থ মাতিলে। তাৰ পাছত গালে। অবিকল মহম্মদ ৰফীৰ কণ্ঠ। তাতে লাউড স্পিকাৰত গান গাইছে। তাৰ নিজৰে ভাল লাগি গ’ল। ৰভাতলীৰ দৰ্শকৰ উপৰ্যুপৰি হাত চাপৰি। তাৰ পাছত এটাৰ পাছত এটা। অবিৰাম পাঁচ-ছয়টা গান গালে। হিন্দী চিনেমাৰ পুৰণি চুপাৰ হিট গান। গানত সন্তুষ্ট হৈ কেইবাজনেও পুৰস্কাৰ দিলে। প্ৰায় দুশ টকামান উঠিলেই। তেতিয়া দুশ টকা মানে বহুত টকা। ৰংমনে যেন সপোনহে দেখা পাইছিল। কিন্তু তাৰ দুদিনমান পাছৰ পৰা আকৌ তাৰ পূৰ্বৰ দৰে জীৱনযাত্ৰা আৰম্ভ হৈছিল। মাছ পালে চাউল পাত, নাপালে কঁকালত টঙালি।

সৰলাই দুখতে পৰা গালি কেইটাও তাৰ মনত পৰিল।

‘গান গাই বলিয়াৰ দৰে হোৱা মানুহে আন কি কৰ্ম কৰিব পাৰিব। জাল বাই মাছ কেইটাও ধৰিব নাজানে। আনবোৰে মাছ পায় আমাৰহে জালত কেঁচু-কুমটি। পইচা নাপালে ল’ৰা-ছোৱালীক খুৱাম কি? সিহঁতকো পঢ়ায় আৰু লাভ নাই। টাউনত কাৰোবাৰ ঘৰতে থ’ম; অন্ততঃ পেটৰ ভাতকেইটা মোকলাব পাৰিব।’


ৰংমনৰ হাত-দুখন কঁপি উঠিল। নাই নাই, সিহঁতক সি স্কুলত পঢ়াবই। সৰলা ঢুকাবৰ কেইবাবছৰো হ’ল। সি দুখ-কষ্ট কৰিয়েই সিহঁতহালক খুৱাই পিন্ধাই আছে। ব’হাগ বিহুলৈ আৰু মাত্ৰ এসপ্তাহ মাথোন বাকী আছে। সিহঁত দুটাক নতুন কাপোৰো এইবাৰ দিব লাগিব। যোৱা বছৰো দিয়া নহ’ল। গাঁৱৰে বীৰেন মাষ্টৰৰ ল’ৰা-ছোৱালী হালৰ পুৰণা কাপোৰকেই সিহঁত হালক পিন্ধাইছে।

সি একান্তমতে জাল টানিবলৈ ধৰিলে। আজি সি জালত বহুত মাছ দেখিলে। ৰংমনৰ মনত মহা ৰঙ। কেইটামান টকা আজি বেছিকৈ পাব। ইতিমধ্যে আকাশখন লাহে লাহে ক’লা ডাৱৰে ঢাকি ধৰিলে। বিলৰ জালোৱৈবোৰে পাৰত নাও চলালে। দশৰথে চিঞৰিলে?

ৰংমন ঐ-নাও চপা। ধুমুহা আহিব।

ৰংমনে যেন একো নুশুনিলে। মাছবোৰলৈ চাই চাই সি আশাৰ সাগৰত উটি ভাহি গ’ল।

দশৰথে দূৰৰ পৰা ৰিঙিয়ালে। ইতিমধ্যে ক’লা আকাশৰ তলত ৰংমনৰ নাওখনো নেদেখা হৈ গ’ল। সন্ধিয়াৰ আন্ধাৰত ঢৌ-ধুমুহাই সমগ্ৰ বিলখন ঢাকি ধৰিলে। ক’লা আন্ধাৰত ডুবিব ধৰা নাওখনো আনকি দশৰথে দেখা নাপালে। দশৰথ ঘূৰি আহিল। সি দেখিলে ৰংমনৰ ল’ৰা-ছোৱালীহালে ৰেডিঅ’টো হাতত লৈ নঙলামুখত ৰংমনলৈ বাট চাই আছে।



## চতুৰ্থ পৃষ্ঠাৰ পৰা

# লোকসংস্কৃতি



বুজাই ছিল। থমাচৰ মতেও কোকলোৰে মৌখিক সাহিত্যৰ উপৰিও বংশ পৰম্পৰাৰে চলি অহা লোকশিল্প আদিকো সামৰি লৈছিল। এই শব্দ প্ৰয়োগ সম্পৰ্কে নানা বিতৰ্কৰ সৃষ্টিও হৈছিল। ১৮০৮ খৃঃ লণ্ডন চহৰত Folkore Society প্ৰতিষ্ঠা হয় আৰু ইয়াৰ লগে লগে Folklore প্ৰত্ৰিকাখনো প্ৰকাশ পায়। 'ফোকলোৰ চছাইটি' প্ৰতিষ্ঠাৰ লগে লগে Folklore শব্দটো আন্তৰ্জাতিক পৰ্যায়ত প্ৰচলন হবলৈ ধৰে।

১৮৮৮ চনত আমেৰিকাত Folklore Society প্ৰতিষ্ঠা হয়। ইয়াৰ লগে লগে ইংৰাজী ফোকলাৰ শব্দটোৰ বহল প্ৰচলন হবলৈ ধৰে তাৰ পাছত জাৰ্মান ভাষাত Die-Folklore স্পেনিছ ভাষাত le-Folklore আদি শব্দৰ প্ৰচলন হয়।

ভাৰতত লোকসংস্কৃতি চৰ্চাৰ পাতনি মেলে বৃটিছ বিষয়াসকলে। অৱশ্যে এই বিষয়াসকল লোকসংস্কৃতি অনুসন্ধানৰ বাবে অথবা গৱেষণাৰ বাবে নিয়োজিত হোৱা নাছিল। ভাৰতীয় পণ্ডিত গৱেষকসকলে লোকসংস্কৃতি চৰ্চাৰ দিশত মনোনিৱেশ কৰাৰ লগে লগে Folklore শব্দৰ প্ৰতিশব্দ নিৰ্মাণত গুৰুত্ব দিয়া হয়। তাৰেই ফলশ্ৰুতি হিচাপে ইংৰাজী Folkore শব্দটোৰ অৰ্থজ্ঞাপক লোকসাহিত্য, লোকবিজ্ঞান, লোকশ্ৰুতি, লোকবাৰ্তা, লোকবিদ্যা, লোকচৰ্যা, লোক-বৃত্ত, জনসাহিত্য, লোকসংস্কৃতি আদি বৃহৎ সৃষ্টি হয়। তুলনামূলকভাৱে লোকসাহিত্য লোকমান, লোকবিদ্যা, লোকসংস্কৃতি আদি শব্দৰ সৃষ্টি হয়। তুলনামূলকভাৱে লোকসাহিত্য লোকমান, লোকবিদ্যা, লোকসংস্কৃতি আদি শব্দ কেইটাৰ অধিক সমাদৰ হোৱা দেখা যায়। লোকসাহিত্যৰ আৰ্হিতেই ভাৰতৰ বিভিন্ন ভাষাৰ গ্ৰাম্য-সাহিত্য, জনসাহিত্য, শব্দবোৰৰ সৃষ্টি হৈছে। ডঃ সুনীতিকুমাৰ চেটাৰ্জীয়ে 'ফোকলোৰ' শব্দটোৰ অৰ্থ বুজাবলৈ লোকমান শব্দটোৰ ব্যৱহাৰ কৰিছিল। বমাপ্ৰসাদ চন্দই ফোকলোৰ শব্দৰ প্ৰতিশব্দ কৰিছিল লোকবিদ্যা। প্ৰায় ক্ৰমে উল্লেখ কৰিব পাৰি যে ডঃ মহম্মদ শহীদুল্লাই ফোকলোৰ শব্দৰ প্ৰতিশব্দ প্ৰথমতে লোকবিজ্ঞান কৰিছিল যদিও পাছলৈ তেওঁ শব্দটোক লোককৃষ্টি হিচাপেহে ব্যৱহাৰ কৰিছিল। 'লোকসংস্কৃতি' শব্দটোৰ বিশিষ্ট অধিকাৰী সম্ভৱত ঃ ডঃ কৃষ্ণদেৱ উপাধ্যায়ে। ১৯৬০ চনত ছয়টা খণ্ডত প্ৰকাশ পোৱা হিন্দী সাহিত্যিকা বৃহৎ ইতিহাস নামৰ গ্ৰন্থত ডঃ উপাধ্যায়ে শব্দটো ব্যৱহাৰ কৰে। অসমীয়া ভাষাতো ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই ১৯৬১ চনত অসমৰ লোকসংস্কৃতি নামৰ গ্ৰন্থখনেৰে লোকসংস্কৃতি শব্দৰ প্ৰয়োগৰ শুভাৰম্ভ কৰে। অসমৰ লোকসংস্কৃতি জগতত লোকসংস্কৃতি চৰ্চাৰ পিতৃপুৰুষ স্বৰূপ ডঃ প্ৰফুল্ল দত্ত গোস্বামীয়ে, ফোকলোৰ বুজাবলৈ জনকৃষ্টি শব্দটোৰ ব্যৱহাৰ কৰিছে।

লোকসংস্কৃতি শব্দৰ ব্যৱহাৰিক লৈ লোক-সংস্কৃতিবিদসকলৰ মাজত বৰ্তমানেও মতদ্বৈত দেখা যায়। বিভিন্নজনে এই শব্দৰ অৰ্থ বিভিন্ন প্ৰকাৰে প্ৰয়োগ কৰিছে। মাৰিচলীচৰ সমাদৃত গ্ৰন্থ Standard Dictionary of Folkore, Mythologly and Legend ত ফোকলোৰ শব্দৰ অৰ্থপ্ৰকাশক এশৈকটা সংজ্ঞা দিয়া আছে। এইবোৰৰ সৰহখিনিয়েই বিৱৰণমূলক। বিশিষ্ট লোকসংস্কৃতিবিদ উইলিয়াম বেচকমৰ মতে নৃত্য-ত্বিক দৃষ্টিকোণৰ পৰা লোকসংস্কৃতিত পুৰাবৃত্ত, কিংবদন্তি সাধু, প্ৰবচন, সাৰ্থৰ গীতমাত আদি মুখে মুখে চলি অহা কলাসুলভ ৰূপবোৰ অন্তৰ্ভুক্ত কৰিব পাৰি। ইয়াক বাচিক কলা বুলি ক'ব পাৰি। মেলভাইন হাৰস্পোফিটচৰ মতে লোক সংস্কৃতিয়ে অধিকৰ পৰা অধিকভাৱে কোনো এটা গোষ্ঠীৰ বিধিত ৰূপ পোৱা অথবা তেনেদৰে থকা মৌখিক সাহিত্যৰ অধ্যয়নক বুজোৱা হয় বুলি মত প্ৰকাশ কৰিছে। চাৰ্লচ ফ্ৰেন্সিচ পটাৰে লোকসংস্কৃতিক Lively fossil which refuses to die বুলি আখ্যা দিছে। মেৰিয়ান স্মিথওে লোকসংস্কৃতি বাচিক উপাদানৰ বিভিন্ন ৰূপৰ অধ্যয়ন বোলাটোক অধিক প্ৰকৃষ্ট বুলি ভাবে। লোকসংস্কৃতিৰ সংজ্ঞা নিৰূপণ ষ্টিথ থমচনেও দিছে।

অতীতত লোকসংস্কৃতি যদি কেৱল ৰুচিৰ কলা আছিল আজিৰ লোকসংস্কৃতিয়ে জনসাধাৰণ পৰম্পৰাগত লৌকিক আচাৰ-নীতি, শিক্ষাকলা প্ৰভৃতি দিশকো সামৰি লৈছে।

লোকসংস্কৃতিৰ অৰ্থজ্ঞাপক সংজ্ঞা দিয়াসকলৰ ভিতৰত মেৰু এডৱাৰ্ড লীচ, ওৱাই এম চকোলভ, আৰ্চাৰ টেইলৰ, হেৰল্ড ৱানজেন আদিৰ নাম বিশেষভাৱে প্ৰণিধানযোগ্য। এডৱাৰ্ড লীচে লোকসংস্কৃতিক ৰীতি-নীতি, বিশ্বাস পৰম্পৰা সাধু, ঐন্দ্ৰজালিক ক্ৰিয়াকাণ্ড, প্ৰবাদ, গীত, ইত্যাদিৰ সমন্বয়েৰে একক সত্তা দান কৰা অনুভূতিৰ চহালোকৰ সঞ্চিত জ্ঞান বুজোৱা অৰ্থ প্ৰকাশক বিষয় বুলি অভিহিত কৰিছে।

চকোলভৰ মতে 'আক্ষৰিক অনুবাদ কৰিলে লোকসংস্কৃতিয়ে মানুহৰ প্ৰজ্ঞা, মানুহৰ জ্ঞান বুজায় বুলি কৈছে। তেওঁৰ মতে লোকসংস্কৃতি কিমানজনৰ সাধাৰণ মৌখিক কাব্যিক সৃষ্টি। লোকসংস্কৃতিৰ অতীতৰ এক প্ৰতিধ্বনি আৰু একেদৰে বৰ্তমানৰো তেজস্বীধ্বনি।

আচাৰ্য টেইলৰে লোকসংস্কৃতিৰ সংজ্ঞাত কৈছে— লোকসংস্কৃতি মৌখিক অথবা ৰীতি-নীতি চৰ্চাৰ মাধ্যমেদি পৰম্পৰাগতভাৱে উপলব্ধি হোৱা সমল। তেওঁ আকৌ কৈছে— লোকসংস্কৃতিয়ে পুৰুষাণুক্ৰমে পৰম্পৰাগত ভাবে চলি অহা কোনো বিশেষ আৱিষ্কাৰক অথবা ৰচকৰ নাম নোহোৱা উপকক্ষন সমূহক সামৰি লয়।

হেৰল্ড ডানভেনৰ মতে ঃ কোনো জনগোষ্ঠীৰ লোকৰ মাজত মৌখিক অথবা ৰীতিগত নিদৰ্শন ৰূপে ভিন ভিন পাঠত পৰম্পৰাক্ৰমে চক্ৰমন কৰা সংস্কৃতিৰ উপকৰণসমূহকে লোকসংস্কৃতি আখ্যা দিব পাৰি।

ওপৰত উল্লেখ কৰা চাৰিগৰাকী লোকসংস্কৃতি বিদৰ সংজ্ঞাৰ ভিত্তিত লোকসংস্কৃতি বিষয়টো আলোচনা কৰিলে কেইটামান বৈশিষ্ট্য ওলাই পৰে। বৈশিষ্ট্যকেইটা হ'ল পৰম্পৰা, মৌখিকতা, প্ৰবাহমানতা, পাঠান্তৰ আৰু গোষ্ঠীচেতনা, অৰ্থাৎ লোকসংস্কৃতি পৰম্পৰা নিৰ্ভৰ এই পৰম্পৰা মৌখিক অথবা ৰীতিগত। প্ৰবাহমানতা লোকসংস্কৃতিৰ অন্যতম বৈশিষ্ট্য। লোকসংস্কৃতিৰ মাজত গোষ্ঠীচেতনাও অপৰিহাৰ্য। এইবোৰৰ উপৰিও লোকসংস্কৃতি অজ্ঞাতশীলতা সূত্ৰকত পুনৰক্তিমূলকতা প্ৰকৃতি আন কিছুমান অনুষংগিক চৰিত্ৰও আছে।

লোকসংস্কৃতিৰ ঐতিহ্যগত সৃষ্টি দুই ধৰণে বিশ্লেষণ কৰিব পাৰি। ১) লোকসংস্কৃতিৰ উপস্থানবোৰ মূলত ঃ একনিৰ্দিষ্ট ৰূপ আৰু ৰীতিৰ মাধ্যমত পুনৰাবৃত্তি হয়। ২) এইবোৰ একে জনগোষ্ঠীৰ মাজত প্ৰচাৰিত হয়। মৌখিকতা লোকসংস্কৃতিৰ অন্যতম বৈশিষ্ট্য। ইয়াৰ উপাদনবোৰ মূলতঃ মেখিক। পৰুষাণুক্ৰমে এইবোৰ প্ৰচলিত হৈ আহে। কিন্তু মৌখিকভাৱে প্ৰচলিত হৈ অহা সকলোবোৰ উপাদানকে লোকসংস্কৃতি আখ্যা দিব নোৱাৰি। আনহাতে মৌখিক ৰূপত নোহোৱাকৈ কিছুমান বস্তু লোকসংস্কৃতিৰ উল্লেখযোগ্য উপকৰণ বুলি চিহ্নিত হ'ব পাৰে। সময়ৰ লগে লগে সমাজত চলি অহা পদ্ধতিসমূহ আৰু ইয়াৰ পৰিধি সলনি হৈছে আৰু ইয়াৰ ফলত মৌখিক চৰিত্ৰ সম্বন্ধীয় চিন্তা-চৰ্চাৰো পৰিৱৰ্তন ঘটিছে। এলান ডাণ্ডেচৰ মতে অটগ্ৰাফ বহীৰ কবিতা এপিটাক প্ৰভৃতি এনে বহু লোকসংস্কৃতিৰ উপাদান আছে যিবোৰ লোকসংস্কৃতিৰ যৌগিকতাৰ বিপৰীতে লিখিত ৰূপত প্ৰবাহিত হৈ আহিছে। অসমৰ বিহুহীত, জিকিৰ প্ৰভৃতিৰ লগতে বিভিন্ন লোকগীত, সাধু, বেলাড, প্ৰবাদ সাঁথৰ, আদি এটা সময়ত লিখিত ৰূপ পায়ো লোকসংস্কৃতিক উপাদান হিচাপে চিহ্নিত হৈ আছে। আণ্ডেচৰ মতে যিহেতু লোকসংস্কৃতিৰ বাহিৰেও অইন বস্তু কিছুমানো মৌখিকভাৱেই প্ৰবাহিত হৈ আহিব পাৰে, কেৱল মৌখিক প্ৰবহমানতাৰ লোকসংস্কৃতিক অইন সংস্কৃতিৰ পৰা পৃথক কৰি দেখুৱাবলৈ বিচাৰৰ মাপকাঠি হ'ব নোৱাৰে।

প্ৰবহমানতা লোকসংস্কৃতিৰ অন্যতম বৈশিষ্ট্য। এই প্ৰবহমানতা একে জনগোষ্ঠীৰ মাজতো পুৰুষাণুক্ৰমে পৰম্পৰাৰ হ'ব পাৰে অথবা এক ভূখণ্ডৰ পৰা অইন এক ভূখণ্ডলৈ পৰিভ্ৰমণ হবও পাৰে। লোকসংস্কৃতি উপকৰণৰ ক্ষেত্ৰত বিশেষকৈ বিভিন্ন সাধুকথালৈ আঙুলিয়াব পাৰি। একেটা সাধুকথাকে পৃথিৱীৰ বিভিন্ন স্থানত পোৱা যায়। বিহুৰ ভিত্তিত লোকসংস্কৃতি চৰ্চাত ঐতিহাসিক ভৌগোলিক পদ্ধতি নামৰ এটি অন্যতম পদ্ধতিৰ প্ৰচলন হৈছে। পৰম্পৰা মৌখিক আৰু প্ৰবহমানতাই লোকসংস্কৃতিৰ আন এটি উল্লেখযোগ্য চৰিত্ৰ পাঠান্তৰৰ সৃষ্টি কৰিছে। পৰম্পৰাগতভাৱে উপলব্ধি হোৱা মৌখিক অথবা অনুভূতিমূলক প্ৰবহমানতা আৰু ভৌগোলিক পৰিভ্ৰমণে লোকসংস্কৃতি উপকৰণ বিভিন্ন পাঠ বা ৰূপ দান কৰিছে।

নৈব্যক্তিকতা অথবা গোষ্ঠীচেতনা লোক-সাংস্কৃতিক সবাতোকৈ প্ৰয়োজনীয়ত চৰিত্ৰ। ব্যক্তি চেতনা পাই গৈছে। চেতনা লাভ নকৰিলে কোনো বস্তুৱে লোকসংস্কৃতি উপাদান বুলি দাবী কৰিব নোৱাৰে। কোনো ব্যক্তিৰ ৰচনা হ'লেও লোকসংস্কৃতিৰ লাভ কৰাৰ লগে লগে উপাদান সমূহৰ ব্যক্তি চৰিত্ৰ নাইকিয়া হৈ পৰে। উদাহৰণস্বৰূপে অসমীয়া জিকিৰ প্ৰভৃতি বিভিন্ন লোকগীত, সাঁথৰ বেলাড লোককাব্য আদি ৰচকৰ নাম পোৱা যায় যদিও এইবোৰ ৰচনা কোনো ব্যক্তিৰ সৃষ্টি হৈয়ো গোটেই সমাজৰ বস্তু হৈ পৰিছে কাৰণেই লোকসংস্কৃতিৰ উপকৰণ বুলি চিহ্নিত হৈ আহিছে।

লোকসংস্কৃতিৰ পৰিৱৰ্তন আৰু সংযোজনো হয়। এটা সময়ত বিশেষজ্ঞসকলৰ মাজতো হেনো আছিল যে লোকসংস্কৃতি কেৱল দূৰ অতীতৰ বস্তু। সময়ৰ সোঁতত ইয়াৰ নতুনকৈ সৃষ্টি হ'ব নোৱাৰে। আজিৰ লোকসংস্কৃতিবিদৰ দৃষ্টিত লোকসংস্কৃতি ১২ পৃষ্ঠাত

## ধাৰাবাহিক উপন্যাস

# এজন সিদ্ধ পুৰুষৰ আগমনত

অলকানন্দা দত্ত

বীণা মেধিৰ পৰা হাজৰিকাই ৰাতি ৰাতি খুব একাগ্ৰতাৰে কেইবাদিনো গীতাৰ কথাবোৰ শুনাৰ পাছত মনটো বহুত শাঁত পৰাৰ দৰে লাগি গৈছিল। ইমানদিন তেওঁৰ মনত উদয় হোৱা প্ৰশ্নবোৰৰ উত্তৰ বৰ সুন্দৰাকৈ বীণাই দি যাব পাৰিছিল। গীতাৰ কথা কৈ থকাৰ সময়ত হাজৰিকাৰ এনে লাগিছিল তাই যেন সৰুকালৰ চিনাকি বন্ধুজনী নহয়, এগৰাকী গীতাৰ আচাৰ্য হে। ইমান সহজ-সৰলকৈ বুজাই কৈ দিব পাৰিছিল। বহুবোৰ কঠিন প্ৰশ্নৰ উত্তৰ তেওঁ পাই গৈছিল। হাজৰিকাৰ কিমান দিনৰ পৰা গীতাৰ কথা জানিবলৈ মনৰ মাজত প্ৰবল আগ্ৰহ জন্মিছিল, কিন্তু নিজৰ মাজত থকা ই'গটোৰ কাৰণে আন কোনো আচাৰ্যৰ পৰা জনাটো সম্ভৱ হ'ব পৰা নাছিল। বীণাই কথাবোৰ বৰ সুন্দৰকৈ তেওঁ বুজি পোৱাকৈ কৈ যাব পাৰিছিল। ইতিমধ্যে বীণাই গুৱাহাটীলৈ অহাৰ দিনটোও ঘোষণা কৰিছিল। নিয়মমতে তেওঁৰ খুব ভাল লাগিব লাগিছিল, কিন্তু তেওঁ যেন এতিয়া সুখতো ব্যাকুল হৈ পৰিব পৰা নাই। তেওঁ মনটো ধিৰ স্থিৰ হৈ পৰিছে, সুখটো যি দুখটো একেই অৱস্থা, তেওঁৰ মনলৈ বহু পৰিৱৰ্তন আহিছে, কাৰণ তেওঁ গীতাৰ মাজলৈ সোমাই যাব পাৰিছে। মাজত মাথোঁ তিনিটা বীণা মেধি আহিবলৈ বাকী আছে। ইয়াৰ মাজতে চিক্ৰেট লকাৰটোও পুতেকহঁতৰ সহযোগত বন্ধবাৰ এটাত বা দেওবাৰে মানে অৰ্থাৎ অহা কালিলৈ খোলাৰ কথা ঠিক কৰি থৈছিল। এইকেইদিনতে গীতাৰ কথাবোৰ জানি তেওঁৰ মনটো ইমানেই দাঠ হ'ল যে ভাগ্যত যি আছে দেখা যাব বুলি ভাবি নিশ্চিত হৈ থাকিব পাৰিছিল। কিমান দিননো পুতেকহঁতৰ আগত চিক্ৰেট লকাৰটোৰ কথা লুকুৱাই থব? এদিন নহয় এদিন পোহৰলৈ আনিবই লাগিব। এতেকে কৈ দিয়াটো ভাল হ'ব বুলি থিৰাং কৰিলে।

হাজৰিকাই ভালদৰে জানিব পাৰিলে, জীৱন পৰিক্ৰমাৰ শেষৰ দিনবিলাক তেওঁৰ বাবে সমাগত। এই দিনবিলাক তেওঁ জুখি মাখি বৰ সুন্দৰকৈ নিজস্ব ধ্যান-ধাৰণাৰ কৰ্মৰ মাজেৰে পাৰ কৰিব লাগিব। তাৰ কাৰণে তেওঁ অৱশ্যে নিজকে প্ৰস্তুত কৰিবও পাৰিছে। মৃত্যু কেনেকৈ আহি উপস্থিত হবহি তেওঁ নাজানে বা মৃত্যুৰ পাছত কি হ'ব সেইকথা ভাব থাকি একো লাভ নাই, তাৰ বাবে তেওঁৰ কোনো আক্ষেপো নাই। তেওঁ এতিয়া সম্পূৰ্ণকৈ ঈশ্বৰত শৰণাপন্ন হ'ব পাৰিছে। ঈশ্বৰতকৈ কোনো আপোন থাকিব নোৱাৰে, ঈশ্বৰক সাৰথি কৰিয়েই তেওঁ জীৱন-মৰণৰ মাজৰ বৈতৰণীখন পাৰ হৈ যোৱাৰ কথা ভাবিব পাৰিছে কাৰণেই মৃত্যুভয়ে তেওঁ কাহিল কৰিব পৰা নাই। আগতে তেওঁৰ মৃত্যুৰ কথা মনলৈ আহিলেই বুকু কঁপি যোৱাকৈ ভয় লাগিছিল আৰু বৰ বেজাৰো লাগিছিল, এতিয়া যে তেওঁ স্থিতপ্ৰজ্ঞ,



মৃত্যুৰ বাবে সাজু হ'বলৈও শিকিব পাৰিছে। গীতাৰ পৰা তেওঁ ভালদৰে উপলব্ধি কৰিব পাৰিছে মৃত্যু মানে একেবাৰে নিঃশেষ হৈ যোৱাটো নুবুজাই, মাথোঁ পৰিৱৰ্তন হোৱাহে বুজায়। যেনেকৈ নিজৰ সমস্ত জীৱনকাললৈ উভতি চালে দেখা যায়, তেওঁ কেনেকৈ পাৰ কৰি আহিলে কেচুৱা কাল, ল'ৰালি কাল, কৈশোৰ কাল, যৌৱন কাল, প্ৰাপ্তবয়স্ক কাল, আদহীয়া কাল আৰু সম্পূৰ্ণ পূৰ্ণপ্ৰাপ্তবয়স্ক কাল... ক'তা এইবোৰ এটা এটাকৈ পাৰ কৰি অহাৰ পাছতো এৰি অহা কাল বা সময়ৰ কাৰণে তেওঁ দুখ কৰা নাই, ধৰি লৈছে ই আৱশ্যম্ভাৱী। তেনেকৈ মৃত্যু অহাটোও আৱশ্যম্ভাৱী। মৃত্যুক স্বীকাৰ কৰি ল'ব লাগিব।

গীতাত বৰ ধুনীয়া এটা শ্লোক আছে, 'জাতস্য হি ধ্ৰুবং জন্ম মৃতস্যচ' অৰ্থাৎ জন্ম হোৱাজনৰ এদিন নহয় এদিন মৃত্যু নিশ্চিত, আকৌ মৃত্যু হোৱা জনৰো পুনৰ জন্ম নিশ্চিত। সাধাৰণতে এনে হোৱা দেখা যায় যদিও প্ৰকৃতি যোগী পুৰুষসকলৰ মৃত্যুৰ পাছত ব্ৰহ্মা লোকলৈ গ'লে আৰু ঘূৰি আহিব নালাগে। মৃত্যুয়ে অকল মানুহৰ ব্যক্তিগত সত্তাটোহে মানে তেজ মঙহৰ স্থুল শৰীৰটোহে অন্ত পেলায় ই সত্য, কিন্তু যিটো শৰীৰৰ মাজত থাকি শাৰীৰিক ক্ৰিয়াকলাপ সূক্ষ্ম অৱস্থাৰে চলোৱাত সহায় কৰে, তাকে সূক্ষ্ম শৰীৰ বুলি কোৱা হয়, ই মৃত্যুৰ পাছতো আত্মাৰ লগত মিলিত হৈ বাহিৰ শক্তিৰ লগত মুক্তভাৱে বিচৰণ কৰি ফুৰিব পাৰে। সেই সূক্ষ্ম শৰীৰেই মানুহ পৰলোকলৈ গমন কৰে। সেয়ে উপনিষদ আৰু গীতাৰ মতে মানুহৰ মৃত্যুৰ পাছতো ই বিনাশ হৈ নাযায় বুলি স্বীকাৰ কৰিছে। সেয়ে গীতাৰ মৃত্যুক পৰিৱৰ্তন বুলিহে ক'ব খোজে। মৃত্যুৰ পাছত কিছুদিনৰ মূৰত পৰলোকৰ পৰা নিজৰ নিজৰ কৃতকৰ্মৰ ফল অনুসৰি পুনৰ এই পৃথিৱীতে জন্ম লয়হি। এতিয়া এইবোৰ কথা হাজৰিকাৰ একেবাৰে অন্তৰৰ মাজত সোমাই গৈছে। তেওঁ মৃত্যুৰ পাছতো সূক্ষ্মশৰীৰেৰে হ'লেও জীৱিত অৱস্থাৰ দৰেই থাকি অশৰীৰৰ ৰূপত তেওঁৰ বাবে থকা নিৰ্দিষ্ট ঠাইত মানে পৰলোকত থাকিব পাৰিব, আৰু যেতিয়াই সময় হ'ব পুনৰ পৃথিৱীলৈ ঘূৰি আহিব পাৰিব, কিন্তু পুনৰ কোনে জীৱন-যাপন কৰিব পাৰিব তেওঁ অনুমান কৰিব পাৰিছে। জীৱনৰ সৰহখিনি সময় তেওঁ পুণ্য অৰ্জন কৰিব পৰা ভাল কৰ্ম কৰা নাছিল। এতেকে পৰৱৰ্তী জীৱন তেওঁৰ কেনে হ'ব তাক অনুমান কৰি ল'ব পাৰিছে যদিও বিশেষময়ো খোৱা নাই। ধৰি লৈছো যেইছা কৰণি সেইছা ভৰণি। তথাপিও নমৰালৈকে ভাল কৰ্ম কৰি কিছু হ'লেও উন্নত কৰিব বিচাৰে।

ইতিমধ্যে তেওঁ নিৰ্দিষ্ট কৰি থোৱা দেওবাৰৰ দিনটো আহিল। ৰাতিপুৱাৰ আহাৰ পৰ্ব শেষ হোৱাৰ পাছত, তেওঁ পুত্ৰ-বোৱাৰীহঁতক উদ্দেশ্য কৰি তেওঁৰ মনৰ কথা কৈ পেলালে। খাই উঠি সকলোৱে হাজৰিকাৰ পিছে পিছে পৰম কৌতুহল মনেৰে তেওঁৰ শোৱাকোঠা পালেহি। তেওঁ কথাৰ একো পাতনি নেমেলাকৈ পত্নীৰ আলমাৰী এটা খুলি নিৰ্দিষ্ট ঠাইত থোৱা এটা সৰু বাকচ খুলি তালে পৰাই দুটা দীঘল ছাবি উলিয়াই ডাঙৰ পুতেকৰ হাতত দিলে। তেওঁ ল'ৰালৰিকৈ কাপৰ্ৱৰ্ডৰ দৰ্জা এখন খুলি লোহাৰ চন্দুকটো দেখুৱাই ক'লে, 'ইয়াতে দুইকেজিমান সোণ আৰু যথেষ্টখিনি টকা আছে। মই তোমালোকৰ সহযোগত সেইবোৰৰ কিবা এটা ব্যৱস্থা কৰিব বিচাৰো। মানে সৎ কামত ব্যৱহাৰ কৰিব বিচাৰো। কিন্তু তোমালোকেও জানি থোৱা ভাল যে এইবোৰ অৱশ্যে ভাবে খোৱা, দেখাদেখিকৈ চৰকাৰৰ ঘৰত জমা দিবলৈ গ'লেও মই বৃদ্ধকালত জেললৈ যাব লাগিব, তাকে চাই তোমালোকে যি উচিত বুলি ভাবা মই তাকে কৰিবলৈ ৰাজী। মোৰ এতিয়া এনেবোৰ ধন সোণলৈ কোনো হেঁপাহ নাই, বৰঞ্চ এইবোৰ পাপৰ ধন বুলি মই নিজেও গণ্য কৰি তোমালোকৰ ওপৰত জাপি দি তোমালোককো পাপৰ অংশীদাৰ কৰিব বিচৰা নাই। মই মাথো তাৰ কিবা উচিত ব্যৱস্থা হোৱাটো বিচাৰিছো। কথা শুনি পুতেক বোৱাৰীয়েকহঁতৰ মুখবোৰ শুকাই যোৱাৰ উপক্ৰম হ'ল। এনে ধন সোণ টকাৰ প্ৰতি তেওঁলোকৰো অকণো হেঁপাহ নাই। মাকে তেওঁলোকক তেনেকৈ গঢ়ি তুলিছিল। হঠাতে গোটেই ঘৰখন কি পৰিস্থিতত পৰিব লাগিব তাৰ আশংকা সকলোৰে মনত সোমাই গৈছে। তথাপিও ডাঙৰ পুতেক ভায়েক দুটাৰ সহযোগত যথেষ্ট চেষ্টা কৰি লোহাৰ চন্দুকটো খুলিলে। সকলোৱে চকুকিটা নিবদ্ধ চন্দুকটোৰ ভিতৰত থকা ধন সোণখিনিৰ ওপৰত। কিন্তু আচৰিত কথা জাপ জাপ টকাবোৰ ধুনীয়াকৈ সজাই থোৱা আছে যদিও সোণৰ অকণো লেখেই নাই। এখনো সোণৰ বিস্কুট তাত নাই। অথচ দেউতাকে কোৱামতে দুই আঢ়ৈ কেজিমান সোণ, মানে বেগ এটাৰ মাজত সোণৰ বিস্কুট হিচাপে আছিল। আচৰিত কথা সোণখিনি নাই যি নায়েই। লিৰিকি বিদাৰি বেগটো চাওঁতে এখন দীঘল মাকৰ চিঠি ওলাই পৰিল। দেউতাকলৈ উদ্দেশ্য কৰি লিখি থৈছিল...

চিঠিখন পঢ়াৰ আগতেই হাজৰিকাৰ মুখলৈ যেন পানী আহিছিল.. মুঠতে সোণখিনি নাই বৰ আচৰিত কথা হ'লেও তেওঁৰ ওপৰত কৰা ভগৱানৰ কৃপা যেনেই লাগিবলৈ ধৰিলে, যেনেকৈয়ে নহওক সোণখিনি যে অন্তৰ্ধান হ'ল?

হাজৰিকাই নিৰিবিলি পৰত পত্নীৰ চিঠিখন পুনৰ বৰ মনোযোগেৰে পঢ়িবলৈ আৰম্ভ কৰিলে। এই দুৰদৰ্শী মানুহগৰাকীয়ে কেনেকৈয়ে স্বামীক এটা শুদ্ধ পথলৈ আনিবৰ বাবে তেওঁৰ কিমানবোৰ কাম নিজৰ একান্ত চেষ্টাৰে কৰি যাব পাৰিছিল। যাৰ বাবে এটা গধুৰ বোজা তেওঁৰ মূৰৰ ওপৰৰ পৰা আঁতৰি যোৱাৰ দৰে লাগিছে।

শ্ৰদ্ধেয়,

মই এটা বিশেষ কাৰণত এই চিঠিখন লিখিবলগীয়া হ'ল। প্ৰথমতেই আপোনাৰ ওচৰত মই পত্নী হিচাপে ক্ষমা বিচাৰিছো। মোৰ বিশ্বাস এটা নতুন সময়ৰ সন্ধিক্ষণৰ উপস্থিতিত আপুনি মোক ক্ষমা কৰি দিব পাৰিব। মোৰ সেই বিশ্বাস আপোনাৰ ওপৰত আছে। অমৰনাথৰ পৰা ঘূৰি অহাৰ পাছত মই জানি গৈছিলো, মোৰ আৰু এই পৃথিৱীত বেছি কাম নাই। সময় হ'লেই অজান দেশলৈ গুচি যাবগৈ লাগিব। মোৰ ষষ্ঠ ইন্দ্ৰিয়ই অহৰহ মোক সেই কথাকে যেন কৈ আছিল। মই এইখন সংসাৰৰ এৰিব নোৱাৰা মায়া মোহো আঁতৰাব লাগিব, মই ঠিক কৰি লৈছিলো সময় থাকোতেই মোৰ বাবে নিৰ্দিষ্টকৈ থকা কামবোৰ কিৰ পেলাব লাগিব। মই গীতা পঢ়ি ভালদৰে জানিব পাৰিছিলো, আনৰ ধন সোণ আত্মসাত কৰি ৰখাটো অধৰ্ম, পাপ হয়। আপোনাক মই জানি শুনি এই পাপত পতিত হৈ থাকিবলৈ দিব নোৱাৰো আৰু সোণখিনি অলাগতীয়াল বস্তু হিচাপে চন্দুকতে পৰি থাকিবলৈয়োও দিব নোৱাৰো। মানুহে নিজৰ লোভৰ বশৱৰ্তী হৈ জীৱন কালত পাৰেমানে ধন সোণ গোটাই হে গোটায়, কিন্তু তেওঁলোকেও নাজনে ভৱিষ্যতে নো সেইবোৰ কি কামত আহিব? মানুহে ভাবেহে, এইদৰে অলপ ধন সোণ গোটাই থব পাৰিলে ভৱিষ্যতৰ বাবে সাৰথি হ'ব, কামত আহিব, কিন্তু সৰহভাগ মানুহৰে এইদৰে থোৱা ধনসোণ বিপদকহে মাতি আনে, সাধাৰণতে বেছিকৈ সাঁচি থোৱা মানুহবোৰৰ অনবৰতে ভয় ভাব এটা থাকেই, জানোছা চুৰ ডকাইতৰ কবলত পৰি নিজেও ধাৰাসায়ী হ'ব লগীয়া হয়, নতুবা চৰকাৰৰ ৰোষত পৰিব লগা হয়? মুঠতে অপৰ্যাপ্ত ধন সোণে মানুহক ভয় খুৱাই নাথাকেজানো? সেয়ে বহুত বিচাৰ খোচাৰ কৰাৰ পাছত আপোনাৰ এসময়ৰ চিনাকি বৰ প্ৰভাৱশালী মন্ত্ৰীজনৰ পত্নীৰ ফোন নম্বৰ টো জোগাৰ কৰি তেখেতক জানিবলৈ দিলো যে তেখেতৰ স্বামীয়ে আমাৰ গৃহস্থ বাণীকান্ত হাজৰিকাক থবলৈ দিয়া সোণখিনি মই তেখেতৰ পত্নী হিচাপে ঘূৰাই দিব বিচাৰিছো। মানুহগৰাকীয়ে প্ৰথমতে থতমত খাই আচৰিত হৈছিল। বিশ্বাস অবিশ্বাসৰ দোমোজাত পৰি একো ক'ব নোৱাৰি ক্ষেন্তেক সময় ৰৈ আছিল। এনেকুৱা কথাটো সম্ভৱ হ'ব পাৰেনে? তেওঁ স্তম্ভিত হৈ পৰিছিল। মই তেখেতক পুনৰ প্ৰশ্ন কৰিছিলো, আপুনি বাৰু সেই সোণখিনিৰ কথা জানেনে? তেওঁ একমুহূৰ্তত নোৱোৱাকৈ তপৰাই কৈছিল, তেওঁ জানে, দুই তিনি কেজিমান সোণ আপোনাক থবলৈ দিয়াৰ কথা তেখেতে ভালকৈ জানে, নিৰ্বাচনৰ সময়ত কামত আহিব বুলি থৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ তেখেত অচিন বেমাৰত ভুগিবলগীয়া হোৱাৰ পৰা মৃত্যুৰ সময়লৈকে বহুত টকা পইচা দি সহায় কৰাৰ বাবে মন্ত্ৰী পত্নী গৰাকী হেনো আপোনাৰ ওচৰত খুবেই কৃতজ্ঞ, সেয়ে সোণখিনি কথা তেতিয়া একো পাতিব লগীয়া হোৱাও নাছিল। ইতিমধ্যে কেইবাটাও বছৰ পাৰ হৈ গ'ল। তেখেতে নিশ্চয় সেই সোণৰ মোহ এৰিব পৰা নাছিল।

ক্ৰমশ....

ষষ্ঠ পৃষ্ঠাৰ পৰা

# সনাতন ধৰ্মত সংস্কাৰৰ কৰ্মৰ গুৰুত্ব




বিন্দুঃ সৰস্তীৰ্থ মণোহৰম। এতযো মধ্যভাগে বসতিং কুৰুতে যো ণৰঃ। আদ্যান্তবৰ্ণঃ সংযোগাদ হিন্দুণান্নাৎভিধীয়তে। অৰ্থাৎ উত্তৰে হিমালয়ৰ পৰ্বতৰ পৰা দক্ষিণে সৰস্বতী তীৰ্থলৈ ইয়াতে বসতী কৰা লোকসকলে হিন্দু আৰু মই তাতে বসতি কৰা লোকক সু-সংস্কৃত বুলি কম। কোৱা হয় চৌৰাশী যোগী অতিক্ৰম কৰি বহু পুণ্যৰ ফলত সনাতন ধৰ্ম প্ৰবাহিত এই অঞ্চলত মানুহে জন্মলাভ কৰে। ইয়াতে যিসকল লোকে জন্ম লাভ কৰে বহু সংস্কাৰ ধৰ্ম অতিক্ৰমি জীৱনত শুদ্ধ পথৰ বাট বিচাৰি পায়। সুপ্ত শক্তি জাগ্ৰত হয় ভগৱানৰ প্ৰতি প্ৰগাঢ় ভক্তি জন্মে। সু সংস্কাৰ আৰু সদাচাৰ সনাতন ধৰ্মৰ মূল মন্ত্ৰ। হীনাচাৰী কু-সংস্কাৰেৰে আবৃত্ত লোকৰ কেতিয়াও ভাল কাম সিদ্ধি নহয়। অগ্নিহোত্ৰ বা দাক্ষিণাগ্নি হোমো অথলে যায়। সদাচাৰ আৰু সনাতন ধৰ্মত উনুকিওৱা সকলো সংস্কাৰৰ দ্বাৰা জীৱৰ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ সিদ্ধি হয়। কুলাচাৰী বা বংশৰ কুলাংগাৰ ব্যক্তিয়ে সদায় ব্যাসনৰ পাছত ঘূৰি ঘূৰি জীৱনতো অধঃপাতে গতি কৰায়। কিন্তু সনাতন ধৰ্মত যিবিলাক সংস্কাৰৰ উল্লেখ আছে তাৰ দ্বাৰা জীৱৰ ব্ৰহ্মত্ব ৰক্ষা পৰাৰ লগতে তপস্যা, আৰাধনা, গায়ত্ৰী বীজ, সাবিত্ৰী বীজ, বেদ বীজ, ব্ৰহ্ম বীজ অংকুৰিত হৈ শ্ৰেষ্ঠৰ পৰা শ্ৰেষ্ঠতৰলৈ গতি কৰে। এটা সময়ত আমাৰ এই গোটেই এছিয়া মহাদেশেই সনাতন ধৰ্মী আছিল। তন্ত্ৰৰ মন্ত্ৰৰ ফলত ঈশ্বৰ আৰু ধৰ্ম নমনা কিছুমান কুসংস্কাৰ সম্পন্ন মানৱৰ উৎপাতত সনাতনীসকল দিশহাৰা হৈছিল। ঈশ্বৰ আৰু কুসংস্কাৰৰ দ্বাৰা আবৃত লোকে সুন্দৰ সনাতন ধৰ্মৰ ওপৰত ঈশ্বৰ বিশ্বাস ধ্বংস কৰি পেলাইছিল। বুদ্ধ ধৰ্ম আৰু মহাবীৰ জৈন ধৰ্মৰ আবিৰ্ভাৱ তাৰ ফল। পাছত মহাভাৰত আৰু বাল্মিকীৰ ৰামায়ণৰ আলমত থানবান হৈ যোৱা সনাতন ধৰ্মই নতুন গতি লয়। হিন্দু ধৰ্মৰ মূল উপাস্য দেৱতা সূৰ্য আৰু চন্দ্ৰ। বাল্মিকী বিৰচিত ৰামায়ণত সূৰ্যক মুখ্যৰূপে লোৱাৰ লগতে ব্যাসদেৱে চন্দ্ৰক আলম কৰি মহাভাৰতৰ দ্বাৰা সু-সংস্কাৰৰ পাতনি মেলি সনাতন ধৰ্মৰ পুনৰ অগ্ৰগতিৰ আঁত ধৰিছিল।

আধ্যাত্মিক দিশৰ ওপৰত প্ৰতিস্থিতি সনাতন হিন্দু ধৰ্ম হৈছে সু-সংস্কাৰৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা এটা সুন্দৰ প্ৰক্ৰিয়া। যি প্ৰক্ৰিয়াৰ বশৱৰ্তী হৈ সনাতন ধৰ্মৰ লোকসকলে আমাৰ এই পুণ্যভূমি ভাৰতক সভ্যতাৰ তীৰ্থভূমিত পৰিণত কৰিছিল। সেই সময়ত আমাৰ এই সু-সংস্কৃত সনাতন হিন্দু ধৰ্মত সকলোৰে উদ্দেশ্য আছিল—

অসতো মা সদ গময় তমসো মা জ্যোতিৰ্গময়।

মৃত্যুংমা অমৃতং গময়। (বৃহৎ আৰণ্যক উপনিষদ ১-৩-২৮)

ওপৰোক্ত মতকে সমৰ্থন কৰি শক্তিকে জীৱনৰ মূলমন্ত্ৰ আৰু দুৰ্বলতাই যে জীৱনৰ মৃত্যু তাক নিজকে আত্মউপলব্ধি ঘটাই 'উত্থিস্তত জাগ্ৰত প্ৰাপ্য বৰণ নিবোধত' মতকে সাৰোগত কৰি আদিতে সনাতন ধৰ্মালম্বী লোকে জীৱন যুদ্ধত আগবাঢ়ি গৈছিল। ইয়াৰ ফলতে আমাৰ এই পুতভূমি ভাৰতবৰ্ষত সকলো ফালে বিজয়ৰ নিচান উদ্ভাষিত হৈ উঠিছিল। সু-সংস্কাৰ সম্পন্ন আমাৰ এই ভাৰতবৰ্ষ অতীতৰ পৰাই সাধুতাৰ দেশ মহামুনিৰ দেশ। ইয়াত সাধুতাৰ প্ৰতিচ্ছবি হ'ল ৰজা হৰিশ্চন্দ্ৰ, ত্যাগৰ প্ৰতিচ্ছবি দধিছী মুনি, মহানুভূতিৰ বাবে শিবি, দানৰ বাবে কৰ্ণ, ৰাজনীতিৰ বাবে শ্ৰীৰাম চন্দ্ৰ, নিস্কাম সেৱাৰ উদাহৰণ শ্ৰীকৃষ্ণ। ইয়াত বহুতো ঋষি মুনিয়ে জন্মগ্ৰহণ কৰি সৌ সৃষ্টিৰ আদিম পুৰাৰ পৰা জ্ঞান চৰ্চাৰ দ্বাৰা পুণ্য পীঠত পৰিণত কৰিছে। পুণ্যভূমিত পৰিণত কৰা সনাতন ধৰ্মৰ লোক সকলো সু-সংস্কৃত হৈ এনেকুৱা অৱস্থা প্ৰাপ্ত হৈছিল যাৰ বাবে আজি আমি বিশ্বৰ আগত গৌৰবান্বিত। সনাতন ধৰ্মালম্বী লোকসকলৰ মাজত অতীতৰ পৰা ব্ৰাহ্মণসকলৰ এটা সুকীয়া স্থান আছিল। তেওঁলোকৰ মাজত সদায় এটা সু-সংস্কাৰৰ ভাব আছিল যে 'বেদ প্ৰণিহিতো ধৰ্মঃ অধৰ্মাৎতু বিপৰ্যায়ঃ' সেয়ে ভাৰতত বৈদিক যুগৰ পৰা সনাতন ধৰ্ম শাস্ত্ৰবোৰত চল্লিছ বিধ সংস্কাৰৰ কথা থাকিলেও প্ৰধান দহটা সংস্কাৰ গৰ্ভধান, জাতকৰ্ম, পুংসবণ, নামাকৰণ, অন্নপ্ৰাসন, চুড়াকৰণ উপনয়ন, সমাবৰ্তন, সীমন্তোনয়ন, আৰু বিবাহ সকলো চতুৰ্বণৰ লোকে মানি চলিছিল। অৱশ্যে সময়ৰ সোতত বৰ্তমান ব্ৰাহ্মণৰ বাহিৰে বাকীবোৰৰ এই জাত কৰ্মবোৰ বহু কমি অহা পৰিলক্ষিত হৈছে। সন্তান গৰ্ভত স্থিতি হোৱাৰ পাঁচ মাহত পঞ্চামৃত দধি, দুগ্ধ, ঘৃত, শৰ্কৰা একেলগ কৰি গায়ত্ৰী মন্ত্ৰ পাঠ কৰি খুৱাব লাগে। তৃতীয় মাহ আৰু অষ্টম মাহতো এটা সংস্কাৰ আছে। অষ্টম মাহত পুংসবণ কৰ্ম কৰা হয় সন্তানৰ আৰু মাকৰ মংগলৰ কাৰণে। অষ্টম মাহত পুংসবণ কৰা এই কাৰণেই হয় যে এই মাহত গৰ্ভস্থ সন্তানে মন্ত্ৰবোৰ গুণে। ইয়াৰ প্ৰমাণ অভিমন্যুই মাতৃৰ গৰ্ভতে যুদ্ধ ক্ষেত্ৰত ব্যুহ তৈয়াৰ কৰাৰ কথা শুনি পাছত তাক প্ৰতিফলিত কৰিছিল মহাভাৰতৰ যুদ্ধত। শিশুৰ জন্মৰ পাছত সনাতন ধৰ্মত যিবিলাক সংস্কাৰৰ কথা উল্লেখ আছে সেইবোৰ যথাযথ ভাবে সময় মতে কৰিলে সন্তান দীৰ্ঘজীৱী আৰু মহান হয় বুলি শাস্ত্ৰত উল্লেখ আছে। যথা —

সন্ধ্যামুপসতে যেতু সততং সংশিত ব্ৰতাঃ।

বিধুত পাপাস্তে যান্তি ব্ৰাহ্মলোকং সনাতনঃ (যম)

অৰ্থাৎ সু-সংস্কৃত লোকসকলে সংযমীচিত্তে বিধি পূৰ্বক সকলো মানি কাৰ্য সম্পন্ন কৰিলে সনাতন ব্ৰহ্মালোক গমন কৰিব পাৰে। সনাতন ধৰ্মত ছোৱালীৰ সংস্কাৰ কৰ্ম নামাকৰণ আৰু পুস্পিতা হ'লে সংক্ষেপে তোলনী বিয়া পতা হয়। তাৰ পাছত ১৫.১৬ বছৰত বিয়া দিয়া হয়। অৱশ্যে এতিয়া ইয়াৰ বহু পৰিৱৰ্তন হৈছে। বৰ্তমান যুগত যিবিলাক সংস্কাৰ কৰ্ম আছে সকলোবিলাক সনাতন হিন্দু ধৰ্মালম্বীলোকে কৰা উচিত বিশেষকৈ ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকে যাক এৰা একেবাৰে অনুচিত তাৰ প্ৰতিফলন কেনেকুৱা সকলো চিন্তা কৰি যথাসাধ্যৰূপে কৰি যোবা বৰ দৰ্কাৰ। মোৰ জন্মস্থান নলবাৰী জিলাৰ পকোৱা মৌজাৰ বাটসৰ গাঁও। পিতৃ কামিনীকান্ত ভট্টাচাৰ্যই আমাক সহায় বেদবিহিত সংস্কাৰসমূহ ঘৰতে সৰুৰে পৰা যি শিকাইছিল তাক তলত উনুকিওৱা হ'ল। অৱশ্যে আমাৰ গাঁৱতে থকা শীবনাথ ভট্টাচাৰ্য খুৰাৰ টোলত বৃহত্তৰ অসমৰ বহুলোক সংস্কৃত পঢ়ি সু-সংস্কৃত হৈ বহু ঠাইত নিজৰ নিজৰ সু-ব্যক্তিত্বৰে কৰ্মক্ষেত্ৰত আগুওৱা দেখা পাইছো বিশেষকৈ মই যেতিয়া বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু সংস্কৃত শিক্ষাৰ উপসঞ্চালক আছিলো তেতিয়া আমাৰ গাঁৱৰ মোৰ দেউতা আৰু খুৰাৰ বহুতৰ মুখত শুনি আত্মগৌৰৱ বোধ জন্মিছিল। পৰৱৰ্তী সময়ত মই যেতিয়া ভাৰতীয় সভ্যতা বেদ বেদাংগৰ ওপৰত ভাষণ দিয়াৰ বাবে লণ্ডন, লেইচবীয়াৰ আৰু কেমব্ৰিজত গৈছিলো মোক ঘৰত দেউতাই শিকোৱা সংস্কাৰ আৰু তাৰ ব্যাখ্যাই জনমানসত সুন্দৰ প্ৰভাৱ পেলোৱা কথা আজিও মোৰ মনত পৰে। ভাৰতীয় সংস্কাৰৰ মূল্যবোধ বিদেশৰ লোকে জনাৰ বাবে বৰ উদগ্ৰীৱ।

আমাক মনুসংতাত থকা পঞ্চমহাযজ্ঞৰ কথা সৰুতে দেউতাই শিকাইছিল। ব্ৰহ্ম যজ্ঞ (বেদাধ্যায়ণ), দেব যজ্ঞ (ঘৰত পূজা হোম কৰা), ভূত যজ্ঞ (বলি বিধান), নৃ যজ্ঞ (অতিথি সৎকাৰ) পিতৃ যজ্ঞ (পূৰ্ব পুৰুষৰ শ্ৰাদ্ধ) পঞ্চ মহাযজ্ঞ। এই পঞ্চ মহাযজ্ঞৰ দ্বাৰা সু-সংস্কাৰত হোৱাই সনাতন ধৰ্মৰ মূলমন্ত্ৰ।

মনুসংহিতাত আছে

ঋষি যজ্ঞং দেবযজ্ঞং ভূতযজ্ঞং চ সৰ্বদা

নৃ যজ্ঞং পিতৃযজ্ঞং চ যথাশক্তি ন হাপপয়েৎ ( মনু১১)

সংস্কাৰ সম্পন্ন প্ৰত্যেক সনানতন ধৰ্মালম্বী লোকেই পুৱা (চৰাইৰ কাকলিৰ লগে লগে ) বিছনাৰ পৰা উঠিয়ে নিজৰ বুকুত সোঁহাতখন থৈ তৰ্জ্জনী আঙুলি নলগাকৈ কব লাগে মই ভাল, মোৰ ভাল হ'ব, মই ভাল কৰিম। তাৰ পাছত বাৰ অনুযায়ী সোম, বুধ, বৃহস্পতি আৰু শুক্ৰবাৰ হ'লে সো ভৰি মাটিত প্ৰথম থ'ব মঙগল, ৰবি আৰু শনিবাৰে বাওঁভৰিৰে মাটি স্পৰ্শ কৰি ক'ব লাগে 'ওম প্ৰিয়দত্তায়ৈ ভূমৈ নমঃ'। লগতে শিবৰ (মহেশ্বৰৰ) ৬ টা নাম স্মৰণ কৰিলে সকলো কাৰ্য সিদ্ধি হয়। যথা— কৃৰ্ত্তিবাস, লিংগৰাজ, ত্ৰিভুবনেশ্বৰ, স্বৰ্ণকূটটেজ, ষড়ানন আৰু মহেশ্বৰ। মানুহে শিৱক সদায় মহেশ্বৰ বুলিয়ে মাতিব লাগে। (শিৱ পুৰাণ)। তাৰ পাছত ভূমিত খোজ দিয়েই ক'ব লাগে—

প্ৰভাতে যঃ স্মৰেদণিত্যং দুৰ্গা দুৰ্গা ক্ষৰদ্বয়ম।

আপদ তস্য নশ্যন্তিতমঃ সূৰ্য দয়ে যথা।

অহল্যা দ্ৰোপদী কুন্তী তাৰা মন্দোদৰী স্তথা।

পঞ্চ কন্যা স্মৰেদনিত্যং মহাপাতক নাশনম।।

ইয়াৰ পাছতে প্ৰাতঃভ্ৰমণ আৰু প্ৰাতঃকুত্য সমাপ্ত কৰি স্নান কৰি যথাসম্ভৱ ধূপ, দীপ, নৈবেদ্য ভগৱানৰ উদ্দেশ্য আগবঢ়াই যাব যেনেকৈ মূৰ্তি বা থাপনা আছে তাৰ সন্মুখত মেৰু পৃষ্ঠ ঋষি দ্বাৰা দৃষ্ট তলৰ মন্ত্ৰ ফাকি উচ্চাৰণ কৰি আসনত বহিব লাগে—

'ওঁ পৃথ্বিত্বয়া ধৃতা লোকাঃ দেবি ত্বং বিষ্ণুণাধৃতা।

ত্বষণ্ডা ধাৰয় মাং নিত্যং পৱিত্ৰং কুৰু চ আসণম্'।।

উক্ত শ্লোকটি মাতি কুশাসন বা অন্য পৱিত্ৰ আসনত বহি 'আত্মশুদ্ধি, আচব্যাণ, জপ, ধ্যান যথাসাধ্যে পূজা আৰু সূৰ্যাৰ্ঘ্য আদি দান কৰিব লাগে।

আত্মগুদ্ধি বা পৱিত্ৰীকৰণত এটা তামৰ ঘটি বা অন্য পাত্ৰটো পানী লৈ এটা তুলসীৰ পাত দি 'ওঁম গংগে চ যমুনেশ্বৈব গদাবৰী সৰস্বতী নৰ্মদে সিন্ধু কাবেৰী জলে অস্মিণ সন্নিধিং কুৰু' এই মন্ত্ৰেৰে সোহাঁতৰ অনামিকা আঙুলিৰে পানী শুদ্ধ কৰি ল'ব লাগে। পাছত তুলসীৰ পাতেৰে 'ওঁ অপবিত্ৰঃ পবিত্ৰ বা সৰ্ব্বাবস্থাগতোৎপি বা। যঃ স্মৰেদ পুণ্ডৰীকাক্ষং স বাহ্যাভ্যন্তৰ শুচিঃ ' বুলি সকলো বস্তুকে পানী চটিয়াব লাগে। তাৰ পাছত নিজৰ গালৈ পানী চটিয়াই ক'ব লাগে (শান্ত্ৰি মন্ত্ৰ)

'আপো হিস্তা ময়ুৰ্ভব ঃ স্থাণোউৰ্জ্জে দধাতন।

মহে ৰণায় চক্ষুসে। যোব শিবস্তমোৰস ওঁতস্যা

ভজয় তেহন। উসতিৰিব মাতৰ। ওঁ যস্যাক্ষয়ায়

জিন্নথ। তস্মৎ ৰংগ মামবো। ওঁ আপোয়ণাযথাচঁ ওঁ।।'

তাৰ পাছত হাতযোৰকৈ গায়ত্ৰী আবাহন কৰিব লাগে।

ওঁ আযাহি বৰদে দেৰি এক্ষৰে ব্ৰহ্ম বাদিনি।

গায়ত্ৰী সন্দসাং মাতঃ ইহাগচ্ছ নমোৎস্তুতে।

১৩ পৃষ্ঠাত

পঞ্চম পৃষ্ঠাৰ পৰা

# জীৱনটো উপভোগ কৰক

কৰিবৰ বাবে আমি ইতিবাচক মনোভাৱ, ভাল অভ্যাস আৰু জীৱনৰ এটা অৰ্থ নিজে গঢ়ি তুলিব লাগিব। জীৱনটো হ'ল জন্মৰ পৰা মৃত্যুলৈ চলা এক যাত্ৰা। এই যাত্ৰাৰ মূল বিষয়বস্তু আৰু গতি নিৰ্ধাৰণ কৰিব আপোনাৰ পছন্দ্ বা ইচ্ছাই। স্বামী বিবেকানন্দই কৈছিল—

'Strength is life, weakness is death.

Expansion in life, contraction is death.

Love is life, hatred is death.'

অৰ্থাৎ শক্তি, সামৰ্থ্য, সম্প্ৰসাৰণ আৰু প্ৰেম হ'ল জীৱন আৰু দুৰ্বলতা, সংকোচন আৰু ঘৃণা হ'ল মৃত্যু। শক্তি, সামৰ্থ আৰু প্ৰেম হ'ল ইতিবাচক মনোভাৱৰ পৰা উৎপন্ন হোৱা বীজ আৰু দুৰ্বলতা, সংকোচন আৰু ঘৃণা হ'ল নেতিবাচক মনোভাৱৰ পৰা উৎপন্ন হোৱা বীজ। এতিয়া সম্পূৰ্ণ আপোনাৰ ওপৰত নিৰ্ভৰ কৰিব আপুনি আপোনাৰ জীৱন নামৰ কঠীয়াতলীত কোনটো বীজ ৰোপণ কৰিব। পৱিত্ৰ ধৰ্মগ্ৰন্থ গীতাই আমাক সদায় উৎসাহিত কৰি আহিছে জীৱনটো শুচিতা, সামৰ্থ্য, নিয়মানুৱৰ্তিতা, সততা, উদাৰতা আৰু অখণ্ডতাৰে উপভোগ কৰিবৈ। ভগৱান শ্ৰীকৃষ্ণই যেনেকৈ অৰ্জুনক নিজৰ জ্ঞানৰ দ্বাৰা উৎসাহিত কৰি অৰ্জুনৰ আত্ম-বিশ্বাস ঘূৰাই আনিছিল ঠিক তেনেকৈ আমিও গীতাৰ জ্ঞানৰ দ্বাৰা পৰিপুষ্ট হৈ জীৱনৰ আলৈ আহুকালবোৰ আঁতৰাই সঠিক সময়ত সঠিক সিদ্ধান্ত লৈ আগবাঢ়ি যাব পাৰো আৰু নিৰ্ভীকভাৱে সততাৰে নিজৰ জীৱনক সম্পূৰ্ণভাৱে উপভোগ কৰিব পাৰো।

জীৱনটো সম্পূৰ্ণভাৱে আৰু সঠিকভাৱে উপভোগ কৰিবৰ বাবে আমি তলত দিয়া কামবোৰ কৰিব পাৰো।

১) কৃতজ্ঞতা অনুশীলন ঃ আমি কেতিয়াও কৃতজ্ঞ আৰু দুখ একেলগে অনুভৱ কৰিব নোৱাৰো। বিভিন্ন ধৰণৰ বৈজ্ঞানিক গৱেষণাই প্ৰমাণিত কৰিছে যে কৃতজ্ঞতাই আমাৰ আত্মবিশ্বাস বৃদ্ধি কৰে যে নেতিবাচক চিন্তাবোৰক মনৰ পৰা দূৰ কৰে আৰু মানসিক অশান্তিবোৰক দূৰ কৰে। কৃতজ্ঞ ব্যক্তিসকলে সদায় নিজৰ স্বাস্থ্যৰ সঠিক যত্ন ল'ব পাৰে, অধিক কাম কৰিব পাৰে আৰু মানসিক চাপক নিয়ন্ত্ৰণ কৰিব পাৰে। সেয়ে সুখেৰে জীৱনটো উপভোগ কৰিব বিচাৰিলে কৃতজ্ঞ হ'বলৈ শিকক।

২) মনোযোগেৰে কাম কৰকঃ আধ্যাত্মিক গুৰু Eckhart Toll এ কৈছিল— 'Wherever you are be there totally' অৰ্থাৎ তুমি য'তে নাথাকা কিয় সম্পূৰ্ণভাৱে থাকিবা। সহজ অৰ্থত ক'বলৈ হ'লে যিকোনো কাম সদায় মনোযোগেৰে কৰিব লাগে। উদাহৰণস্বৰূপে এইখিনিতে মই হোমেন বৰগোহাঞিঃ দেৱে 'কাম কৰাৰ আনন্দ' নামৰ পুথিখনত উল্লেখ কৰা 'গিয়াছপে ভাৰ্দিৰ' কিছু কথা উল্লেখ কৰিব বিচাৰো। গিয়াছপে ভাৰ্দিয়ে কৈছিল— 'মোৰ অতুলনীয় কৰ্মকাৰ্যতাৰ ৰহস্য-তহস্য মই একো বুজি নাপাওঁ। কিবা ৰহস্য আছে বুলিও মই নাভাবো। মাত্ৰ এটা কথাই মই জানো যে মই যেতিয়া যি কৰো তেতিয়া কেৱল সেইটো কামতে মই মোৰ সমস্ত মন-প্ৰাণ ঢালি দিওঁ। উদাহৰণস্বৰূপে মই এটা নতুন সুৰ সৃষ্টিৰ কামত যি ধৰণৰ অখণ্ড মনোযোগ দিওঁ ঠিক তাৰ সমান মনোযোগ দিওঁ এটা সুমথিৰাৰ বাকলি গুচোৱাৰ কামতো। মই সকলো কামৰ পৰাই সমান আনন্দ আহৰণ কৰো।

৩) নিজৰ বিষয়ে প্ৰথমে ভাবকঃ যদি এজন ব্যক্তিয়ে নিজৰ বিষয়ে বা নিজৰ মনৰ কথা নুশুনে তেন্তে তেওঁ কেতিয়াও জীৱনটোক উপভোগ কৰিব নোৱাৰে। যদি আপুনি শান্তি আৰু সন্তুষ্টি লাভ কৰিব বিচাৰে তেন্তে নিজক সময় দিয়া, নতুন নতুন কথা চিন্তা কৰা, আনন্দ কৰা আৰু স্বাস্থ্যৱান সম্পৰ্ক গঢ়ি তোলা। তোমাৰ ইচ্ছাৰ বিৰুদ্ধে কোনোবাই কিবা কৰাব বা কৰিব বিচাৰিলে না ক'বলৈ শিকা।

৪) নিজৰ প্ৰতি দয়ালু হোৱাঃ আমি সকলোৱে জীৱন সংগ্ৰামত কেতিয়াবা কেতিয়াবা বিফল হওঁ, সেই সময়ত আমি সদায় নিজৰ দয়ালু হ'ব লাগে। যি হ'ব লগা আছিল হৈ গ'ল, অতীত সদায় অতীত তাক লৈ চিন্তিত হোৱাতকৈ তাৰ পৰা শিক্ষা গ্ৰহণহে কৰিব লাগে আৰু নিজৰ প্ৰতি দয়াৰ মনোভাৱ গঢ়ি তুলিব লাগে তেতিয়াহে জীৱনটো উপভোগ কৰা সহজ হৈ পৰে। উদাহৰণ হিচাপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিখ্যাত ব্যৱসায়ী আৰু উদ্ভাৱক 'টমাচ এডিচনৰ' জীৱনৰ এটা ঘটনাৰ কথা ক'ব পাৰো। ১৯১৪ চনত ৬৭ বছৰ বয়সত টমাচ এডিচনৰ কেইবা নিযুত ডলাৰ মূল্যৰ কাৰখানা এটা ভস্মীভূত হ'ল। সামান্য বীমা আছিল। বৃদ্ধ এডিচনে তেওঁৰ জীৱনৰ প্ৰচেষ্টা ভস্মীভূত হোৱা দেখা পালে। তেওঁ ক'লে 'দুৰ্যোগৰ বিৰাট মূল আছে। আমাৰ সকলোবোৰ ভুল জ্বলি ছাই হৈ গ'ল। ঈশ্বৰক ধন্যবাদ আমি নতুনকৈ আৰম্ভ কৰিব পাৰিম। 'দুৰ্যোগ সত্বেও, তিনি সপ্তাহৰ পাছত তেওঁ ফন'গ্ৰাম যন্ত্ৰ আৱিষ্কাৰ কৰিলে। ইয়াকে কয় নেতিবাচকৰ মাজতো ইতিবাচক মনোভাৱেৰে জীৱনটোক উপভোগ কৰা।

৫) ইতিবাচক সম্পৰ্কৰ প্ৰতিপালন কৰাঃ আমাৰ জীৱনৰ আনন্দৰ অনুভৱ নিৰ্ভৰ কৰে ইতিবাচক সম্পৰ্কবোৰৰ ওপৰত। বিভিন্ন ধৰণৰ গৱেষণা মতে আনৰ লগত অতিবাহিত সময়ে এজন ব্যক্তিৰ নিৰাশা দূৰ কৰি আশাৰ কিৰণ কঢ়িয়াই অনাত সহায় কৰে। সেয়ে আমি সদায় ইতিবাচক ব্যক্তিৰ লগত সম্পৰ্ক স্থাপন কৰাত গুৰুত্ব দিব লাগে।

এইবোৰৰ উপৰিও আমি নতুন নতুন ঠাই ভ্ৰমণ কৰি নিয়মিতভাৱে ব্যায়াম কৰি, প্ৰকৃতিৰ মাজত সময় অতিবাহিত কৰি, সময়ৰ সদ ব্যৱহাৰ কৰি, জীৱনৰ এটা নিৰ্দিষ্ট লক্ষ্য স্থিৰ কৰি, অসহায়ক সহায় কৰি, বদ অভ্যাস ত্যাগ কৰি আমি এক সুন্দৰ আৰু সুখময় জীৱন অতিবাহিত কৰিব পাৰো। আমি সদায় কেনেকৈ এক অৰ্থপূৰ্ণ আৰু সাৰ্থকভাৱে জীৱনটো উপভোগ কৰিব পাৰো সেই সম্পৰ্কে জাৰ্মান কবি, নাট্যকাৰ আৰু সাহিত্যিক 'গ্যেটে' কৈছিল—প্ৰত্যেক মানুহে প্ৰতিদিনে এটা গান শুনা উচিত, এটা ছবি চোৱা উচিত আৰু এটা কিতাপ পঢ়া উচিত। তদুপৰি তেওঁ প্ৰতিদিনে অন্ততঃ কেইআষাৰমান যুক্তিপূৰ্ণ কথা কোৱা উচিত।'

নৱম পৃষ্ঠাৰ পৰা

# লোকসংস্কৃতি

কেৱল অতীতৰ বস্তুৰেই হৈতো নাই। সমাজৰ পৰিৱৰ্তনৰ লগে লগে লোকসংস্কৃতিৰো নতুন নতুন উপাদানৰ সৃষ্টি হৈছে। কিন্তু এঠা কথা ঠিক যে অতীতৰেই হওঁক বা বৰ্তমানৰেই হওঁক লোকসংস্কৃতিক উপাদান হ'বলৈ হ'লে ইয়াৰ মৌলিক চৰিত্ৰসমূহ অক্ষুণ্ণ থাকিব লাগিব। বহুতে ব্যক্তি অনুষ্ঠান মাধ্যম সকলো স্তৰতে লোকসংস্কৃতিৰ মৌলিক চৰিত্ৰসমূহৰ বিষয়ে অজ্ঞতাৰ কাৰণে নিজে সৃষ্টি কৰা ভালেমান বিকৃত বস্তু লোকসাংস্কৃতি উপাদন বুলি সমাজত প্ৰচলন হ'বলৈ ধৰে। এনেবোৰ বস্তুক বিখ্যাত লোকসংস্কৃতিবিদ .. এন. ডৰচনে লোকসংস্কৃতি নুবুলি স্থান বা কৃত্ৰিম সংস্কৃতি আখ্যা দিছে। কোনো বস্তুকে লোকসাংস্কৃতিক উপাদান হিচাপে সমাজৰ ওপৰত জাপি দিব নোৱাৰি।

যিহেতু লোকসংস্কৃতিৰ লগত কিছু পৰিমাণে হলেও অতীতৰ আৰু বিশেষভাৱে পৰম্পৰাৰ দিশ জড়িত হৈ আছে ইয়াৰ প্ৰকৃতি অনুধাৱন কৰিবলৈ সেই অতীত আৰু পৰম্পৰা কোন সময়ৰ আৰু কোনখন সমাজৰ তেনেবোৰ প্ৰশ্নৰো আলোচনাৰ প্ৰয়োজন। এনেবোৰ প্ৰশ্নৰ সমিধানৰ বাবে আদিম অনাধৰী আৰু চহা সমাজ আৰু সংস্কৃতিৰ আলোচনাৰ লগতে লোকজন আৰু লোকসমাজৰ লগত এইবোৰৰ ভিন্নতা বিচাৰ কৰাৰ প্ৰয়োজন অতি যুক্তিপূৰ্ণ।

লোকসংস্কৃতিৰ চিন্তা-চৰ্চাৰ লগত পৰিৱেশৰ সম্পৰ্ক অতি নিবিড়। পৰিৱেশ আৰু পৰিস্থিতিয়ে চিন্তা-চৰ্চাৰ পথ ভিন্নমুখী কৰি গঢ়ি তোলে। এই পৰিৱেশ বিভিন্ন ধৰণৰ হ'ব পাৰে। লোকগীতবোৰক প্ৰধানকৈ পাচোটা ভাগত ভাগ কৰিব পাৰি বোলা কথাটোৰ লগতো পৰিৱেশৰ কথাটো জড়িত হৈ আছে। সেই কেইটা হ'ল ১) লৌকিক ২) ঋতু কালীন ৩) বিভিন্ন সমাজত প্ৰচলিত গীত ৪) শাৰীৰিক শ্ৰমৰ সময়ত গোৱা গীত ৫) বেলাড। এই লোকগীতবোৰৰ পৰিৱেশন ৰীতিটো পৰিৱেশনৰ বাবেই ভিন্ন হোৱা দেখা যায়। ইয়াৰ উপৰিও খোৱা-লোৱা, চলা-ফুৰা, খেতিকৰা মাছ ধৰা আদিৰ পৰা আৰম্ভ কৰি গান গোৱালৈকে নানা ধৰ্মীয় আচাৰ পালন আদিৰ কথাবোৰ পৰিৱেশৰ অধীন।

অসমৰ ক্ষেত্ৰতেই পৰিৱেশৰ কথাটো আলোচনা কৰিলে স্পষ্ট হৈ উঠে। বহুসময়ত বহুজাতি ইয়ালৈ আহিছে। তাৰ কাৰণ ইয়াৰ বতাহ-পানীৰ লগত জীৱন ধাৰণৰ পদ্ধতিটো সহজলভ্য। জাতি-উপজাতিৰ যিখনভূমি এই অসমলৈ কোনো আজিয়েই ইয়ালৈ আহি উভতি যোৱা নাই। ব্ৰহ্মপুত্ৰৰ পাৰত নিগাজিকৈ বসবাস কৰিবলৈ লোৱা এই জাতিবোৰে কালক্ৰমত পৰিৱেশৰ অধীন হৈ পৰিছে আৰু দেশৰ থলুৱা জাতিৰ লগত মিলি গৈছে।

লোকসংস্কৃতিত পৰিৱেশৰ ভূমিকাৰ প্ৰসংগত প্ৰথমেই মনকৰিবলগীয়া বিষয়টো হৈছে জলবায়ু। জলবায়ুয়ে পৰিৱেশ সলনি কৰি। সেই পৰিৱেশত জনসাধাৰণৰ লোকসংস্কৃতিও ভিন্নমুখী হৈ পৰে। সেমেকা জলবায়ুৰ দেশৰ জনসাধাৰণৰ খোৱা-বোৱা পিন্ধন-উৰণ, আচাৰ-ব্যৱহাৰ ইত্যাদি বেলেগ হৈ পৰে। সেইদৰে গ্ৰীষ্মকালীন দেশবোৰৰ পৰিৱেশো বেলেগ হৈ পৰে। পৰিৱেশৰ কাৰণেই লোকসংস্কৃতিৰ নাচ-গান কথা -বতৰা, পৰম্পৰা আদিও বেলেগ হয়।

পৰিৱেশ এখন দেশৰ লোকসংস্কৃতিৰ পৰি বেশনৰ ৰীতিও সলনি কৰি দিয়ে। পৰিৱেশৰ অধীন হৈয়েই লোকসংস্কৃতিক উপাদানবোৰ গঢ় লৈ উঠে। পৰিৱেশ অনুসৰি এখন দেশৰ পৰম্পৰা, মৌখিকতা, প্ৰবহমানতা, পাঠান্তৰ, গোষ্ঠীচেতনা আদিও ভিন্ন ভিন্ন হয়।

মুঠতে লোকসংস্কৃতি চিন্তা-চৰ্চাৰ লগত পৰিৱেশৰ সম্পৰ্ক অতি নিবিড়। পৰিৱেশক বাদ দি লোকসংস্কৃতি চৰ্চা নিস্ফল। পৰিৱেশৰ স্থানীয় ৰঙতেই লোকসংস্কৃতিয়েও সেই ঠাইৰ ৰঙেৰে ৰঙিয়াল হয়। লোকসংস্কৃতি চৰ্চাত পৰিৱেশৰ ভূমিকা অনন্য।

প্ৰসংগ পুথি ঃ

১) লোকসংস্কৃতি ঃ শব্দ আৰু সংজ্ঞা ঃ (প্ৰবন্ধ ডঃ প্ৰবীন চন্দ্ৰ দাস, ৰূপান্তৰ আলোচনী প্ৰথম বছৰ চতুৰ্থ সংখ্যা ১৯৮৮ চন।

২) লোকসংস্কৃতি ঃ সংজ্ঞা আৰু প্ৰকৃতি ঃ (প্ৰবন্ধ) ডঃ প্ৰবীন চন্দ্ৰ দাস, ৰূপান্তৰ আলোচনী প্ৰথম বছৰ ষষ্ঠ সংখ্যা ১৯৮৮)

৩) বাংলাৰ লোকসংস্কৃতি ঃ আশুতোষ ভট্টাচাৰ্য্য (প্ৰবন্ধ)

৪) বাংলাৰ সংস্কৃতি ও ঐতিহ্য ঃ সম্পাদক জ্যোতিৰ্ময় ঘোষ, ১৯৭৫

৫) লোকসংস্কৃতি ঃ চৰ্চা আৰু পৰিৱেশন, ডঃ প্ৰবীন চন্দ্ৰ দাস। কামৰূপা-স্মৃতিগ্ৰন্থ ১৯৮৮ চন।

৬) অসমীয়া জনসাহিত্য ঃ ডঃ প্ৰফুল্ল দত্ত গোস্বামী।

৭) অসমৰ লোকসংস্কৃতি ঃ ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা।

৮) অসমৰ লোকসংস্কৃতি ঃ ডঃ নিৰ্ভৰ্মল প্ৰভা বৰদলৈ।

৯) অসমৰ সংস্কৃতি ঃ ডঃ লীলা গগৈ।

১০) কিৰাট জনজাতি ঃ ডঃ সুনীতি কুমাৰ চেটাৰ্জী।

১১) দি বেকগ্ৰাউণ্ড অৱ আচামিক কালচাৰ ঃ ৰাজমোহন নাথ।

১২) অসমৰ মানুহ ঃ সম্পাদনা, ডঃ ভুবন মোহন দাস

১৩) পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি ঃ ডঃ মহেশ্বৰ নেওগ।

১৪) অসমীয়া লোকসংস্কৃতিৰ আভাস ঃ ডঃ নবীন চন্দ্ৰ শৰ্মা।

১৫) চিফুং-গুংগাং ঃ সম্পাদক ডঃ বীৰেন্দ্ৰ নাথ দত্ত।

১১ পৃষ্ঠাৰ পৰা

# সনাতন ধৰ্মত সংস্কাৰ কৰ্মৰ গুৰুত্ব

তাৰ পাছত হাত যোৰ কৰি গায়ত্ৰী শাপমোচন কৰিব ।ব্ৰহ্মশাপ বিমোচন মন্ত্ৰস্য ব্ৰহ্মঋষি অনুষ্টুপ গায়ত্ৰীছন্দো বৰুণো দেৱতা ব্ৰহ্মশাপ বিমোচন বিনিয়োগ।

ওঁ ব্ৰহ্মক্ষেতি ব্ৰহ্মবিদো বিদুষঃ ত্বাং পশ্চন্তিধীৰঃ সুমনসো বা গায়ত্ৰীত্বং ব্ৰহ্মশাপাৎ বিমুক্তা ভব। গায়ত্ৰাঃ বশিষ্ঠ শাপ বিমোচন মন্ত্ৰস্য বশিষ্ঠ ঋষি অনুষ্টুপ ছন্দঃ ব্ৰহ্মা বিষ্ণু ৰুদ্ৰাঃ দেৱতা বশিষ্ট শাপ বিমোচনে বিনিয়োগ। ওঁ অৰ্কজ্যোতি ৰহং ব্ৰহ্ম ব্ৰহ্মজ্যোতিৰহং শিবঃ শিবজ্যোতি ৰহং বিষ্ণুঃ বিষ্ণুজ্যোতি পৰঃ শিবঃ। গায়ত্ৰীত্বং বশিষ্টসাপাৎ বিমুক্তা ভব।

গায়ত্ৰাঃ বিশ্বমিত্ৰ শাপ বিমোচন মন্ত্ৰস্য বিশ্বমিত্ৰ ঋষি অনুষ্টপ ছন্দঃ গায়ত্ৰী দেৱতা বিশ্বমিত্ৰ শাপ বিমোচনে বিমিয়োগঃ। ওঁ অহো দেবি মহাদেবি দিব্যোসন্ধো সৰস্বতি অজৰে অমৰেচৈব ব্ৰহ্মযোনি নমোৎস্তুতে। গায়ত্ৰীত্বং বিশ্বমিত্ৰ শাপাৎ বিমুক্তা ভব। ইয়াৰ পাছত হাতযোৰ কৰি গায়ত্ৰী বিসৰ্জ্জন দিব। ওঁ উত্তৰে শিখৰে জাতা ভূম্যাং পৰ্বাত বাসিনি। ব্ৰহ্মণা সমানুজ্ঞাতা গচ্ছদেৱি যথাসুখম। আকৌ শেষত পুনৰ নমস্কাৰ কৰি কব— ও গুহ্যাতি গুহ্যগো পুত্ৰীত্বং কৃতংজপং। সিদ্ধিৰ্ভবতু মে দেবি তৎপ্ৰসাদাৎ মহেশ্বৰী। এই বুলি তিনি চোল পানী মাটিত দি সাধ্য অনুসৰি ১০ বা ১০৮ অথবা ১০০১ বাৰ গায়ত্ৰী জপি হাতযোৰ কৰি উঠি বহিব লাগে।

সনাতন হিন্দু ধৰ্মত এই গায়ত্ৰী মন্ত্ৰৰ গুৰুত্ব অধিক। এই গায়ত্ৰী মন্ত্ৰ দ্ৰষ্টা আছিল বিশ্বমিত্ৰ ঋষি। জন্মতে এওঁ ক্ষত্ৰিয় আছিল। সাধনাৰ সিদ্ধি লাভ কৰি শ্ৰেষ্ঠ ব্ৰাহ্মণহৈ পৰিছিল। এৱে আমাৰ কেৱল পুৰণি কামৰূপ জিলাত থকা কৃষ্ণঋষি গোত্ৰৰ জন্মদাতা। এই কৃষ্ণঋষি গোত্ৰৰ মানুহ কেৱল নলবাৰী জিলাৰ আমাৰ বাটসৰ গাঁও আৰু চতমাৰ কাষত থকা ধুৱকুছি গাঁওতহে আছে। আৰু পুৰণি কামৰূপ জিলাৰ হাজোৰ ওচৰত ৰামদিয়াত আছে। এই চেগতেই মই প্ৰাতঃস্মৰণীয় ব্ৰহ্ম নিৰ্বাণৰ পৰামনন্দ লভি গায়ত্ৰী দৰে পৰম শক্তি থকা মহামন্ত্ৰৰ স্ৰষ্টা বিশ্বমিত্ৰলৈ শত কোটি নমস্কাৰ কৰিলোঁ। এই গায়ত্ৰী মন্ত্ৰটো হ'ল সনাতন ধৰ্মৰ মহৌষধ স্বৰূপ। যিধৰণে ধ্যান কৰি ভবা হয় তাৰ সফল কেৱল গায়ত্ৰী মন্ত্ৰই দান কৰিব পাৰে।

গায়ত্ৰী মন্ত্ৰটো হ'ল— ওঁ ভূঃ ভুবঃ ওঁ স্বওঁ মহঃ ওঁ জনঃ ওঁ তপঃ ওঁ সত্যম। ওঁ তৎসবিতুৰ্বৰেণ্যং ভৰ্গো দেৱস্য ধীমহি ধীয়ো যো নঃ প্ৰচোদয়াৎ। ওঁ আপোজ্যোতি ৰসোৎমৃতং ব্ৰহ্মভূৰ্ভুৰ্বঃ স্বঃ ওঁ।। এই গায়ত্ৰী মন্ত্ৰৰ প্ৰত্যেকটো অক্ষৰেই স্বৰ্ণ শিক্ষাৰ প্ৰতীক। ওঁ ৰ শিক্ষা হৈছে সৰ্ব্বত্ৰ ত্ৰিমূৰ্ত্তি পৰমেশ্বৰৰ ব্যাপকতা, ভূঃৰ শিক্ষা জীকাৰ সম্পূৰ্ণ উত্থান-পতনৰ কাৰণ অনুসন্ধান কৰা, আৰু ভুবঃৰ অৰ্থ হৈছে সকলো সৎ কৰ্মত তৎপৰতাৰে অগ্ৰসৰ হোৱা। স্বঃৰ সংকেত হৈছে স্থিপ্ৰজ্ঞ হোৱা। তৎ ৰ তাৎপৰ্য ক্ষণিক সুখৰ কথা নাভাবি জন্ম জন্মান্তৰৰ সুখত গুৰুত্ব দিয়া। সবিতুঃ ৰ অৰ্থ নিজকে বিদ্যা, বুদ্ধি, স্বাস্থ্য ধন ঐশ্বৰ্য মৈত্ৰী সাহসৰ আৰু শক্তিৰে সু-সম্পন্ন হোৱা। বৰেন্যম্ৰ অৰ্থ হৈছে ৰংচঙীয়া সংসাৰত কেৱল নিজকে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা ভৰ্গোৰ অৰ্থ হৈছে শৰীৰ, মন, ঘৰ দুৱাৰ ব্যৱহৃত সকলো বস্তু স্বচ্ছ কৰি ৰখা। দেৱস্যৰ অৰ্থ উদাৰতা, দূৰদৰ্শিতা ধৰ্মহিৰ অৰ্থ সৎ আৰু উত্তমস্বভাৱ, ধীযোৰ তাৎপৰ্য কোনো মানুহকে বা গ্ৰন্থক বা সম্প্ৰদায়কে অন্ধভাৱে অনুকৰণ নকৰি শুদ্ধ চিন্তাৰে সঠিক ধাবিত হোৱা, যোনঃ ৰ অৰ্থ সংযম, তপ, জ্ঞান, সহিষ্ণুতা, তিতিক্ষা, শ্ৰম, মিতব্যয়িতা আৰু ইয়াৰ সৎপ্ৰযোগ। প্ৰচোত্ৰীযাতৰ তাৎপৰ্য প্ৰফুল্ল সন্তুষ্ট হৈ উচ্চস্বৰলৈ যোৱা, উৎসাহিত আৰু সদায় সেৱাপৰায়ণ হৈ জীৱন অতিবাহিত কৰা।

চতুৰ্বেদৰ শিক্ষা বেলেগ বেলেগ ধৰণে দিয়া হৈছে আৰু জগতৰ সকলো ভাল কথাৰ সাৰভাগ উক্ত গায়ত্ৰী মন্ত্ৰতে সোমাই আছে। উক্ত কথাখিনি ভালধৰণে হৃদয়ংগম কৰি শুদ্ধ চিন্তা, সৎ পথেৰে আগবাঢ়িব পাৰিলে মানৱ জীৱন সাৰ্থক হয় আৰু ইয়ে হৈছে সনাতন হিন্দু ধৰ্মৰ শ্ৰেষ্ঠ সংস্কাৰ। সনাতন হিন্দু ধৰ্মৰ মূল গ্ৰন্থ চতুৰ্বেদ। এই বেদত চাৰিখনৰ ভিতৰত ঋকবেদত তেত্ৰিশটা দেৱতাৰ উল্লেখ আছে। মিত্ৰ, বৰুণ, সূৰ্য, বিষ্ণু, পুষা, ভগ আৰু অশ্বিনী কুমাৰদ্বয়। এই সাতজনক সৌৰ দেৱতা বুলি কোৱা হয়। ইয়াৰ লগত দ্বাদশ আদিত্য যেনে— মিত্ৰ, ৰবি, সূৰ্য, ভান্ম, খগ, পুঞ্চ, হিৰণ্যগৰ্ভ, সবিতা, আদিত্য, অৰ্ক, ভাস্কৰ আৰু মাৰ্তণ্ড লগ হৈছে। তাকে আকৌ একাদশ ৰুদ্ৰ যেনে— হৰ, শৰ্ব্ব, শম্ভু, এম্বক সুন্দৰ, ৰৈৱত কপৰ্দ্দী, কপালী, বহুৰূপ, বৃষাকপি, মৃগবধ আৰু অপৰাজিত লগ হৈ ৩০ টা হৈছে। বাকী তিনিটা দেৱতা ইন্দ্ৰ, অগ্নি আৰু সোম দেৱ লগ হৈ ৩৩ টা দেৱতাৰ উল্লেখ বেদত আছে। যাস্ক হৈছে ঋকবেদৰ প্ৰথম বাখ্যাদাতা দ্বিতীয় সায়নাচাৰ্য। এই বেদৰ বিভিন্ন মন্ত্ৰ সঠিকভাৱে অনুধাৱন কৰিবলৈ হ'লেও যি ৬ বিধ বেদংগ আছে তাক জনা দৰ্কাৰ। এই ৬ বিধ বেদাংগ হ'ল— শিক্ষা (বেদৰ ঘ্ৰাণ), কল্প (বেদৰ হস্তদ্বয়), ব্যাকৰণ (বেদৰমুখ), ছন্দ (বেদৰ পাদদ্বয়), জ্যোতিষ হৈছে (বেদৰ বক্ষদেশ) আৰু নিৰুক্ত (যাক বেদৰ কাণ) বুলি কোৱা হয়। সনাতন হিন্দু ধৰ্মৰ মূল সংস্কাৰবোৰত আগবঢ়াৰ লগে লগে কিছুমান সহজ প্ৰাণায়ামৰে উল্লেখ বিভিন্ন ব্যাখ্যা কাৰে কৈ গৈছে। যেনে ভগৱান পৰমব্ৰহ্মৰ জ্ঞানৰ জ্যোতিৰে আলোকিত হ'ব খুজিলে প্ৰথমতে আসনত বহিয়ে সোঁহাতৰ বুঢ়া আঙুলিৰে আগনাকৰ ফটুটো টিপা মাৰি ধৰি বাওঁ নাকেৰে নিম্ন মন্ত্ৰেৰে বায়ু ভিতৰলৈ টানিব। যথা—

ওঁ ব্ৰহ্মাণং ৰক্ত গোৱাংগং নাভিমধ্যে প্ৰতিষ্ঠিতং।

পুৰকেন চতুৰ্বক্ৰং চিন্তয়েং কমলা সনং।

তাৰ পাছত দুয়োটা নাকৰ ফুটা টিপা মাৰি ধৰি বায়ু বন্ধ কৰিব আৰু ভাবিব

ওঁ নীলোৎপল দল শ্যামং হৃদিবিষ্ণু সনাতনম্।

কুম্ভবেশ চতুৰ্বাহুং চিন্তয়েৎ কলমাসনং।।

তাৰ পাছত কনিষ্ঠ আৰু অনামিকা আঙুলিৰে বাওঁ নাকৰ ফুটাত টিপা মাৰি ধৰি সোঁ নাকেৰে বায়ু লাহে লাহে এৰিব যথা—

ওঁ ৰেচকেনেশ্বৰং ধ্যায়েৎ ললাটস্থং মহেশ্বৰং।

শুদ্ধ স্ফটিক সঙ্কাশং নিৰ্মলং পাপনাশনম।।

উক্ত প্ৰাণায়ামৰ পাছত শুদ্ধচিত্তে অঘমৰ্চ্চনৰ তিনিটা মন্ত্ৰ যেনে—

ওঁ ঋতঞ্চ সত্যাঞ্চভীদ্ধাও পসোৎধ্য জায়ত।

ততো ৰাত্ৰ্য জায়ত ততঃ সমুদ্ৰোৰ্ণবঃ। ১।

ও সমুদ্ৰোৰ্ণবঃ দধি সংবৎসৰো অজায়ত

ওহো ৰাত্ৰাণি বিদধদ বিশ্বস্য মিষতোবশী।।২।।

ওঁ সূৰ্য্যা চন্দ্ৰমসৌ ধাতা যথাপূৰ্ব্বম কল্পয়েৎ।

দিবঞ্চ পৃথিৱীঞ্চান্তাৰিক্ষ মথো স্বঃ।।৩।।

উক্ত অঘমৰ্চন মন্ত্ৰ পাঠৰপাছতে চাৰিখন বেদৰ ৪ টা প্ৰথম মন্ত্ৰ পাঠ কৰা উচিত। যাক ব্ৰহ্মযজ্ঞ বুলি কোৱা হয়।

।। ওঁ অগ্নিমিড়ে পুৰোহিতং যজ্ঞস্য দেৱঋত্বিজম্।

হোতাৰং ৰত্ন ধাৰমম্।' (ঋক) (অধিপতি বৃহস্পতি)।।

।। ওঁ ইযোত্বোৰ্জ্জেত্বা বায়বস্থা দেবোবঃ সবিতা

প্ৰাপয়তু শ্ৰেষ্ঠতমায় কৰ্মনে ওঁ" (যজুঃ) (অধিপতি শুক্ৰ)

।। ওঁ অগ্ন আয়াহি বিতয়ে গৃহানো হব্যদাতায়ে

নিহোতা সৎসি বৰ্হিষে। " (সামঃ) (অধিপতি মংগল)

।। যে ত্ৰিষপ্তাঃ পৰিয়ন্তি বিশ্বা ৰূপানি বিভ্ৰতঃ।

বাচস্পতি ৰ্বলা তেষাং তন্বোতদ্য দধাতুমে"।। (অথৰ্বঃ) (অধিপতি বুধ)

দৰাচলতে ক'ব গলে সনাতন ধৰ্মৰ সংস্কাৰবোৰ সকলো বেদৰ অন্তৰ্ভুক্ত। গতিকে সংস্কাৰ গ্ৰহণৰ প্ৰথম আহিলা বেদ আমি জনাটো অতিকে জৰুৰী। শেষত বেদ পুৰাণত থকা কিছুমান মানৱজীকাৰ দৰ্কাৰী কথা মই মোৰ লিখনীত অন্তৰ্ভুক্ত কৰিব বিচাৰিছো।

ভগৱান শিৱ (মহেশ্বৰৰ) ১২ মাহত বাৰটা নাম আছে যাক সেই মাহত সেই নামেৰে মাতিলে তেওঁ অতি সন্তুষ্ট হয়। কাতিত শিবক-দক্ষিমামূৰ্তি আঘোণত শংকৰ, পুহত-দেৱদেৱ, মাঘত-মহেশ্বৰ, ফাগুণত- এম্বক সুন্দৰ, চ'তত - ভগৱান, বহাগত- পিংগলেশ্বৰ, জেঠত- দক্ষিণামূৰ্তি, আহাৰত-নীলকণ্ঠ, শাওঁণত- স্থাণু, ভাদত-শম্ভু, আহিনত- ঈশ্বৰ বুলি স্মৰণ কৰিব লাগে।

ইয়াতে এটা কথা কওঁ মানুহে ভগৱান শিৱক মহেশ্বৰ বুলি মাতিব লাগে বুলি শিবপুৰাণত উল্লেখ আছে। এতিয়া ভগৱান বিষ্ণুৰ ১২ মাহত ১২ টা নাম উল্লেখ কৰিছো।

কাতিত- দামোদৰ, আঘোণত-কেশৱ, পুহত-নাৰায়ণ, মাঘত-মাধৱ, ফাগুনত- গোবিন্দ, চ'তত-বিষ্ণু, বহাগত- মধুসূধন, জেঠত-ত্ৰিবিক্ৰম, আহাৰত-বামণ, শাওঁণত-শ্ৰীধৰ, ভাদত- হৃষীকেশ, আহিনত-পদ্মনাভ। এতিয়া আমি বেদত পোৱা গণেশৰ অষ্টনাম উল্লেখ কৰিব বিচাৰিছো— গণেশ, একদন্ত, গজানন, লম্বোদৰ, বিঘ্নবিনাশন, হেৰম্ব, গুহাগ্ৰজ, সুৰ্পকৰ্ণ। গণেশৰ দ্বাদশ নামৰ কথাও শাস্ত্ৰত উল্লেখ আছে। যথা— সুমুখ, শ্বেতদন্তশ্চ, কপিলো, গজকৰ্ণবঃ, লম্বোদৰ, বিকটো, বিঘ্ননাশ, বিনায়ক, ধৰ্মকেতু, গনাধ্যক্ষ, ভালচন্দ্ৰ, গজানন।

আকৌ বেদত ৰাহুৰ কালত যেন কেতিয়াও যাত্ৰা নকৰে আৰু যদিহে যাত্ৰা কৰিব লাগে তাৰ প্ৰতিবিধাণ মই এজন বেদৰ গৱেষক হিচাবে সকলোৰে মংগলাৰ্থে উনুকিয়াব বিচাৰিছো। তলত বাৰ বিলাকত বন্ধনীত দিয়াসময়ত শুভকাৰ্য কেতিয়াও নকৰিব।

সোম (৭.৩০-৯.০০) বজালৈ।

শনি (৯.০০-১০.৩০ ) বজালৈ।

শুক্ৰ (১০.৩০-১২.০০) বজালৈ।

বুধ (১২.০০ ১.৩০) বজালৈ।

বৃহস্পতি (১২.৩০-৩.০০) বজালৈ।

মংগল (৩.০০-৪.৩০) বজালৈ।

দেওবাৰ (৪.৩০-৬.০০) বজালৈ।

উপায় নাথাকিলেও তাৰ বিধান মইবুৰ্টিছ মিউজিয়ামৰ এখন কিতাপত পাই টুকি আনিছিলো। আজি এই শুভক্ষণত তাকো মই শ্ৰদ্ধাৰ সংস্কাৰকামীলোকলৈ বুলি উল্লেখ কৰিছো। সোমবাৰে উক্ত সময়ত যাবলৈ হ'লে আয়নাত মুখচাই যাব, শনিবাৰে জালুক মুখত লৈ যাব, শুক্ৰবাৰে জিভাত মিঠাতেল লগাই যাব, বুধবাৰে গুড় খাই যাব, বৃহস্পতিবাৰে দৈ গাখীৰ খাই যাব, মঙগলবাৰে চৰাই চিৰিকটি মাছ বা কুকুৰক কিবা খাব দি যাব। আৰু দেওবাৰ যদি আমি উল্লেখ কৰা সময়ত যাত্ৰা কৰিব লগা হয় তেতিয়া হ'লে তামোল পাণ খাবলৈ নাপাহৰিব। এইবোৰ মোৰ কথা নহয়। বেদত ওপৰত গৱেষণা কালত মই গুৱাহাটী, দিল্লী আৰু নাগপুৰ বিশ্ববিদ্যালয়ৰ বহু বেদ সম্পৰ্কীয় পুৰণি কিতাপত পাই সুধী সমাজৰ জ্ঞাতাৰ্থে ইয়াত উল্লেখ কৰিছো। উক্ত কথাবোৰেই প্ৰমাণ কৰে সনাতন হিন্দু ধৰ্মত সংস্কাৰৰ গুৰুত্ব কিমান। শেষত বেদত থকা সেই মহান মন্ত্ৰেৰে সামৰিব খুজিছো—

শৃন্বন্তু বিশ্বে অমৃতস্য পুত্ৰাঃ

বেদাহমেতং পুৰযো মহান্তম্।

আদিত্য বৰ্ণাং তমসা পৰস্তাৎ।

ত্বমেৱ বিদিত্বা অতি মৃত্যুমেতি।

নাণ্যং পন্থা বিদ্যতে অয়ণায়।।

অৰ্থাৎ হে বিশ্ববাসী তোমালোকে শুনা তোমালোক সকলো অমৃতৰ সন্তান। বেদত এই কথাই উল্লেখিত হৈছে যে এজন মহান বা পৰম পুৰুষে আন্ধাৰৰ কলিয়া ডাৱৰ যিয়ে ফালি বেদৰ জ্ঞানৰ জ্যোতিৰে আলোকিত হৈ মৃত্যুঞ্জয়ী হ'ব পাৰে জগতৰো মংগল সাধন হ'ব পাৰে ইয়াৰ বাহিৰে শ্ৰেষ্ঠ পন্থা সংসাৰত একো নাই। সদৌ শেষত মই যিহেতু অথৰ্ববেদৰ গৱেষক তাত পোৱা এফাফি মন্ত্ৰেৰে যিয়ে গোটেই মানৱ সমাজক আহ্বান জনাইছে তাৰ দ্বাৰাই সামৰিছো—

উৎক্ৰামত পুৰুষা যা বা পৎথ্যা।। (৮-১-৪)

(হে মানৱ জাতি উঠা থিয় হোৱা আগবাঢ়ি যোৱা, পাছলৈ কেতিয়াও অধঃপতি নহবা।।)

পুনৰ গড়ুৰ পুৰাণত থকা সেই মহামন্ত্ৰেৰে সামৰিছো—

সৰ্ব্বে বৈ সুখিণঃ সন্তুসৰ্ব্বেন্তু নিৰাময়াঃ

সৰ্ব্বে ভদ্ৰাণি পশ্যন্তু মা ক্কাচিদ দুখভাগ ভবেত।


ওঁ শান্তিঃ ওঁ শান্তিঃ ওঁ শান্তিঃ

ইতি শম্

# এবছুৰ উদ্যোগত পাঠশালাত বড়ো ছাত্ৰ-ছাত্ৰীৰ আদৰণী অনুষ্ঠান

**অসম ভূমি সেৱা, পাঠশালা ঃ** নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ বজালী ইউনিট কমিটিৰ উদ্যোগত পাঠশালাস্থিত সাহিত্য সভা ভৱনত যোৱা দেওবাৰে অনুষ্ঠিত হয় বড়ো ছাত্ৰ-ছাত্ৰীৰ আদৰণী অনুষ্ঠান। অনুষ্ঠানৰ আৰম্ভণীতে বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে এবছুৰ বজালী ইউনিট কমিটিৰ সভাপতি সুদেস্বৰ বড়োৱে আৰু বডোফাৰ প্ৰতিচ্ছবিত মাল্যদান কৰে এবছুৰ কেন্দ্ৰীয় সমিতিৰ তথ্য আৰু জনসংযোগ সম্পাদক চৰণজিৎ নাৰ্জীহাৰীয়ে। ইয়াৰ পাছতে সুদেস্বৰ বড়োৱে আঁত ধৰা মুকলি সভাত আদৰণি ভাষণ দিয়ে এবছুৰ বৰপেটা জিলা সমিতিৰ সভাপতি ৰতন দৈমাৰীয়ে। সভাত এবছুৰ কেন্দ্ৰীয় উপ-সভাপতি খৌৰৌমদাও ৱাৰীয়ে মুখ্য অতিথি, বড়ো কছাৰী স্বায়ত্ত শাসিত কল্যাণ পৰিষদৰ কাৰ্যবাহী সদস্য মহীপাল বড়োৱে নিৰ্দিষ্ট বক্তাৰূপে ভাষণ দিয়াৰ লগতে সন্মানীয় অতিথিৰূপে উপস্থিত থাকে ক্ৰমে-এবছুৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য কৃষ্ণকান্ত বড়ো, মুছলপুৰ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক নিজৌম খুংগুৰ বসুমতাৰী, আক্ৰাছুৰ বজালী জিলা সমিতিৰ উপদেষ্টা সৌৰভজ্যোতি দাস আৰু প্ৰাক্তন আছু নেতা ধৰ্মেশ্বৰ ৰয়ে। উল্লেখ্য যে পাঠশালাস্থিত শিক্ষানুষ্ঠানসমূহত অধ্যয়নৰত বড়ো জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক আদৰণী জনোৱাৰ উদ্দেশ্যে এবছুৰ বজালী ইউনিট কমিটিৰ উদ্যোগত এই আদৰণী অনুষ্ঠানৰ আয়োজন কৰা হয়।







# নাৰেঙ্গীৰ পৰা ভকতগাঁৱলৈ ৫০.৮৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ হোমেন বৰগোহাঞিঃ পথৰূপে নামকৰণ

**গুৱাহাটী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ৬ ডিচেম্বৰত ৰাজ্যিক ঘাইপথ নং-৩ ৰ নাৰেঙ্গীৰ পৰা ভকতগাঁৱলৈ ৫০.৮৬ কিলোমিটাৰ অংশ হোমেন বৰগোহাঞিঃ পথ নামেৰে নামকৰণ কৰি জনসাধাৰণলৈ উৎসৰ্গিত কৰে। এই উপলক্ষে বীৰকুছিত লোকনিৰ্মাণ (পথ) বিভাগৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জ্ঞান আৰু প্ৰজ্ঞাৰ সাধক, সমাজ দ্ৰষ্টা, সাহিত্য আৰু সংবাদ সেৱাৰ পুৰোধা ব্যক্তি হোমেন বৰগোহাঞিৰ ওপজা দিনৰ প্ৰাক্‌ক্ষণত বিশ্বৱেংক আৰু ৰাজ্য চৰকাৰৰ পুঁজিৰে নিৰ্মাণ কৰি উলিওৱা এই পথছোৱাই অঞ্চলটোৰ যোগাযোগৰ ক্ষেত্ৰত এক নতুন মাত্ৰা সংযোজন কৰিব। ৰাজ্য চৰকাৰে ক্ৰীড়া, শিল্পী আৰু সাহিত্য পেঞ্চন তিনিটা বিশেষ দিনত প্ৰদানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিল বুলি উল্লেখ কৰি তেওঁ কয় যে অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ জন্মদিনত ক্ৰীড়া পেঞ্চন, জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু দিৱস অৰ্থাৎ শিল্পী দিৱসৰ দিনা শিল্পী পেঞ্চন আৰু হোমেন বৰগোহাঞিৰ জন্মদিনত সাহিত্য পেঞ্চন প্ৰদানৰ বাবে পদক্ষেপ লৈছে। হোমেন বৰগোহাঞি জাতীয় জীৱনৰ মহীৰুহ আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইগৰাকী সাহিত্যিকৰ মৃত্যু অসমীয়া জাতিৰ বাবে এক অপূৰণীয় ক্ষতি। জাতীয় জীৱনৰ নক্ষত্ৰ হৈয়ো নিজৰ জন্মস্থানৰ প্ৰতি আছিল তেখেতৰ দুৰ্বাৰ আকৰ্ষণ। ঢকুৱাখনাৰ বিকাশৰ বাবে তেখেতে সকলোকে প্ৰেৰণা যোগাই গৈছিল। ১৯৬৩ চনৰ পৰা মৃত্যুৰ ক্ষণলৈ জাতীয় জীৱনলৈ তেখেতে যথেষ্ট বৰঙণি যোগাই গৈছে। তেখেতৰ জীৱনৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ ফচল 'নীলাচল' কাকতৰ জৰিয়তে উন্মেষিত হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে গোটেই জীৱনজুৰি তেওঁ আদৰ্শৰ পৰা বিচ্যুত হোৱা নাছিল। স্পষ্টবাদীতা আছিল তেওঁৰ অলংকাৰ। তাত্ত্বিক গ্ৰন্থৰ লগতে শিশু তথা সমাজ জীৱনক উদ্বুদ্ধ কৰিব পৰাকৈ অসংখ্য গ্ৰন্থ তেখেতে ৰচনা কৰি গৈছে। তেখেতৰ জীৱন গাথা গ্ৰন্থৰ মাজেৰে লিপিবদ্ধ কৰি গৈছে বুলি উল্লেখ কৰি জাতীয় জীৱনৰ উত্তৰণৰ বাবে জাতিটোক সাহস যোগাই গৈছিল। সোঁতৰ বিপৰীতে গৈও জাতীয় চেতনাক তেখেতে যিদৰে প্ৰাণৱন্ত কৰি গ'লসেই কথা জাতিটোৱে সদায়ে কৃতজ্ঞতাৰে স্মৰণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে পানীখাইতিত যান-বাহন সুচলতৰ কৰাৰ বাবে এখন উৰণ সেতু নিৰ্মাণৰ পদক্ষেপ লোৱা হ'ব বুলিও কয়। অনুষ্ঠানত বিধায়ক অতুল বৰাই ও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত জলসিঞ্চন, গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ কুইন ওজা, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকা আৰু হোমেন বৰগোহাঞিৰ পৰিয়ালবৰ্গ উপস্থিত থাকে।

### এক মিনিটৰ ভিতৰত ৭৭ টা দেশী-বিদেশী পক্ষীৰ নাম

# ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত নগাঁৱৰ চাৰি বছৰীয়া জনয়া অনুপাল শৰ্মাৰ



**বৰ্হমপুৰঃ** নিৰবিচ্ছিন্ন প্ৰয়াস আৰু একাগ্ৰতাৰে সকলো সম্ভৱ। তাকেই প্ৰমাণ কৰিলে জনয়া অনুপাল শৰ্মা নামৰ চাৰি বছৰীয়া কণমাণি শিশুটিয়ে। মাত্ৰ এক মিনিটৰ ভিতৰত ৭৭ টা দেশী-বিদেশী ইংৰাজী নাম কৈ জনয়াই 'ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ ২০২১' ত নিজৰ নাম লিপিবদ্ধ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। মাত্ৰ চাৰি বছৰ ২ মাহ ১৪ দিনত কণমাণি জন্যনা এই গৌৰৱৰ অধিকাৰী হৈছে। জনয়াৰ এই সফল্যত উৎফুল্লিত পিতৃ অনুপল শৰ্মা আৰু মাতৃ পৰিস্মিতা কাশ্যপে জানিবলৈ দিয়া মতে— বিগত লকডাউনৰ সময়ছোৱাত কেৱল ফ্লেটৰ কোঠাতে আবদ্ধ হৈ থাকিবলগীয়া হোৱাত তেওঁলোকে একমাত্ৰ জীয়াৰীক ফুল, চৰাই, ফল আদিৰ নাম শিকাইছিল। কণমানি জনয়াই উক্ত নামসমূহ অতি ক্ষীপ্ৰতাৰে আয়ত্ত কৰাত উৎফুল্লিত হৈ তেওঁলোকে ইণ্ডিয়া বুক অৱ ৰেকৰ্ডচত ২৯ অক্টোবৰত ২০২১ ত বাণীবদ্ধ কৰায়। উল্লেখ্য যে কণমাণি জনয়া অনুপাল শৰ্মাৰ পিতৃ-মাতৃ নগাঁও জিলাৰ আমোলাপট্টিৰ বাসিন্দা যদিও কৰ্মসূত্ৰে তেওঁলোক বৰ্তমান মহাৰাষ্ট্ৰ নিবাসী।

# ৰাজভৱনত ড° ৰাজেন্দ্ৰ প্ৰসাদৰ প্ৰতিমূৰ্তি উন্মোচন

**গুৱাহাটীঃ** ভাৰতৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ ১৩৭ তম্ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি ৰাজ্যপাল অধ্যাপক জগদীশ মুখী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা তিনি ডিচেম্বৰত ৰাজ ভৱনত তেখেতৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে নেতাগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। উল্লেখ্য যে বিশিষ্ট ভাস্কৰ্য শিল্পী বীৰেন সিংহই নিৰ্মাণ কৰা এইপ্ৰতিমূৰ্তিটো ৰাজ ভৱনৰ দৰবাৰ হলৰ সন্মুখত স্থাপন কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে কয় যে ড° ৰাজেন্দ্ৰ প্ৰসাদ আছিল এগৰাকী নেতৃত্ব বহনকাৰী স্বাধীনতা সংগ্ৰামী। সামাজিক ন্যায় আৰু ৰাষ্ট্ৰৰ বিকাশৰ দিশত এইগৰাকী ৰাষ্ট্ৰপতিয়ে গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল বুলিও তেওঁ কয়। অত্যন্ত সৰল জীৱন-যাপন কৰা এইগৰাকী মহান নেতা আছিল উচ্চ চিন্তাৰ অধিকাৰী। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ড° ৰাজেন্দ্ৰ প্ৰসাদক এগৰাকী অতি বিচক্ষণ আৰু বিশাল নেতৃত্বৰ নেতা বুলি অভিহিত কৰে। তেওঁ লগতে কয় যে এইগৰাকী মহান নেতাৰ প্ৰতিমূৰ্তি উন্মোচন অনুষ্ঠানত উপস্থিত থাকিবলৈ পাই তেখেতে আজি বিশেষভাৱে সুখী হৈছে। এই প্ৰতিমূৰ্তি উন্মোচনৰ জৰিয়তে এইগৰাকী নেতাৰ প্ৰতি তেখেতৰ এই জন্মদিনৰ শুভক্ষণত বিশেষ সন্মান প্ৰদৰ্শন কৰাৰ লগতে তেখেতে ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা অৰিহণাৰ প্ৰকৃতাৰ্থত অৱলোকন কৰা হৈছেবুলিও তেওঁ কয়। এই প্ৰতিমূৰ্তি উন্মোচনী অনুষ্ঠানত অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, হস্তাতঁ আৰুবস্ত্ৰ ইত্যাদি বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মোহন, বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, ভাৰতৰত্ন ড° ৰাজেন্দ্ৰ প্ৰসাদৰ নাতি তাৰা সিনহা, পৰিনাতি মনা সিনহাৰ লগতে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

১ পৃষ্ঠাৰ পৰা

# ১৭ ডিচেম্বৰত শুভমুক্তি চিনেমা

সুখবৰ এক ই-মেইল যোগে মহোৎসৱ সমিতিয়ে জনাইছে বুলি সাংবাদিকক জানিবলৈ দিয়ে পৰিচালক পংকজ পল্লৱ শৰ্মাই। মুক্তিৰ পূৰ্বেই এটাৰ পাছত আনটো সন্মান আৰু বঁটা পাবলৈ সক্ষম হৈছে মাকনপ্ৰিয়া প্ৰডাকচনৰ বেনাৰত নিৰ্মিত অসমীয়া কথাছবি 'দিঠকত হেৰাল সপোন' অহা ১৭ ডিচেম্বৰত অসমৰ প্ৰায় দহটা চলচ্চিত্ৰ গৃহত মুক্তি লাভ কৰিব। 'কলাকৰি ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেল ২০২১'ত মুখ্য শাখাত নমিনেচন লাভ কৰিছে দিঠকত হেৰাল সপোনে। ইতিমধ্যে কথাছবিখনে টেগুৰ ইণ্টাৰনেচনেল ফিল্ম ফেষ্টিভেলত শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিছে। লগতে লাভ কৰিছে আন কেইবাটাও পুৰস্কাৰ। প্ৰসংগক্ৰমে যোৱা ২৩ এপ্ৰিলত কথাছবিখনে অসমৰ দহটা ছবিগৃহত মুক্তি পোৱাৰ কথা আছিল যদিও ক'ভিড মহামাৰীৰ সংক্ৰমণৰ বাবে প্ৰদৰ্শন সাময়িকভাৱে বন্ধ ৰখা হৈছে। সম্প্ৰতি ক'ভিডৰ সংক্ৰমণৰ বহু পৰিমাণে কমি যোৱা বাবে চৰকাৰে চিনেমাগৃহবোৰ খুলিবলৈ দিয়াত ইতিমধ্যে কেইবাখনো অসমীয়া চিনেমাই মুক্তি লাভ কৰিছে। দিঠকত হেৰাল সপোনৰ কাহিনী ৰুদ্ৰকান্ত শৰ্মাৰ। চিত্ৰনাট্য সংলাপ আৰু পৰিচালনা পংকজ পল্লৱ শৰ্মাৰ। প্ৰয়োজনা কৰিছে অজিত বৰ্মনে। পৰিচালক পংকজ পল্লৱ শৰ্মাই লাভ কৰিছে পৰিচালনাৰ ইণ্ডিয়ান গ্ল'ৰী এৱাৰ্ড। ছবিখনৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে মুকুল দাস, পংকজ পল্লৱ শৰ্মা, নীলোৎপল শৰ্মা, দিগন্ত কুমাৰ নাথ, দ্বিজেন্দ্ৰ শৰ্মা, প্ৰাণজিৎ শৰ্মা, দিপু কাকতি, ৰুদ্ৰ শৰ্মা, জ্যোতিৰ্ময় কলিতা, ৰাজীৱ কাকতি, ৰিণ্টু কলিতা, ৰিতুমণি, মোহন কলিতা, গোপাল, ৰাকেশ, প্ৰদীপ বৰা, বিদ্যাকান্ত, তীৰ্থৰঞ্জন, পৰেশ চন্দ্ৰ বৰদলৈ, মিৰাজুল ইছলাম, ফাৰুক হুছেইন, মজিবৰ ৰহমান, প্ৰণৱ কুমাৰ দত্ত, প্ৰণৱজ্যোতি কলিতা, ইনামুল ইছলাম, দিপেন শৰ্মা, মদন বৰ্মন, নৃপাল, বৰ্মন, ধৰণী বৰ্মন, কুলেন ডেকা, দিলজিত বৰ্মন, গংগাধৰ বৰ্মন, ডাঃ প্ৰণৱ কুমাৰ শৰ্মা, নিৰ্মল দাস, হৰিশ তালুকদাৰ, ৰামচৰণ ভড়ালী, কন্দৰ্পেশ্বৰ শৰ্মা, যাদৱ কলিতা, উজ্বল ডেকা, সঞ্জীৱ ভাগৱতী, ৰাজেশ মৌৰ, বিপুল তালুকদাৰ, কৌশিক, ভৰেশ ডেকা, মণি বৰা, কবিতা শইকীয়া, দিপালী তামুলী, ৰিমঝিম বৰা, ৰিমঝিম শইকীয়া, ইভলীনা, ময়ূৰী, জোনালী চক্ৰৱৰ্তী, ভনিতা শৰ্মা, বৰষা, বৰ্ণালী, গীতাঞ্জলী, মিনু ভড়ালী, যমুনা ডেকা, দীপা ভট্ট, পঞ্চী বৰা, পল্লৱী চহৰীয়া, লভিতা, আইজনী ডেকা জয়শ্ৰী, লিচা, ডেকা, স্বপ্না নাথ, পৰিস্মিতা, অনিন্দিতা, অশ্মনজয়া, ছন্দানিকা বৰ্মন, বৰ্ণালী ফুকন, ভায়োলিনা কাশ্যপ, বনশ্ৰী, ধনশ্ৰী, বৃতিষা, আৰিয়ন প্ৰীয়ম, হিমানজ্যোতি, ভৃতু বি কাশ্যাপ, অৰ্পিত, প্ৰাচুৰ্য, জ্যোতিৰাদিত্য আৰু মুখ্য চৰিত্ৰত জৰ্জীয়া মেধী। ছবিখনৰ সংগীত আৰু গীতৰ কথা অপূৰ্ব বেজবৰুৱা আৰু অজিত বৰ্মনে। কণ্ঠশিল্পী অনিমা চৌধুৰীৰ সুকন্যা গোস্বামী, দেবৰ্চনা কাশ্যপ আৰু অজিত বৰ্মনো। আবহ সংগীত অবনী ৰঞ্জন পাঠকৰ। চিত্ৰগ্ৰহণ কৰিছে লক্ষী নাথ আৰু সদা হালৈৰ। সহযোগ পংকজ প্ৰকাশৰ। মেকআপ অঞ্জু কলিতাৰ। ছবিখনক লৈ দৰ্শক খুবেই আগ্ৰহী।

# পৌৰ নিৰ্বাচনত মিত্ৰতা

আহিছিল যদিও কাৰ্যত বিজেপিয়ে অকলশৰে নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ প্ৰস্তুতি চলোৱাৰ কথা দলটোৰ ৰাজ্যিক সভাপতিগৰাকীয়ে ঘোষণা কৰাৰ পাছত স্বাভাৱিকতেই মিত্ৰদলসমূহৰ নেতৃত্বত বিপাঙত পৰিছে। বিজেপিৰ এই ঘোষণাই স্বাভাৱিকতে ক্ষতিগ্ৰস্ত কৰিব অগপ দলক। কিয়নো দীৰ্ঘদিন ধৰি বিজেপিৰে মিত্ৰতা কৰি চৰকাৰৰ অংশীদাৰ হোৱা অগপ দলৰ নেতৃত্বই দলটোৰ সাংগঠনিক ভেঁটি ৰাজ্যজুৰি অধিক শক্তিশালী কৰিবলৈ কোনো পদক্ষেপ গ্ৰহণ কৰা দেখা নগ'ল। ইয়াৰ বিপৰীতে মিত্ৰতাৰ সুযোগ লৈ অগপৰ ভেঁটিত মোক্ষম আঘাত হানিবলৈ সক্ষম হ'ল বিজেপি। অগপৰ বহু নেতা-কৰ্মী বিজেপিত চামিল হ'ল। তেনেক্ষেত্ৰত আগত পৌৰ সভাৰ নিৰ্বাচনত বিজেপিয়ে নিজাববীয়াকৈ প্ৰাৰ্থিত্ব দিলে তেনে প্ৰাৰ্থীৰ বিৰুদ্ধে শক্তিশালী প্ৰাৰ্থী থিয় কৰাবলৈ অগপ সক্ষম হ'ব নে নহয় সেয়া সময়েহে ক'ব। অৱশ্যে সংবাদ মাধ্যমৰ আগত বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে ঠাই বিশেষে মিত্ৰদলৰ লগত প্ৰাৰ্থীক লৈ বুজাবুজি হোৱাৰ সম্ভাৱনাও অস্বীকাৰ কৰা নাই। উল্লেখ্য যে বিগত পৌৰ সভা নিৰ্বাচনত বিজেপিয়ে বৃহৎ সাফল্য লাভ কৰাৰ বিপৰীতে কংগ্ৰেছ দ্বিতীয় আৰু অগপ তৃতীয় স্থানতহে থাকিবলৈ সক্ষম হৈছিল।

# উপাধ্যক্ষ তুলসী বৰঠাকুৰৰ

অধ্যক্ষ ডাঃ ৰণোজ পেগু, ভাৰতীয় শিক্ষণ মণ্ডলৰ সৰ্বভাৰতীয় উপ-সভাপতি বিভাষ দাস পুৰকায়স্থ, অসম সংস্কৃত ভাৰতীৰ অধ্যক্ষ কুমুদ বৰঠাকুৰো উপস্থিত থাকে। অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজকৰ্মী তুলসী বৰঠাকুৰক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ উপাধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰাত তেওঁৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ লগতে দলীয় কৰ্মীসকল উৎফুল্লিত হৈ পৰিছে।

### কামৰূপ মহানগৰ জিলাত ‘হৰ ঘৰ দস্তক’ অভিযান

# মুখ্য সচিবৰ বুজনিত প্ৰতিষেধক ল’লে দ্বিধাগ্ৰস্ত লোকে

**গুৱাহাটীঃ** ক’ভিডৰ সংহাৰী ৰূপৰ পৰা জনসাধাৰণক ৰক্ষা কৰাৰ মানসেৰে ৰাজ্যজুৰি চলা ‘হৰ ঘৰ দস্তক’ অভিযানৰ লগত সংগতি ৰাখি যোৱা ৫ ডিচেম্বৰত অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱাই পুৱা ৭ বজাৰ পৰা কামৰূপ মহানগৰ জিলাৰ বিভিন্ন প্ৰান্তত ব্যস্ত হৈ থাকে প্ৰতিষেধক অভিযানত। জিলা অতিৰিক্ত উপায়ুক্ত গৌৰী শংকৰ দাস, দিছপুৰ ৰাজহ চক্ৰৰ ভাৰপ্ৰাপ্ত ৰাজহ বিষয়া চিন্ময় নেওগ তথা স্বাস্থ্য বিভাগৰ বিষয়া-বৰ্গৰ সৈতে মুখ্য সচিবগৰাকীয়ে পুৱাতে ১৯৬নং হাতীগাঁও মাধ্যমিক বিদ্যালয় আৰু ২০৪ নং বৰসজাই উচ্চ মাধ্যমিক বিদ্যালয় ভোট কেন্দ্ৰস্থিত



ক’ভিড প্ৰতিষেধক কেন্দ্ৰ দুটা পৰিদৰ্শন কৰাৰ পাছত মিলনপুৰৰ মিলনপথ, ঘোৰামৰা, ভেটাপাৰা আদি অঞ্চলৰ প্ৰতিষেধক ল’বলৈ দ্বিধাগ্ৰস্ত আৰু বাকী থকা ব্যক্তিসকলৰ ঘৰত উপস্থিত হয়। ভোটাৰ তালিকাৰ পৰা ব্যক্তিসকলক বাছি সেই অনুসৰি ঘৰত গৈ উপস্থিত হয় সচিব সহিতে তেওঁৰ দল। সচিবগৰাকীৰ বুজনিত প্ৰতিজন দ্বিধাগ্ৰস্ত ব্যক্তিয়ে প্ৰতিষেধক ল’বলৈ সন্মতি প্ৰকাশ কৰাৰ পাছত প্ৰতিষেধক প্ৰদান কৰা হয়। সচিবগৰাকীৰ উপস্থিতিত মুঠ ৪৫ জন লোকক ক’ভিড প্ৰতিষেধক প্ৰদান কৰা হয়। ইয়াৰ ৩০ গৰাকী লোকেই লয় প্ৰথম পালি ক’ভিড প্ৰতিষেধক। মুখ্য সচিবগৰাকীৰ আশ্বাসত ইমান দিনে দ্বিধাগ্ৰস্ত হৈ থকা ব্যক্তিসকলে মনৰ সন্দেহ দূৰ কৰি প্ৰতিষেধক ল’বলৈ আগবাঢ়ি আহে আৰু তেওঁলোকক ঘৰতে প্ৰতিষেধক প্ৰদান কৰা হয়।

## চন্দ্ৰপুৰত ‘সৌমিত্ৰ’ আঁচনিৰ কাম আৰম্ভ

**গুৱাহাটী ঃ** অসমৰ গাঁওসমূহৰ মেপ তথা জনসাধাৰণৰ ভূমিৰ জোখ-মাখ নিৰূপণৰ অৰ্থে কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা ‘সৌমিত্ৰ’ আঁচনিৰ অধীনৰ কাম-কাজ আজিৰে পৰা আৰম্ভ কৰা হৈছে।চন্দ্ৰপুৰ ৰাজহ চক্ৰত। সীমা নিৰ্ধাৰণৰ অৰ্থে যোৱা ডিচেম্বৰত ৰাজহ চক্ৰটোৰ দুখন গাঁৱত ড্ৰোণেৰে ফটো সংগ্ৰহ কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ জৰীপ বিভাগৰ বিষয়াবৰ্গৰ উপৰি চন্দ্ৰপুৰ ৰাজহ চক্ৰ বিষয়াৰ উপস্থিতিত চন্দ্ৰপুৰ আৰু চ নং চন্দ্ৰপুৰ গাঁৱৰ ড্ৰোণেৰে ফটো তোলা কাম সম্পূৰ্ণ কৰা হয়। চন্দ্ৰপুৰ ৰাজহ চক্ৰ বিষয়া জিন্তু বৰাৰ মতে অহা জানুৱাৰী মাহৰ ভিতৰত ‘সৌমিত্ৰ’ আঁচনিৰ অধীনৰ ৰাজহ চক্ৰটোৰ জোখ-মাখৰ সকলোধৰণৰ কাম-কাজ সমাপ্ত কৰিব পৰা যাব। আনহাতে, সোণাপুৰ ৰাজহ চক্ৰত যোৱা অক্টোবৰ মাহৰ পৰা চলি আছে ‘সৌমিত্ৰ’ আঁচনিৰ অধীনত ভূমিৰ জোখ-মাখ। উল্লেখযোগ্য যে আঁচনিখনৰ জৰিয়তে গাঁৱৰ প্ৰত্যেক ব্যক্তিৰে সম্পত্তি নিৰ্ধাৰণ কৰা হ’ব, গাঁওসমূহৰ সীমা নিৰূপণ কৰা হ’ব আৰু প্ৰস্তুত কৰা হ’ব প্ৰত্যেক গাঁৱৰে একোখনকৈ মেপ। ব্যক্তিৰ গ্ৰামাঞ্চলৰ সা-সম্পত্তিৰ উপৰি গাঁও পঞ্চায়ত আৰু ৰাজহুৱা সা-সম্পত্তি যেনে ৰাস্তা, পুখুৰী, বিদ্যালয়, অংগনবাড়ী কেন্দ্ৰ, স্বাস্থ্য উপকেন্দ্ৰ আদি সকলো জৰীপৰ ব্যৱস্থা কৰা হ’ব এই আঁচনিখনৰ জৰিয়তে।

# লীলাধৰ হাজৰিকাৰ ষষ্ঠ কাব্যগ্ৰন্থ উন্মোচন




**গুৱাহাটীঃ** বিশিষ্ট লেখক, লোকসংস্কৃতিৰ গৱেষক কবি লীলাধৰ হাজৰিকাৰ ষষ্ঠখন কবিতা সংকলন ‘মাছমৰীয়া গাঁৱৰ এখন চিনাকি পৃথিৱী আৰু অন্যান্য কবিতা’ গ্ৰন্থখন যোৱা ২ ডিচেম্বৰ তাৰিখে পদুমবৰীস্থিত লেখকৰ বাসভৱনত শুৱালকুছি কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° চিত্তৰঞ্জন দাসে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত (গ্ৰন্থখন) উন্মোচন কৰে। সভাত বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰে লেখক কনকচন্দ্ৰ কলিতাই। গ্ৰন্থ উন্মোচনী ভাষণত ড° দাসে লেখকৰ শিশু চেমনীয়া কালৰ অনুভৱ শেতেলি, মাছমৰীয়া গাঁৱৰ এখন চিনাকি পৃথিৱী, দৃশাৱীৰ কবিতা নিয়ৰ আৰু কবিয়ে এক মনোজ আলোচনা আগবঢ়ায়। বিশিষ্ট অতিথিৰ ভাষণত কলিতাই হাজৰিকাৰ কাছ-কৃতি সম্পৰ্কে তম বক্ত আগবঢ়ায়। সমাজৰ ফালৰ পৰা বিমল চন্দ্ৰ দাস, অধীৰ চন্দ্ৰ দাস, গিৰীশ দাস, কুশল দাস, অজিত দাস, নিৰঞ্জন দাস, ৰজন চহৰীয়াই লীলাধৰ হাজৰিকাৰ সাহিত্য কৃতিৰ শলাগ লয়। গোয়েৰ্ণিকা হাজৰিকা কাশ্যপে আঁত ধৰা অনুষ্ঠানটোত গোয়েৰ্ণিকাই পৰিৱেশন কৰে এটি চাওতালী গীত। লেখক-কবি লীলাধৰ হাজৰিকাই নিজৰ কবিতা সম্পৰ্কে কিছু অনুভৱ ব্যক্ত কৰাৰ উপৰিও তেওঁ কেইবাটাও কবিতা আবৃত্তি কৰি শুনায়। ললিত প্ৰকাশনৰ হৈ মিনুপ্ৰভা পাঠক হাজৰিকাই শেষত শলাগৰ শৰাই আগবঢ়ায়।

## ৰীতা দেৱীৰ গ্ৰন্থ উন্মোচন

**গুৱাহাটীঃ** যোৱা দেওবাৰে বিশিষ্ট সাহিত্যিক ৰীতা দেৱীৰ দুখনকৈ গ্ৰন্থ গুৱাহাটী প্ৰেছ ক্লাৱত উন্মোচন কৰা হয়। সাংস্কৃতিক মহাসভা অসমৰ সভাপতি পৱিত্ৰ কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই গ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে বিশিষ্ট চিকিৎসক ডাঃ বসন্ত বৈশ্যই। ‘সভাত তাত পোহৰ নাই’ শীৰ্ষক কবিতা পুথিখন উন্মোচন কৰে বিশিষ্ট সাহিত্যিক ড০ নন্দ সিং বৰকলাই, গল্প পুথি ‘দিন লেখাৰ দিনটো’ উন্মোচন কৰে সদৌ অসম গ্ৰন্থগাৰীক সন্থাৰ সভাপতি ড০ প্ৰসন্ন ডেকাই। সাগৰিকা শৰ্মাই আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাহিত্যিক ৰোহিনী কুমাৰ শৰ্মাই। শলাগৰ শৰাই আগবঢ়ায় ভাৰতীয় ৰেল বিভাগৰ অৱসৰী উপ-মুখ্য প্ৰবন্ধক দিনেশ চন্দ্ৰ শৰ্মাই।

### নগাঁও প্ৰেছ ক্লাবৰ ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱসত মন্ত্ৰী পীযুষ হাজৰিকা

# সমীহ কৰাৰ পৰিৱৰ্তে সাংবাদিকক সন্মান কৰিব লাগে

**নগাঁওঃ** ‘নগাঁৱৰ হিচাপে চিনাকি দিবলৈ মই ভাল পাওঁ। এতিয়া নগাঁও জিলা দুভাগ হৈ নগাঁও আৰু মৰিগাঁও হিচাপে চিহ্নিত হৈছে যদিও আমাৰ শিক্ষা-দীক্ষা, চিকিৎসা, বজাৰ-সমাৰ সকলো নগাঁৱতে হৈছিল। সেয়ে মই নিজকে নগাঁৱৰ বুলি কবলৈ ভাল পাওঁ। এতিয়া মই অবিভক্ত নগাঁও বুলি কওঁ। মোৰ ভাল পোৱা ঠাই বুলি ক’লে মই সদায়েই নগাঁৱক আগস্থান দি আহিছো।’ এই মন্তব্য অসমৰ জলসম্পদ, তথ্য আৰু জন সংযোগ আদি দপ্তৰৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ। যোৱা ৫ ডিচেম্বৰত নগাঁও প্ৰেছ ক্লাবৰ ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজন কৰা মুকলি সভাত নগাঁও প্ৰেছ ক্লাবে জনোৱা সম্বৰ্ধনা গ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে নগাঁৱৰ বিষয়ে উল্লেখ কৰি কয় যে নগাঁৱৰ এক সুকীয়া ঐতিহ্য আছে। সংবাদ মাধ্যমৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়— গনতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হ’ল সাংবাদিকতা। গণতন্ত্ৰক শক্তিশালী কৰিবলৈ সুস্থ সাংবাদিকতা প্ৰয়োজন। গণতন্ত্ৰত সুস্থ সমালোচনাৰ প্ৰয়োজন আছে। সেয়ে সমালোচনা গঠন মূলক হোৱা উচিত। আমাৰ গণতান্ত্ৰিক ব্যৱস্থাটো সুন্দৰকৈ আগুৱাই নিৱৰ বাবে সাংবাদিকসকল নিৰপেক্ষ হ’ব লাগিব। সমালোচনা কৰাৰ সকলোৰে অধিকাৰ আছে বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয় যে সমালোচনা সদায় গঠন মূলক হ’ব লাগে। সঠিক তথ্য অবিহনে বাতৰি পৰিৱেশন কৰিলে সমাজলৈ ভুল বাৰ্তা যাব পাৰে। মিছা কথাৰে কাৰো মনত আঘাত দিয়াটো উচিত নহয়। সমীহৰ পৰিৱৰ্তে সাংবাদিকক সন্মান কৰিব লাগে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয়— নিৰপেক্ষ বুলি স্বীকৃতি পোৱা আৰু সমাজৰ বাবে জীৱন উচৰ্গা কৰা সাংবাদিকসকলে সদায় সন্মান লভা কৰি আহিছে। নগাঁও প্ৰেছ ক্লাবৰ সভাপতি যাদৱ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অংশগ্ৰহণ কৰি বিধায়ক ৰূপক শৰ্মাই নগাঁও প্ৰেছ ক্লাবৰ জন্ম লগ্নৰে পৰা বৰ্তমানলৈকে জড়িত থকাৰ কথা উল্লেখ কৰি কয় যে আমাৰ সমাজত সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সাংবাদিকসকল সদায় নিষ্পেষিত আৰু শোষিত জনগণৰ কণ্ঠ হোৱা উচিত বুলি মন্তব্য কৰি বিধায়কগৰাকীয়ে নগাঁও প্ৰেছ ক্লাবৰ আধৰুৱা কামখিনি শীঘ্ৰে সম্পূৰ্ণ কৰাৰ আশ্বাস প্ৰদান কৰে। সভাত বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু



গোস্বামী, ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বিমান হাজৰিকা, জেষ্ঠ সাংবাদিক জিতেন বৰকটকীয়েও ভাষণ দিয়ে। প্ৰেছ ক্লাবৰ সম্পাদক অজিত শইকীয়া আৰু উপ সভাপতি তপন বৰাই আঁত ধৰা সভাত প্ৰেছ ক্লাবৰ লগত জন্ম লগ্নৰ লগত জৰিত বিধায়ক ৰূপক শৰ্মা, প্ৰেছ ক্লাবৰ প্ৰতিস্থাপক সম্পাদক কনক হাজৰিকা, জেষ্ঠ সাংবাদিক শৈলেন শইকীয়া, জিতেন বৰকটকী আৰু পলাশ প্ৰতি হাজৰিকা সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ উপৰি প্ৰেছ ক্লাবক সহায় সহযোগিতা আগবঢ়োৱা ডাঃ প্ৰণৱ শইকীয়া আৰু সীমান্ত শইকীয়াকো সম্বৰ্ধনা জনোৱা হয়।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Baikuntha Nath Goswami